www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এজন সফল ব্যক্তি আৰু এজন অসফল ব্যক্তিৰ মাজত থকা পাৰ্থক্য শক্তি নাইবা জ্ঞানত নহয়, সিহঁতৰ মাজত থকা পাৰ্থক্যটো হ'ল ইচ্ছাশক্তিৰ। — ভিনছ লম্বাৰ্ডি ম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা- ১৬১ ❒ শুকুৰবাৰ ❒ ৩ এপ্ৰিল, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 161 ❒ Friday ❒ 3rd April, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page- 8

❒ কলিয়াবৰৰ মিছাত বিশাল নিৰ্বাচনী সভাত গৃহমন্ত্ৰী অমিত শ্বাহ ❒

## ৰাহুল বাবা, তোমালোকে অসমত পোন্ধৰ বছৰ শাসনত থাকি কি কৰিলা?

### কংগ্ৰেছ দলে অসমৰ বিকাশৰ বাবে একো কাম কৰা নাই ঃ অমিত শ্বাহ



**অসম বাৰ্তা, কলিয়াবৰ, পুৰণিগুদাম, ২ এপ্ৰিল ঃ** "কংগ্ৰেছ চৰকাৰে কলিয়াবৰৰ সমীপৱৰ্তী কাজিৰঙাত অনুপ্ৰৱেশকাৰীক সংস্থাপন কৰিছিল আৰু সন্দেহযুক্ত লোকৰ অবৈধ দখলত আছিল কিন্তু ভাৰতীয় জনতা পাৰ্টি আৰু অসম গণ পৰিষদৰ এনডিএ চৰকাৰে কাজিৰঙাৰ ভূমিক মুক্ত কৰিছিল। আমাৰ অসমৰ সন্মানৰ প্ৰতীক গঁড়ক সুৰক্ষা প্ৰদান কৰিছিল। কংগ্ৰেছ দলে অসমৰ বিকাশৰ বাবে একো কাম কৰা নাই।" এই মন্তব্য কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ। ❒ ৫ পৃষ্ঠাত

■ পলাশবাৰী-মধ্য গুৱাহাটীত নিৰ্বাচনী প্ৰচাৰ নীতিন গাডকাৰীৰ ■

## মুম্বাইৰ দৰে ব্ৰহ্মপুত্ৰৰ পাৰতো হ'ব মেৰিন ড্ৰাইভৰ দৰে ব্যৱস্থা ঃ গাডকাৰী

আমাৰ দেশত টকাৰ কোনো অভাৱ নাই, বিকাশ কৰিব পৰা মানুহৰ অভাৱ আছে!



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ এপ্ৰিল ঃ** সমাগত ২০২৬ বিধানসভা নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপি আহিছে, সিমানেই ৰাজ্যত শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থীসকল নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ পৰিছে। এই পটভূমিত বৃহস্পতিবাৰে পলাশবাৰী আৰু মধ্য গুৱাহাটী বিধানসভা সমষ্টিত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে। নিৰ্বাচনী সভাত ভাষণ দিয়াৰ সময়ত গাডকাৰীয়ে কেন্দ্ৰীয় চৰকাৰে অসমত কৰা বিভিন্ন ❒ ৫ পৃষ্ঠাত

■ মাত্ৰ দুই মিনিটতে ধূলিসাৎ হ'ব ড° হিমন্ত বিশ্ব শৰ্মাৰ অহংকাৰ ঃ ৰাহুল গান্ধী ■

# হিমন্ত বিশ্ব শৰ্মা দেশৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী!

■ অশোক মিট্টালক নতুন উপ-দলপতি হিচাপে নিযুক্তি ■

## ৰাঘৱ চাদ্দাক ৰাজ্যসভাৰ উপ-দলপতিৰ পদৰ পৰা অপসাৰণ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** জনপ্ৰিয় সাংসদ ৰাঘৱ চাদ্দাৰ নাম সংসদীয় কাৰ্যকলাপৰ বাবে চৰ্চাত থাকিলেও এইবাৰ তেওঁ চৰ্চালৈ ❒ ৬ পৃষ্ঠাত

## আজি পুনৰ অসমলৈ আহিব নীতিন নবীন

**নিউজ ডেস্ক, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** আসন্ন বিধানসভা নিৰ্বাচনৰ পটভূমিত অসমত নিৰ্বাচনী প্ৰচাৰৰ গৰম বতাহ বিয়পি পৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কাইলৈ পুনৰ অসমলৈ আহি ৰাজ্যৰ তিনিটা গুৰুত্বপূৰ্ণ ঠাইত নিৰ্বাচনী ❒ ৬ পৃষ্ঠাত



## কাৰ্বি জনবসতি প্ৰধান অঞ্চলত ভাৰতীয় সংবিধানৰ ২৪৪ (ক) অনুচ্ছেদ বলবৎৰ প্ৰতিশ্ৰুতি ৰাহুল গান্ধীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰ অভিযানত কংগ্ৰেছ নেতা আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ ভাষাৰে আক্ৰমণ কৰিছে। বৃহস্পতিবাৰে কাৰ্বি আংলং জিলাৰ বোকাজানত অনুষ্ঠিত এক বিশাল জনসভাত ৰাহুল গান্ধীয়ে হিমন্ত বিশ্ব শৰ্মাক "দেশৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী" বুলি অভিহিত কৰি কয় যে, কংগ্ৰেছে চৰকাৰ গঠন কৰিলে তেওঁৰ অহংকাৰ মাত্ৰ দুই মিনিটৰ ভিতৰতে ধূলিসাৎ হ'ব। ৰাহুল গান্ধীয়ে কয়, "সমগ্ৰ দেশে জানে যে হিমন্ত বিশ্ব শৰ্মাই চিণ্ডিকেটৰ সৈতে মিলি অসম চলাইছে। তেওঁ দেশৰ ভিতৰত আটাইতকৈ দুৰ্নীতিপৰায়ণ মুখ্যমন্ত্ৰী।" তেওঁ আৰু কয় যে, কংগ্ৰেছৰ চৰকাৰ গঠন হ'লে হিমন্ত বিশ্ব শৰ্মাই বুকু ফিন্দাই ঘূৰি ফুৰিব আৰু মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিব। হাতযোৰ কৰি ওলাই আহিব লাগিব বুলি ৰাহুল গান্ধীয়ে স্পষ্ট কৰি দিয়ে। তেওঁ আৰু কয়, "মই এই লোকসকলক চিনি পাওঁ। তেওঁলোকে কোনো ক্ষমা ❒ ৬ পৃষ্ঠাত

❒ ঘৰে-ঘৰে সংস্থাপন, ঘৰে ঘৰে উপাৰ্জনৰ প্ৰতিশ্ৰুতি ❒

## ১৮টা সংকল্পৰে অগপৰ সংকল্প পত্ৰ প্ৰকাশ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰাকক্ষণত অসম গণ পৰিষদ (অগপ) দলে নিজৰ নিৰ্বাচনী ❒ ৫ পৃষ্ঠাত




❒ পৃথিৱীৰ কোনো শক্তিয়ে সুৰক্ষা দিব নোৱাৰিব ড° হিমন্ত বিশ্ব শৰ্মাক ❒

## মুখ্যমন্ত্ৰী আৰু তেওঁৰ পৰিয়ালে কৰা দুৰ্নীতিৰ ফল এদিন হ'লেও ভুগিব লাগিব ঃ ৰাহুল গান্ধী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰ অভিযানৰ অংশ হিচাপে বৃহস্পতিবাৰে তিতাবৰৰ কাচজান খেলপথাৰত অনুষ্ঠিত এক বিশাল জনসভাত কংগ্ৰেছ নেতা আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তীব্ৰ ভাষাৰে আক্ৰমণ কৰিছে। প্ৰায় ১০ সহস্ৰাধিক লোকৰ উপস্থিতিত ৰাহুল গান্ধীয়ে কয় যে, বিজেপি চৰকাৰে জনতাৰ পৰা কাঢ়ি লোৱা ❒ ৬ পৃষ্ঠাত

আপোনালোকৰ পৰা কাঢ়ি লোৱা ভূমি ওভতাই দিয়া হ'ব, মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে ক্ষমা বিচাৰিব লাগিব

ব্ৰিটেইনৰ আমন্ত্ৰণ; ৩৫খন দেশৰ বিশেষ সন্মিলন

## হৰমুজ প্ৰণালী মুকলি কৰাৰ আলোচনাত যোগ দিব ভাৰত

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** বিশ্বৰ শক্তি সৰবৰাহৰ এক গুৰুত্বপূৰ্ণ জলপথ হৰমুজ প্ৰণালী মুকলি কৰি ৰাখিবলৈ আৰু ইয়াৰ মাজেৰে স্বাভাৱিক জাহাজ চলাচল নিশ্চিত কৰিবলৈ ব্ৰিটেইনে আহ্বান কৰা এক বিশেষ সন্মিলনত ভাৰতক আমন্ত্ৰণ জনোৱা হৈছে। ভাৰত চৰকাৰে এই আমন্ত্ৰণ গ্ৰহণ কৰি সন্মিলনত যোগদান কৰিবলৈ সিদ্ধান্ত লৈছে বুলি বৈদেশিক পৰিক্ৰমা ❒ ৬ পৃষ্ঠাত



■ AJP প্ৰাৰ্থী কুংকী চৌধুৰীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ মুখ্যমন্ত্ৰীৰ ■

## কুংকী চৌধুৰীৰ প্ৰাৰ্থিত্ব সনাতনী সংস্কৃতিৰ পৰিপন্থী

গো-মাংসভোজী মাতৃৰ কন্যা কুংকি চৌধুৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিৰোধী নেতা লুৰীণজ্যোতি গগৈ আৰু মধ্য গুৱাহাটী সমষ্টিৰ অজাপ প্ৰাৰ্থী কুংকি চৌধুৰীৰ বিৰুদ্ধে তীব্ৰ আক্ৰমণ অব্যাহত ৰাখিছে। বৃহস্পতিবাৰে ❒ ৬ পৃষ্ঠাত

গণতান্ত্ৰিক মূল্যবোধ আৰু শালীনতা ৰক্ষাৰ আহ্বান

### কুংকি চৌধুৰীৰ বিৰুদ্ধে অপপ্ৰচাৰৰ নিন্দা অজাপৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** অসম জাতীয় পৰিষদে গুৱাহাটী কেন্দ্ৰীয় বিধানসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী শ্ৰীমতী কুংকি চৌধুৰীৰ বিৰুদ্ধে চলি থকা অপপ্ৰচাৰৰ ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে আৰু ইয়াক তীব্ৰভাৱে ❒ ৬ পৃষ্ঠাত

❒ কুংকি চৌধুৰীৰ মাতৃক লৈ মুখ্যমন্ত্ৰীৰ প্ৰত্যাহ্বানৰ প্ৰত্যুত্তৰ ❒

## মৌলিক প্ৰশ্ন সুধিলে হিন্দু-মুছলমানৰ খাদ্যলৈ গুচি যায় মুখ্যমন্ত্ৰী ঃ লুৰীণজ্যোতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰত্যাহ্বানৰ উত্তৰ দি অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে তীব্ৰ সমালোচনা কৰিছে। মধ্য গুৱাহাটী সমষ্টিৰ অজাপ প্ৰাৰ্থী ❒ ৬ পৃষ্ঠাত

তেজপুৰত ৰাইজৰ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অখিল গগৈৰ

## 'ফাৰ্ষ্ট ক্লাছ ব্যক্তিৰ থাৰ্ড ক্লাছ পুত্ৰ' পৃথ্বীৰাজ ৰাভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ২ এপ্ৰিল ঃ** তেজপুৰ বিধানসভা সমষ্টিত বিৰোধী মিত্ৰজোঁটৰ হয়ে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। বৃহস্পতিবাৰে ৰাইজৰ দলৰ সভাপতি আৰু বিধায়ক অখিল গগৈয়ে সমষ্টিটোত ব্যাপক প্ৰচাৰ চলাই উমৈহতীয়া ❒ ৫ পৃষ্ঠাত




বৈঠকত অংশগ্ৰহণ সমষ্টিৰ দায়িত্বত থকা কাৰ্যকৰ্তাৰ; উপস্থিত প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ

### ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দিছপুৰ সমষ্টিক লৈ মুখ্যমন্ত্ৰীৰ বৈঠক

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ এপ্ৰিল ঃ** আসন্ন নিৰ্বাচনৰ পটভূমিত ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত ❒ ৬ পৃষ্ঠাত

এইবাৰ মিঞা হ'ব GAME CHANGERৰ ঃ ওৱেছি

## 'যেতিয়ালৈকে পৃথিৱী থাকিব তেতিয়ালৈকে মিঞাও থাকিব'



**অসম বাৰ্তা, ভূৰাগাঁও, ২ এপ্ৰিল ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী ইন্দিৰা খেল পথাৰত আজি এ আই ইউ ডি এখৰ নিৰ্বাচনী সভা অনুষ্ঠিত হয়। নিৰ্বাচনী সভা খনত ষ্টাৰ কেম্পেইনাৰ হিচাপে উপস্থিত থাকি প্ৰচাৰ চলাই AIMIM প্ৰধান আছাউদ্দিন ওৱেসিয়ে। লাহৰীঘাট ❒ ৬ পৃষ্ঠাত

### অসমত যেতিয়া মিঞাৰ উচ্ছেদ চলি আছিল, ৰকিবুল হুছেইনে সংসদত কেৰেম খেলি আছিল!

**অসম বাৰ্তা, ৰূপহীহাট, ২ এপ্ৰিল ঃ** আজি সংখ্যালঘু বসতি প্ৰধান ৰূপহীহাট সমষ্টিৰ উদমাৰীত হেলিকপ্টাৰ লৈ এআইইউডিএফৰ দলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় হায়দৰাবাদৰ সাংসদ তথা এআইএমএম ❒ ৬ পৃষ্ঠাত

সূৰ্য্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল চন্দ্ৰ বৰুৱাক বিদায় সম্ভাষণ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ

# তেজপুৰত এক ব্যতিক্ৰমী বিদায় সম্বৰ্ধনা অনুষ্ঠান



**অসম বাৰ্তা, তেজপুৰ সদৰ, ৩১ মাৰ্চ ঃ** তেজপুৰ চহৰৰ নিকটৱৰ্তী গোটলং গাঁৱত গোটলং দোলাবাৰী অঞ্চলৰ শিক্ষানুৰাগী ৰাইজৰ প্ৰচেষ্টাত স্থাপিত হোৱা সূৰ্য্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ত ১৯৮৬ চনৰ ১ এপ্ৰিলৰ পৰা ২০১৩ চনলৈকে সুদীৰ্ঘ ২৭ বছৰ বিনা বেতনে শিক্ষাদান কৰি ২০১৩ চনত চৰকাৰীকৰণ হোৱাৰ পিছতো সৎ, নিষ্ঠাবান, কৰ্মপটু দায়িত্বশীল শিক্ষক হিচাপে যোৱা ২৮ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে অতুল চন্দ্ৰ বৰুৱাই অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ দিনা প্ৰাক্তন ছাত্ৰ তথা যুৱ সাংবাদিক ছাইদুল ইছলামৰ লগতে অন্যান্য প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু ৰাইজে ফুলাম গামোচাৰে বিদায় সম্ভাষণ জনায়। সূৰ্য্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে কালি বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখনি অৱসৰী বিদায় সভাৰ আয়োজন কৰে। প্ৰাক্তন ছাত্ৰ তথা শিক্ষক মনচুৰ আলীয়ে আঁত ধৰা সভাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে শ্ৰদ্ধাৰ শিক্ষক অতুল চন্দ্ৰ বৰুৱাক ফুলাম গামোচা, চেলেং চাদৰ, বাঁহৰ জাপি, পিতলৰ জাপি, শৰাই, মানপত্ৰ, ধৰ্মগ্ৰন্থ, ধুতি পাঞ্জাবী, হাত ঘড়ী, ছাতিৰ লগতে অন্যান্য প্ৰয়োজনীয় সামগ্ৰী উপহাৰ হিচাপে প্ৰদান কৰি বিদায় সম্ভাষণ জনায়। বিদ্যালয় পৰিচালনা ও উন্নয়ন সমিতিৰ সভাপতি নয়ন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত প্ৰাক্তন ছাত্ৰ তথা যুৱ সাংবাদিক ছাইদুল ইছলামে ভাষণত অতুল চন্দ্ৰ বৰুৱাৰ শিক্ষকতাৰ দিনৰ মুহূৰ্তবোৰ সুঁৱৰি সকলোৱে কান্দোনত ভাগি পৰে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ বিদায় সভাত ঢেকীয়াজুলি লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আব্দুল মজিদ, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া খুৰছেদ আলী, আজাদ মেমৰিয়েল হাইস্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আব্দুল কাদিৰ, ভোমোৰাগুৰি জিলা পৰিষদৰ সদস্য নুৰুল হক, প্ৰাক্তন ছাত্ৰ তথা শিক্ষক ইয়াকুব উদ্দিন আহমেদ, দোলাবাৰী গাঁও পঞ্চায়তৰ সভাপতি তথা প্ৰাক্তন ছাত্ৰ আফতাব হুছেইন, প্ৰাক্তন ছাত্ৰ তফাজ্জুল ইছলামৰ লগতে কেইবা শতাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰী আৰু ৰাইজ উপস্থিত থাকে। শেষত অতুল চন্দ্ৰ বৰুৱাই কৰ্ম জীৱনত পোৱা সকলোৱে কৃতজ্ঞতা জ্ঞাপন কৰি এনেধৰণৰ বিদায় অনুষ্ঠান জীৱনত কেতিয়াও দেখা নাই আৰু বিৰল বুলি মন্তব্য কৰে। শেষত ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰী সকলোৱে মিলি এসাঁজ খাই পুষ্প সজ্জিত বাহনেৰে নিজৰ প্ৰিয় শ্ৰদ্ধাৰ শিক্ষাগুৰু অতুল চন্দ্ৰ বৰুৱাক তেজপুৰৰ বামুণ গাঁৱৰ বাসগৃহত শ্ৰদ্ধা সহকাৰে লৈ গৈ সেৱা জনাই থৈ আহে।

## বিজনী প্ৰেছ গীল্ডৰ কাৰ্যালয়ত বিজনীৰ নিৰ্দলীয় প্ৰাৰ্থী খলিলুৰ ৰহমানৰ সমৰ্থকৰ সংবাদমেল

**অসম বাৰ্তা, বিজনী, ৩১ মাৰ্চ ঃ** চিৰাং জিলাৰ বিজনী প্ৰেছ গীল্ডৰ কাৰ্যালয়ত সোমবাৰে বিজনীৰ নিৰ্দলীয় প্ৰাৰ্থী খলিলুৰ ৰহমানৰ সমৰ্থকৰ সংবাদমেল সম্বোধন কৰে। ইউপিপিএলৰ যুৱ কমিটিৰ কেন্দ্ৰীয় সম্পাদক আবুল কালাম আজাদৰ মন্তব্যৰ প্ৰতিক্ৰিয়া বিজনীৰ নিৰ্দলীয় প্ৰাৰ্থী খলিলুৰ ৰহমানৰ সমৰ্থকৰ। আবুল কালাম আজাদক মিছলীয়া আখ্যা। ভিত্তিহীন কথাৰে ৰাইজক বিভ্ৰান্ত কৰাৰ অভিযোগ খলিলুৰ ৰহমানৰ সমৰ্থকৰ। কি পৰিস্থিতিত আবুল কালাম আজাদে ছয় মাহ শিলচৰত জেলত থাকিব লগীয়া হ'ল। তেওঁ ৰাজহুৱা কৰক। আবুল কালাম আজাদে বিজনীৰ আলুখুন্দাস্থিত হস্পিতাল, জলসিঞ্চন আৰু মানাহ নৈৰ ওপৰত দলং কমলসিং নাৰ্জাৰীৰ দিনত হৈছিল বুলি বুলি কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় আবুল কালাম আজাদে ইতিহাস নাজানে। আলুখুন্দাৰ হস্পিতাল কাটিবলৈ কমলসিং নাৰ্জাৰীয়ে অহৰহ চেষ্টা কৰিছিল। হস্পিতালখন বাতিল কৰিবলৈ তিনিদিন গুৱাহাটীত বাহৰ পাতিছিল বুলি দাবী সমৰ্থক গৰাকীৰ। আলুখুন্দাৰ জলসিঞ্চন প্ৰকল্প তেখেতৰ পিতৃৰ জন্মৰ আগতে স্থাপন হৈছে। তেওঁ এইবিলাক ইতিহাস নাজানে। বিজনী কবৰস্থানৰ মাটি এক পক্ষীয়ভাৱে কমলসিং নাৰ্জাৰীয়ে মোটা অংকৰ বিনিময়ত বণিয়াৰ হাতত গোটাই দিছিল। আনহাতে খলিলুৰ ৰহমানক বিপিএফৰ ডেমি প্ৰাৰ্থী বুলি কৰা অভিযোগৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে খলিলুৰ ৰহমান বিপিএফৰ ডেমি প্ৰাৰ্থী বুলি তেওঁলোকে প্ৰমাণ কৰক।

সুৰাপায়ী যুৱকৰ প্ৰহাৰত সাংস্কৃতিক কৰ্মী-ক্ষুদ্ৰ ব্যৱসায়ীৰ মৃত্যু

## পশ্চিম যোৰহাট অঞ্চলত শোকৰ ছাঁ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৩১ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলি থকাৰ সময়তে, ইফালে যোৰহাট পশ্চিম অঞ্চলৰ আজান গাঁৱত সাতদিনীয়া ভাগৱত পাঠ কৰি থকাৰ সময়তে সংঘটিত হয় এক লোমহৰ্ষক ঘটনা। সুৰাৰ ৰাগীত মাতাল উদণ্ড যুৱক প্ৰাঞ্জল (ঘোটোক) কলিতা (২৪)-ৰ প্ৰহাৰত প্ৰাণ গ'ল আজান গাঁৱৰ সাংস্কৃতিক কৰ্মী, ক্ষুদ্ৰ ব্যৱসায়ী নৱজ্যোতি বৰুৱা (৪৭)-ৰ। ঘটনাৰ বিৱৰণী মতে, সাংস্কৃতিক কৰ্মী, ক্ষুদ্ৰ ব্যৱসায়ী আজান গাঁৱৰ নৱজ্যোতি বৰুৱাই আন দিনাৰ দৰে ৰাষ্ট্ৰীয় পথৰ কাষতে শাক-পাচলিৰ আৰু ব্ৰয়লাৰ বিক্ৰী কৰা দোকানখনত গৃহ নিৰ্মাণৰ সামগ্ৰী বিক্ৰী কৰা স্তকত হাজিৰা কৰা আজান গাঁৱৰ, মদৰ ৰাগীত মাতাল হৈ অহা প্ৰাঞ্জল (ঘোটোক) কলিতা (২৪) সন্ধিয়া উপস্থিত হৈ ব্যৱসায়ৰ কোনো বিষয়ত তৰ্ক-বিতৰ্কত লিপ্ত হয়। তাৰপাছত প্ৰাঞ্জল কলিতা সেই স্থানৰপৰা আঁতৰি যায়। নৱজ্যোতি বৰুৱাই দোকান বন্ধ কৰি ওচৰৰে এঘৰৰ সকামত অংশগ্ৰহণ কৰে আৰু ভোজ-ভাত খাই ১১-১০ বজাত ঘৰলৈ গৈ থাকোঁতেই বাটতে খাপ পিটি থকা প্ৰাঞ্জল কলিতাই গাঁওখনৰ নামঘৰত অনুষ্ঠিত হৈ থকা ভাগৱতৰ উদ্দেশ্য পথৰ কাষত চাকি জ্বলাবৰ বাবে পুতি থোৱা এটা বাঁহৰ খুঁটিৰে উপৰ্যুপৰি নৱজ্যোতি বৰুৱাক প্ৰহাৰ কৰে। লিভাৰ চিৰচিছত আক্ৰান্ত হৈ কথমপি সুস্থ হোৱা নৱজ্যোতি বৰুৱা ঘৰলৈ গৈ ঢলি পৰে। পত্নী, পাঁচ বছৰীয়া কন্যা, অবিবাহিত বায়েক আৰু মাতৃগৰাকীয়ে ঘটনাৰ সম্পৰ্কে আত্মীয়সকলৰ লগতে আগন্তুক ভাওনাৰ বাবে আখৰা কৰি থকা যুৱকসকলক খবৰ দিয়ে। খবৰ পাই আত্মীয় আৰু যুৱকসকল ততাতৈয়াকৈ নৱজ্যোতি বৰুৱাক যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ লৈ যায়। চিকিৎসাধীন অৱস্থাতে যোৱা নিশা ২-৫৪ বজাত নৱজ্যোতি বৰুৱাই শেষ নিঃশ্বাস ত্যাগ কৰে। এই ঘটনাই পশ্চিম যোৰহাট অঞ্চলতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শোকস্তব্ধ হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। ইফালে, গাঁওখনৰ নামঘৰত নিয়মমাফিক পাঠ কৰিছে অবিৰত ভাগৱত। আজি পুৱা পৰিয়ালৰ লোকে পুলিবৰ থানাত এজাহাৰ দাখিল কৰাত প্ৰাঞ্জল কলিতাক আটক কৰিছে। মৰণোত্তৰ পৰীক্ষাৰ পাছত আজি বিয়লি নৱজ্যোতি বৰুৱাৰ মৃতদেহ ঘৰলৈ অনাত অসংখ্য লোকৰ সমাগম হয় আৰু সৃষ্টি হয় শোকাকুল পৰিৱেশৰ। অগণন লোকৰ উপস্থিতিত নৱজ্যোতি বৰুৱাৰ অন্তিম সংকাৰ কৰাৰ লগতে হত্যাকাৰীক উচিত শাস্তি প্ৰদানৰ দাবী জনাইছে লোকসকলে।

# ঐতিহাসিক শিৱসাগৰ বিধানসভা সমষ্টিত অখিল, কুশল আৰু প্ৰদীপৰ মাজত হ'ব ত্ৰিকোণ যুঁজ

নিৰ্বাচনী ফলাফলে স্পষ্ট কৰিব শেষ হাঁহি কাৰ!

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১ এপ্ৰিল ঃ** আগন্তুক বিধানসভা নিৰ্বাচনলৈ মাজতে মাত্ৰ কেইটামান দিন। ঘনে ঘনে সলনি হ'ব ধৰিছে নিৰ্বাচনী প্ৰেক্ষাপট। ঐতিহাসিক শিৱসাগৰ বিধানসভা সমষ্টিত বিগত বিধানসভা নিৰ্বাচনত ৰাইজৰ দলৰ প্ৰাৰ্থী অখিল গগৈয়ে বিপুল ভোটত ব্যৱধানত বিজয়ী হৈছিল। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত কাৰাৰুদ্ধ অখিল গগৈয়ে শিৱসাগৰৰ গৰিষ্ঠ সংখ্যক ভোটাৰ ৰাইজৰ আবেগিক ভোট লাভ কৰিবলৈ সক্ষম হৈছিল। নিৰ্বাচনত অখিল গগৈৰ বৃদ্ধ মাতৃ আৰু নাবালক পুত্ৰই কাৰাৰুদ্ধ অখিল গগৈক ৰাইজে ভোট দি জয়যুক্ত কৰিলে কাৰামুক্ত হ'ব বুলি ভোট বিচাৰিছিল। ঐতিহাসিক অসম আন্দোলনৰ শীৰ্ষ নেতা প্ৰনৱজিৎ চলিহা ওৰফে ৰমু চলিহাই তেখেতে জন্ম দিয়া জাতীয় ঐক্য মঞ্চৰ কৰ্মী সকলক অসুস্থ শৰীৰে অখিল গগৈক ভোটদান কৰিবলৈ আহ্বান জনাই ছিল। বিশিষ্ট অধিবক্তা নেকিবুৰ জামান আৰু জেষ্ঠ সাংবাদিক হাইদৰ হুছেইনৰ দৰে বৰেণ্য ব্যক্তি শিৱসাগৰলৈ আহি অখিল গগৈক ভোটদান কৰিবলৈ শিৱসাগৰবাসীক আহ্বান জনাইছিল। এনেবোৰ কাৰণতে শিৱসাগৰবাসী ৰাইজে অখিল গগৈৰ সপক্ষে ভোটদান কৰাত বিজেপি দলৰ প্ৰাৰ্থী সুৰভি ৰাজকুঁৱৰী অখিল গগৈৰ হাতত পৰাস্ত হৈছিল। ইয়াৰোপৰি শৃংখল চলিহা, চিতু বৰুৱা, দেৱজিৎ দত্ত, মহেন্দ্ৰ দিহিঙ্গীয়াকে ধৰি জাতীয় জনগোষ্ঠীয় সংগঠনৰ একাংশ আগশাৰীৰ নেতাইয়ো অখিল গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত জঁপিয়াই পৰিছিল। এইবাৰৰ বিধানসভা নিৰ্বাচনত ৰাইজৰ দলৰ প্ৰাৰ্থী হিচাপে অখিল গগৈ পুনৰ শিৱসাগৰ সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হৈছে। তাৰ বিপৰীতে অগপ বিজেপি মিত্ৰজোঁটৰ তৰফৰ পৰা অগপ প্ৰাৰ্থী প্ৰদীপ হাজৰিকা আৰু বিজেপিৰ প্ৰাৰ্থী কুশল দুৱৰীয়ে বন্ধুত্বমুলক ভাৱে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। এইবাৰৰ ৯৬নং শিৱসাগৰ বিধানসভা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ২,০৯,৯৭৬ গৰাকী। ইয়াৰে ১,০৩,৪৮৫ গৰাকী পুৰুষ ভোটাৰ, ১, ০৬,৪৯১ গৰাকী মহিলা ভোটাৰ আৰু এগৰাকী তৃতীয় লিংগৰ ভোটাৰ আছে। ৯৬ নং শিৱসাগৰ বিধানসভা সমষ্টিত অগপৰ প্ৰদীপ হাজৰিকা, বিজেপিৰ কুশল দুৱৰী, ৰাইজৰ দলৰ অখিল গগৈ, আম আদমী পাৰ্টীৰ তপন গগৈ, নিৰ্দলীয় প্ৰাৰ্থী হিচাপে ড° ভবেন্দ্ৰ নাথ মহন, হেমন্ত বৰুৱা, ৰাজকুমাৰ দুৱৰা, ৰূপক ভুএগ্ৰা আৰু চি পি আইৰ মদন বৰুৱাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কিন্তু আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা চি পি আইৰ প্ৰাৰ্থী মদন বৰুৱাই মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰাত মুঠ ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাতো নিশ্চিত হ'ল। অগপ আৰু বিজেপিৰ মিত্ৰতা হোৱাৰ পিছতো শিৱসাগৰ বিধানসভা সমষ্টিত অগপ আৰু বিজেপিয়ে নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰি বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতা কৰিছে। তাৰ বিপৰীতে ৰাইজৰ দলৰ সৈতে কংগ্ৰেছৰ শেহতীয়াকৈ মিত্ৰতা হোৱাত কংগ্ৰেছ দলে শিৱসাগৰত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ নকৰি অখিল গগৈক সমৰ্থন আগবঢ়াইছে। অসম জাতীয় পৰিষদেও অখিল গগৈৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। বিগত বিধানসভা নিৰ্বাচনৰ দৰে এতিয়া কিন্তু অখিল গগৈৰ সপক্ষে ভোটাৰৰ আবেগিক ঢৌ নাই। অখিল গগৈৰ বাবে জয়লাভৰ পথ পূৰ্বৰ দৰে মশ্ৰিণ হৈ থকাও নাই। কাৰণ অখিল গগৈৰ সমৰ্থনত থকা শিৱসাগৰ বিধানসভা সমষ্টিৰ এটা বৃহৎ অংশ নৱগঠিত ডিমৌ সমষ্টিত এইবাৰ অন্তভুক্ত হৈছে। পূৰ্বে অখিল গগৈক সপক্ষে নিৰ্বাচনত অংশগ্ৰহণ কৰা গৰিষ্ঠ সংখ্যক জাতীয় জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বও এতিয়া অখিল গগৈৰ সৈতে নাই। অখিল গগৈক সহযোগিতা কৰা একাংশ জাতীয় জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বই এইবাৰ অখিল গগৈৰ বিৰুদ্ধাচৰণ কৰাহে পৰিলক্ষিত হৈছে। ইয়াৰোপৰি বিগত পঞ্চায়ত নিৰ্বাচনতো নিজাববীয়াকৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱা ৰাইজৰ দলে ভাল ফলাফল দেখুৱাবলৈ সক্ষম নহ'ল। তাৰ বিপৰীতে বিজেপি দলেহে পঞ্চায়ত নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হৈছিল। শিৱসাগৰৰ বিধানসভা সমষ্টিৰ মুঠ ২৭খন পঞ্চায়তৰ ভিতৰত ২৫খন পঞ্চায়ত আৰু ৪ খনকৈ জিলা পৰিষদ বৰ্তমান বিজেপিৰ দখলত আছে। বিলুপ্ত হোৱা আমগুৰি সমষ্টিৰ ১৩খন পঞ্চায়ত নতুনকৈ শিৱসাগৰ সমষ্টিত অন্তৰ্ভুক্ত হৈছিল। শিৱসাগৰৰ মুঠ ভোটাৰৰ ভিতৰত ৮০, ১৮৫ গৰাকী ভোটাৰ থকা ১৩খন পঞ্চায়তত কেৱল বিজেপি আৰু অগপৰ সমৰ্থিত ভোটাৰ আছে বুলি জানিব পৰা গৈছে। বৰ্তমান ৰাইজৰ দল আৰু অখিল গগৈয়ে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বিপৰীতে বিজেপি দলৰ প্ৰাৰ্থী কুশল দুৱৰীৰ বিৰুদ্ধে বাকযুদ্ধ আৰু বিস্ফোৰক অভিযোগ কৰাতহে ব্যস্ত থকা পৰিলক্ষিত হৈছে। তাৰ বিপৰীতে অগপ প্ৰাৰ্থী প্ৰদীপ হাজৰিকা আৰু বিজেপিৰ প্ৰাৰ্থী কুশল দুৱৰীয়ে বন্ধুত্বমুলক প্ৰতিদ্বন্দ্বিতাৰ ধৰ্ম ৰক্ষা কৰি নিজস্ব শক্তিৰে সমগ্ৰ শিৱসাগৰ বিধানসভা সমষ্টিত দিনে নিশাই দৈনিক ১০ খনৰো অধিক নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মাৰাথন প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। তেনেদৰে ৰাইজৰ দল ত্যাগ কৰি এইবাৰৰ বিধানসভা নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হোৱা ড° ভবেন্দ্ৰ নাথ মহন, ৰূপক ভুএগ্ৰাৰ দৰে প্ৰাৰ্থীয়েও বিভিন্ন অঞ্চলত প্ৰচাৰ চলোৱা দেখা গৈছে। যি কি নহওক এই বাৰৰ শিৱসাগৰ সমষ্টিৰ নিৰ্বাচনী যুঁজ ৰাইজৰ দলৰ অখিল গগৈ, বিজেপিৰ কুশল দুৱৰী আৰু অগপৰ প্ৰদীপ হাজৰিকাৰ দৰে তিনিগৰাকী শক্তিশালী প্ৰাৰ্থীৰ মাজতে সীমাবদ্ধ থাকিব। অখিল গগৈ, কুশল দুৱৰী আৰু প্ৰদীপ হাজৰিকাৰ মাজতেই শিৱসাগৰ সমষ্টিৰ ত্ৰিকোণ নিৰ্বাচনী যুঁজ হোৱাতো একপ্ৰকাৰ নিশ্চিত হৈ পৰিছে। এই তিনিওগৰাকী শক্তিশালী প্ৰাৰ্থীৰ ভিতৰত কোনগৰাকী প্ৰাৰ্থীয়ে শেষ হাঁহি মাৰে সেই কথা নিৰ্বাচনী ফলাফলতহে স্পষ্ট হ'ব।

নিৰ্বাচনত NDAক সমৰ্থন সংযুক্ত বড়ো গণ মঞ্চৰ

# মঙলদৈত সংযুক্ত বড়ো গণ মঞ্চৰ সংবাদমেল

**অসম বাৰ্তা, মঙলদৈ, ৩১ মাৰ্চ ঃ** বিভিন্ন দাবী সম্বলিত পত্ৰৰে সংবাদ মেল সম্বোধন কৰে সংযুক্ত বড়ো গণ মঞ্চৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অনিল চন্দ্ৰ বড়াৰে। দাবী সমূহৰ ভিতৰত আছেBKWAC অন্তৰ্গত অৱশিষ্ট বড়ো গাঁওসমূহৰ অধিসূচনা জাৰি কৰাৰ বাবে অনুৰোধ। দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ বড়ো বসতি থকা গাঁওসমূহক BKWACত অন্তৰ্ভুক্ত কৰাৰ বিষয়ত মীমাংসাৰ বাবে অনুৰোধ। শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ বড়ো গাঁওসমূহ BKWACত অন্তৰ্ভুক্ত কৰাৰ স্থগিত বিষয় সমাধান। BKWAC-ৰ সমষ্টি আসনৰ সংখ্যা ৩৬ৰ পৰা ৪০লৈ বৃদ্ধি কৰা। BKWAC নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ। BKWAC-ৰ সংশোধন কৰি BKAC নামকৰণ কৰাৰ বাবে অনুৰোধ। BKWAC-ৰ SOPD ধনৰ আবণ্টন বৃদ্ধি কৰাৰ বাবে অনুৰোধ। BKWAC-ৰ সুচল কাৰ্যকৰীতাৰ বাবে প্ৰয়োজনীয় প্ৰশাসনিক আৰু প্ৰযুক্তিগত পদ সৃষ্টি কৰা। BTR চুক্তিৰ ধাৰা ১০.১ অনুসাৰে বিশেষ আৰ্থিক পেকেজ প্ৰদান কৰা। BKWAC-ৰ দুটা স্থায়ী সচিবালয় কাৰ্যালয় ভৱন নিৰ্মাণ-Sanjari Nwgwr (সিমেন চাপৰি, ধেমাজি) আৰু গুৱাহাটী (কামৰূপ মেট্ৰো)। ধুবুৰী জিলাৰ ধুবুৰী চহৰত "ব্ৰহ্মা লজিং" নিৰ্মাণ কৰা। BKWAC এলেকাৰ অৱশিষ্ট সকলো বড়ো মাধ্যম বিদ্যালয়সমূহক প্ৰাদেশিকীকৰণ কৰা। BKWAC এলেকাৰ বড়ো মাধ্যম বিদ্যালয়সমূহত পৰ্যাপ্ত শিক্ষক নিয়োগ কৰা। BKWAC এলেকাৰ বিভিন্ন জিলাত পট্টা, PGR আৰু VGR ভূমিৰ সমস্যা সমাধান কৰা। কাৰ্বি আংলং আৰু ডিমা হাসাওত বসবাস কৰা বড়ো লোকসকলক তৎকালীনভাৱে গ (পাহাৰীয়া) তালিকাত অন্তৰ্ভুক্ত কৰা। নতুন দিল্লীত BKWAC ভৱন নিৰ্মাণৰ বাবে উপযুক্ত ভূমি আৱণ্টন কৰা। BTCৰ বাহিৰত থকা ৫০, ০০০ নিবনুৱা বড়ো যুৱক-যুৱতীক প্ৰতিজনক ৫.০০ লাখ টকাৰ বিশেষ আৰ্থিক সহায় প্ৰদান কৰা। সাঞ্জাৰি Nwgwr, সিমেন চাপৰিত এখন আধুনিক ক্ৰীড়া কমপ্লেক্স স্থাপন কৰা। BKWAC এলেকাত এখন দক্ষতা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা। BTCৰ বাহিৰত থকা বড়ো লোকসকলৰ বাবে তিনিটা ৰাজ্যিক স্তৰৰ অধ্যক্ষ পদ প্ৰদান কৰা। BTCৰ বাহিৰত থকা বড়ো লোকসকলৰ পৰা এখন ৰাজ্যসভাৰ সদস্য পদ প্ৰদান কৰা। এই কেইটা দাবীৰে সংবাদমেলখন সম্বোধন কৰে। সংবাদমেলত উপস্থিত থাকে সংযুক্ত বড়ো গণ মঞ্চৰ দৰং জিলাৰ সভাপতি দেনিয়েল বসুমতাৰী সম্পাদক দীপক বড়ো। উপ-সভাপতি নগেন বড়ো, সাংগঠনিক সম্পাদক মদন বসুমতাৰী আৰু কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অনিল বড়োকে ধৰি কেইবাজনো গন মঞ্চৰ বড়ো নেতৃত্ব।

## ডুমডুমাত তিনিচুকীয়া জিলাৰ মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়সমূহৰ প্ৰধানসকলৰ মাজত জিলা পৰ্যায়ৰ পৰ্যালোচনা সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩১ মাৰ্চ ঃ** আজি ডুমডুমাৰ পিএমশ্ৰী হুন্নলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তিনিচুকীয়া জিলাৰ অন্তৰ্গত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়সমূহৰ প্ৰধানসকলৰ মাজত এক পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে জিলা অধিবিদ্যা পৰিষদ আৰু কেইবাখনো বিদ্যালয়ৰ তৰফৰ পৰা জিলাখনত নতুনকৈ যোগদান কৰা বিদ্যালয়সমূহৰ পৰিদৰ্শক মদন পেগুক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাখনত সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামোলী, জিলা অধিবিদ্যা পৰিষদৰ সভাপতি নিলাক্ষী দত্ত, সম্পাদক সঞ্জয় প্ৰাণ ঠাকুৰ, পি এম পোষণৰ জিলা প্ৰবন্ধক ত্ৰিনয়নী হাজৰিকা আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক বিপুল দহোটীয়া উপস্থিত থাকে। সভাত দিয়া ভাষণ পৰিদৰ্শকগৰাকীয়ে জিলাখনত ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক শৈক্ষিক উত্তৰণৰ স্বাৰ্থত বিদ্যালয়ৰ পৰিৱেশ উন্নত কৰাৰ লগতে নিয়মীয়া উপস্থিতি, বিদ্যালয় এৰি দিয়াৰ প্ৰৱণতা (Drop Out) ৰোধ কৰা, মণ্ডল পৰ্যায়ৰ শৈক্ষিক সভাত শিক্ষকৰ উপস্থিতি, নিদানমূলক ব্যৱস্থাৰ কাৰ্যকৰীকৰণ, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ লগতে অভিভাৱকৰ সভা নিয়মীয়াকৈ অনুষ্ঠিত কৰা, পুঁজিৰ ব্যৱহাৰ সম্পৰ্কীয় সকলো তথ্যৰ সঠিকভাৱে মজুত কৰণ, বিদ্যালয়ৰ বাবে লাগতিয়াল পৰিকল্পনাসমূহ (SDP আৰু SAP) শীঘ্ৰে প্ৰস্তুত কৰা আদি বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

"আমাৰ চৰকাৰ আহিলে অৰুণোদয় আচঁনিৰ ধন ৩ হাজাৰ টকালৈ বৃদ্ধি কৰা হ'ব" - অখিল গগৈ

## ফিল'বাৰীৰ হোলোং গুটিবাৰীত ডিগবৈ সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী দুলাল মৰাণৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অখিল গগৈ




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩১ মাৰ্চ ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ বিধানসভা সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী দুলাল মৰাণৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলায় ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে। কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদৰ নেতৃবৃন্দ উপস্থিত থকা সভাখনত অখিল গগৈয়ে বহুকেইটা গুৰুত্বপূৰ্ণ মন্তব্য কৰে। বিশেষকৈ বিৰোধী মিত্ৰজোঁটৰ চৰকাৰ আহিলে অৰুণোদয় আঁচনিৰ ধন ৩ হেজাৰ টকালৈ বৃদ্ধি কৰা হ'ব বুলি ঘোষণা কৰাৰ লগতে অন্য বহুকেইটা ঘোষণা কৰে অখিল গগৈয়ে। গৰিমা গাৰ্গে জুবিন গাৰ্গক লৈ নিৰ্বাচনী প্ৰচাৰ নচলাবলৈ আহ্বান জনোৱা বিষয়টোৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কালি কৰা মন্তব্যৰ বাবেহে গৰিমাই এই কথা ক'বলগীয়া হৈছে বুলি সাংবাদিকক জানিবলৈ দিয়ে ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে।

## ডুমডুমা মহাবিদ্যালয়ত ভোটাৰ সজাগতা কাৰ্যসূচী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ এপ্ৰিল ঃ** সমাগত অসম বিধানসভা নিৰ্বাচন-২০২৬ ৰ পৰিপ্ৰেক্ষিতত তিনিচুকীয়া নিৰ্বাচনী জিলাত SVEEP(প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোটদানত অংশগ্ৰহণ) কোষৰ উদ্যোগত ভোটাৰ সজাগতাৰ বাবে বিভিন্ন কাৰ্যসূচী চলাই থকা হৈছে। জিলাখনৰ ১৮ বছৰ উৰ্দ্ধৰ ভোটাৰসকলৰ মাজত সজাগতা বৃদ্ধিৰ বাবে লগতে ৯ এপ্ৰিল তাৰিখে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে আজি ডুমডুমা মহাবিদ্যালয়ত SVEEP কোষৰ উদ্যোগত তথা ডুমডুমা মহাবিদ্যালয়ৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্বাক্ষৰ অভিযানৰ আয়োজন কৰাৰ উপৰিও কোনো ভয় অথবা শংকা নোহোৱাকৈ বিবেক ভোটদানৰ শপতবাক্য পাঠ কৰোৱাৰ হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অতি উৎসাহেৰে এই স্বাক্ষৰ অভিযানত অংশগ্ৰহণ কৰে আৰু নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ উৎসাহ প্ৰকাশ কৰে।

# কংগ্ৰেছ মানেই বিজেপি, বিজেপি মানেই কংগ্ৰেছ; মন্দিয়াত ড° ৰফিকুল ইছলামৰ নিৰ্বাচনী হুংকাৰ

**অসম বাৰ্তা, মন্দিয়া, ১ এপ্ৰিল ঃ** ৰাজ্যত এতিয়া নিৰ্বাচনী জ্বৰ। বিধান সভা নিৰ্বাচনৰ ৰণশিঙা বাজি উঠাৰ লগে লগে প্ৰতিটো ৰাজনৈতিক দলেই এতিয়া নিজৰ শক্তি প্ৰদৰ্শনৰ বাবে কঁকালত টঙালি বান্ধিছে। চহৰে-নগৰে, গাঁৱে-ভূএঞে এতিয়া কেৱল নিৰ্বাচনী চৰ্চা। এই ক্ষেত্ৰত কোনো গুণে পিছ পৰি থকা নাই বদৰুদ্দিন আজমল নেতৃত্বাধীন এআইইউডিএফ দল। বিশেষকৈ সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত দলটোৱে নিজৰ ভেটি শক্তিশালী কৰিবলৈ ব্যাপক প্ৰচাৰ অভিযান চলাইছে। আজি বৰপেটা জিলাৰ মন্দিয়া সমষ্টিৰ বিভিন্ন প্ৰান্তত দিনজোৱা কাৰ্যসূচীৰে নিৰ্বাচনী প্ৰচাৰ চলায় দলটোৰ এজন জ্যেষ্ঠ নেতাই। প্ৰাতঃভ্ৰমণৰ পৰাই আৰম্ভ হোৱা এই নিৰ্বাচনী তৎপৰতাই অঞ্চলটোত এক বিশেষ মাত্ৰা প্ৰদান কৰে। তেওঁ ক্ৰমান্বয়ে পশ্চিম ফালে, তাপেশ্বৰা গাঁও পঞ্চায়ত, কলগাছিয়া বজাৰ, কদং, বানিয়াৰাপাৰা, গৰৈমাৰী, কান্ধপাৰা আৰু মেধেৰটাৰী আদি অঞ্চলত পদযাত্ৰা আৰু পথসভাৰ জৰিয়তে ৰাইজৰ কাষ চাপে। প্ৰতিটো স্থানতে দলীয় কৰ্মী আৰু সাধাৰণ ৰাইজৰ অভূতপূৰ্ব সঁহাৰি প্ৰত্যক্ষ কৰি নেতাগৰাকী উৎফুল্ল হৈ পৰে। তেওঁ সংবাদ মাধ্যমৰ আগত দাবী কৰে যে, "ৰাইজৰ এই সঁহাৰিয়ে প্ৰমাণ কৰিছে যে সৰ্বস্তৰৰ মানুহৰ সমৰ্থন এতিয়া আমাৰ লগত আছে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত নেতাগৰাকীয়ে কংগ্ৰেছ আৰু বিজেপি দলক একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি অভিহিত কৰি তীব্ৰ সমালোচনা কৰে। তেওঁ এক বিস্ফোৰক মন্তব্য কৰি কয়, "আজিৰ দিনত কংগ্ৰেছ মানেই বিজেপি আৰু বিজেপি মানেই কংগ্ৰেছ।" তেওঁ যুক্তি দৰ্শাই কয় যে কংগ্ৰেছৰ চৰিত্ৰ এতিয়া সম্পূৰ্ণ সলনি হৈছে। নেতাগৰাকীয়ে প্ৰাক্তন কংগ্ৰেছী নেতা যিসকলে বৰ্তমান বিজেপিত যোগদান কৰিছে, তেওঁলোকৰ নাম লৈ আক্ৰমণৰ লক্ষ্য কৰি লয়। তেওঁ কয়, "যিসকল কালি কংগ্ৰেছত আছিল, তেওঁলোক আজি বিজেপিৰ টিকটত নিৰ্বাচন খেলিছে। প্ৰদ্যুৎ বৰদলৈ, কমলাক্ষ দে পুৰকায়স্থ, শশীকান্ত দাস, বসন্ত দাস আৰু আনকি ভূপেন বৰাৰ দৰে নেতাৰ উদাহৰণ দি তেওঁ কয় যে বৰ্তমানৰ বিজেপি চৰকাৰখন আচলতে পুৰণি কংগ্ৰেছী নেতাৰেহে ভৰি আছে। গতিকে ৰাইজে এই দুই দলৰ মাজত কোনো পাৰ্থক্য বিচাৰি নাপায়। প্ৰচাৰৰ মাজতে নেতাগৰাকীয়ে নিখিল ভাৰত মজলিছ-ই-ইত্তেহাদুল মুছলিমীন (AIMIM)ৰ মুৰব্বী তথা হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱাইছিক প্ৰশংসাৰে উপচাই পেলায়। তেওঁ ওৱাইছিক ভাৰতবৰ্ষৰ এজন অত্যন্ত দক্ষ আৰু সাহসী সংসদীয় নেতা বুলি অভিহিত কৰে। তেওঁ কয়, "কেৱল সংখ্যালঘুৱেই নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষ লোকসকলে ওৱাইছিক তেওঁৰ স্পষ্টবাদীতাৰ বাবে পছন্দ কৰে।" এক গুৰুত্বপূৰ্ণ ঘোষণা কৰি তেওঁ জনায় যে আগন্তুক ৩ এপ্ৰিলত আছাদুদ্দিন ওৱাইছি এআইইউডিএফৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অসমলৈ আহিব, যিয়ে ৰাজ্যৰ নিৰ্বাচনী সমীকৰণত এক নতুন মোৰ দিব বুলি ধাৰণা কৰা হৈছে। অখিল গগৈ আৰু গৌৰৱ গগৈৰ দৰে বিৰোধী নেতাসকলকো ক্ষুৰধাৰ সমালোচনা কৰে নেতাগৰাকীয়ে। তেওঁ অভিযোগ কৰে যে, "অখিল গগৈ আৰু গৌৰৱ গগৈয়ে কেৱল ডাঙৰ ডাঙৰ কথা ক'ব জানে, কিন্তু নিজৰ সমষ্টিৰ দুখীয়া আৰু সংখ্যালঘু লোকসকলক সুৰক্ষা দিয়াত তেওঁলোক সম্পূৰ্ণ ব্যৰ্থ হৈছে।" তেওঁ কয় যে যেতিয়া খাটি খোৱা মানুহবোৰৰ ওপৰত চৰকাৰী তন্ত্ৰৰ অত্যাচাৰ চলে, তেতিয়া এই নেতাসকলক বিচাৰি পোৱা নাযায়। শেষত তেওঁ দৃঢ়তাৰে কয় যে একমাত্ৰ এআইইউডিএফ দলেই সংবিধান সন্মতভাৱে সংখ্যালঘু আৰু নিস্পেষিত লোকৰ অধিকাৰৰ বাবে যুঁজ দি আহিছে। নিৰ্বাচনৰ ফলাফল ঘোষণা হ'লে বিৰোধীৰ সকলো মুখ বন্ধ হ'ব আৰু এআইইউডিএফে বিপুল ভোটত জয়লাভ কৰিব বুলি তেওঁ হুংকাৰ প্ৰদান কৰে।

# বকোৰ ডেকাপাৰা ৰাভা জনজাতি সমাজৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী মাঁ বিষহৰি মাৰৈৰ বাৰ্ষিক পূজা সামৰণি

**অসম বাৰ্তা, বকো, ১ এপ্ৰিল ঃ** বকোৰ ডেকাপাৰা ৰাভা জনজাতি সমাজৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে ৯৯ সংখ্যক শ্ৰী শ্ৰী বিষহৰি পূজাৰ আয়োজন, অন্তিম দিনা উখল মাখল পৰিৱেশ। ৰাজ্যৰ খিলঞ্জীয়া জাতি জনগোষ্ঠী সমূহৰ অন্যতম হ'ল ভূমিপুত্ৰ ৰাভা জনজাতি। ডেকাপাৰা ৰাভা জনজাতি সমাজৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী মাঁ বিষহৰি মাৰৈ পূজাৰ তিনিদিনীয়াকৈ চ'ত মাহৰ ১৩ তাৰিখৰ পৰা আৰম্ভ হৰা পূজাৰ আজি শেষৰটো দিন। আজি ভৰ পূজা। অগন ভক্তৰ লানি নিচিগা সোঁত। দুৰ দুৰনিৰ পৰা আশিৰ্বাদ বিচাৰি আহিছে ভক্ত। কামৰূপ জিলাৰ বকোৰ ডেকাপাৰা ৰাভা জনজাতি সমাজে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আয়োজন কৰে মাৰৈ পূজা। ডেকাপাৰা ৰাভা জনজাতি সমাজৰ উদ্যোগত আন আন বৰ্ষৰ দৰে এইবেলিও মহা ধূমধামেৰে আয়োজন কৰে গৌৰৱোজ্জ্বল ৯৯ সংখ্যক শ্ৰীশ্ৰী মা বিষহৰি পূজা। ডেকাপাৰাৰ ৰাভা জনজাতি সমাজৰ হৈ সভাপতি গুনিন্দ্ৰ ৰাভা, সম্পাদক নয়ন ৰাভা আৰু কোষাধ্যক্ষ গিৰেন্দ্ৰ ৰাভাই জানিবলৈ দিয়া অনুসৰি, ২৮ মাৰ্চৰ পৰা আৰম্ভ হয় এই মাৰৈ পূজা। ৰাভা জনজাতি সমাজৰ উপৰিও ওচৰ চুবুৰীয়া অঞ্চলত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলেও জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ধৰ্মীয় বিশ্বাস অনুভূতি সাৰোগত কৰি অতীজৰে পৰা অতি মিলা প্ৰীতিৰে মাৰৈ পূজাত মাৰ শ্ৰীচৰণত মংগল কামনা কৰি ভক্ত প্ৰাণ ৰাইজক আশিস লোৱা পৰিলক্ষিত হয়। ইফালে, মাৰৈ পূজা আৰম্ভণি দিনাৰ পৰা আটাই কেইটা দিনতে এক আধ্যাত্মিক পৰিবেশে বিৰাজ কৰে সমগ্ৰ পূজাস্থলী। তিনিদিনীয়াকৈ হোৱা পূজাৰ আজি অন্তিমতো দিন, আজি ভৰ পূজা, আজিৰ কাৰ্য্যসূচীত ভক্ত সকলৰ নৈবেদ্য গ্ৰহণ, দেওধ্বনী ও ওজাপালিৰ নৃত্য পদৰ্শন, নিমন্ত্ৰিত ৰাইজ আদৰণিৰ, তিনিখন ৰাইজক আমন্ত্ৰণ কৰা হয়, নিমন্ত্ৰিত ৰাইজৰ সভাপতি সম্পাদকৰ লগতে নিমন্ত্ৰিত অতিথি আৰু দাতা সকলৰ সম্বৰ্ধনা অনুষ্ঠান। নিমন্ত্ৰিত ৰাইজৰ অভ্যৰ্থনাৰ লগতে বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হয়। আয়োজক সমিতিৰ জৰিয়তে আমন্ত্ৰিত অতিথি হিচাপে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰী, সাধাৰণ সদস্য অশোক ৰাভা, ৩২ নং উত্তৰ বেকেলী গাঁও পঞ্চায়তৰ সভানেত্ৰী হিৰণ্ময়ী বড়ো, কামৰূপ জিলা আৰছুৰ যুটীয়া সম্পাদক উৎপল ৰাভা, বেকেলী মৌজা ৰাভা জাতীয় পৰিষদৰ সভাপতি ধনেশ্বৰ ৰাভাৰ উপৰিও বিশিষ্ট অতিথি আৰু সন্মানীয় দাতাসকলক সম্বৰ্ধনা জনোৱা হয়। অহা বৰ্ষত গৌৰৱোজ্জ্বল ১০০ বছৰ গৰকিব, সেয়ে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে আয়োজক সমিতিয়ে।

# ডিব্ৰুগড়ত লুইতপৰীয়া লোক সংস্কৃতিক কলা কেন্দ্ৰৰ বিহু আখৰা সম্পন্ন

## বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩১ মাৰ্চ ঃ** অসমীয়াৰ বাপতি সাহোন হেঁপাহৰ ৰঙালী বিহুলৈ মাজত মাথোঁ কেইটামান দিন বাকী। ৰঙালী বিহুৰ দিন চাপি অহাৰ লগে লগে ৰাজ্যৰ চৌদিশে আকাশ বতাহ মুখৰিত হৈছে বিহু, ঢোল আৰু পেঁপা-গগনাৰ মাতত নাচনী বিহুৱাৰ জাত জাত বিহু নামত। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ডিব্ৰুগড়ৰ লুইতপৰীয়া লোক সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত নৱপ্ৰজন্ম তথা উঠি অহা কণ কণ শিশুসকলক বিহুৰ প্ৰতি অধিক আকৰ্ষিত কৰাৰ মানসেৰে প্ৰতি বছৰৰ দৰে এইবাৰো লুইতপুৰীয়া সাংস্কৃতিক কলা কেন্দ্ৰৰ ডিব্ৰুগড়ৰ উদ্যোগত ৰঙালী বিহু উপলক্ষে বিহুৰ আখৰা শিবিৰ আয়োজন কৰা হয়। আজিৰ কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থী সকলে হুঁচৰি, জেং বিহু, ঢোল বাদনকে ধৰি বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্যসূচীৰে সামৰা হয়। ডিব্ৰুগড় উপকণ্ঠ অঞ্চল পোহাৰীখনিয়া নামঘৰ প্ৰাংগণত অনুষ্ঠিত কৰা শিবিৰত মুখ্য প্ৰশিক্ষক ৰূপে উপস্থিত আছিল বিশিষ্ট লোকবাদ্য সাধক বৰবিহুৱা জিতেন দাস, নৃত্য পটীয়সী বৰ বিহুৱতী ৰবি গগৈ সন্দিকৈ, বিশিষ্ট অনাতাঁৰ শিল্পী ভুবন গগৈ, ঢুলীয়া ৰুবুল দত্ত, বিহুৱা বিপিন বড়া, বিহুৱতী প্ৰিয়া তামোলী, নৃত্যশিল্পী গুদু দাস, ঢুলীয়া অনুকূল দাস আৰু তনুজ দাসে সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰা লগতে বিহুনাচৰ এই আখৰাত বাদ্য সংগত কৰে অভিজ্ঞ প্ৰশিক্ষকৰ দলে। ২৭ মাৰ্চৰ পৰা অনুষ্ঠিত হোৱা বিহু আখৰা শিবিৰৰ অন্তিম দিনা সামৰণি অনুষ্ঠানত প্ৰশিক্ষণত অংশ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থী সকলে জেং বিহু, হুঁচৰী, ঢোলবাদন, বিহু নাচ প্ৰদৰ্শন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি এখনি বিহু বিষয়ত মুকলি সভা অনুষ্ঠিত কৰা হয়। সভাত কৃপাল ফুকন, প্ৰদীপ গগৈ, সঞ্জীৱ শৰ্মা, প্ৰমোদ দাস, উদয় কৃষ্ণ হাজৰিকা, অচ্যুৎ দাস, সাংবাদিক যাদৱ গগৈ, প্ৰশান্ত শইকীয়া, বেবিজান দত্ত, মীনাক্ষী দাস বৰুৱা, মমী গগৈ, প্ৰমোদ দাস, বাপীৰাম বড়া, দিগেন দাস, নিৰল দাস, উদয় কৃষ্ণ দাসকে প্ৰমুখ্য কৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। সভাত বৰবিহুৱতী প্ৰিয়া তামোলিক বিশেষ ভাৱে সম্বৰ্দ্ধনা জনোৱা হয়।

## ভোটাৰ ৰাইজক দিলে উন্নয়নৰ প্ৰতিশ্ৰুতি

# ঢেকীয়াজুলিৰ মাউৰিয়াপুৰত নিৰ্দলীয় প্ৰাৰ্থী অনচুমা বসুমতাৰীৰ জোৰদাৰ প্ৰচাৰ অভিযান

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৩১ মাৰ্চ ঃ** সমাগত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনক লৈ ৰাজ্যজুৰি ৰাজনৈতিক তৎপৰতা তীব্ৰতৰ হৈ উঠাৰ মাজতে শোণিতপুৰ জিলাৰ অন্তৰ্গত ৬৫ নং ঢেকীয়াজুলি বিধানসভা সমষ্টিতো নিৰ্বাচনী উত্তেজনা বৃদ্ধি পাইছে। এই পৰিপ্ৰেক্ষিততে আজি সমষ্টিটোৰ মাউৰিয়াপুৰ এলেকাত নিৰ্দলীয় প্ৰাৰ্থী অনচুমা বসুমতাৰীৰ এখনি নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। উক্ত নিৰ্বাচনী প্ৰচাৰ সভাত বৃহৎ সংখ্যক ৰাইজৰ উপস্থিতিৰ মাজত অনচুমা বসুমতাৰীয়ে নিজৰ ভাষণত সমষ্টিটোৰ সামগ্ৰিক উন্নয়ন, যুৱ সমাজৰ সমস্যা সমাধান, পথ-যোগাযোগ ব্যৱস্থা আৰু মৌলিক সুবিধাসমূহ উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে ৰাইজৰ সক্ৰিয় সহযোগিতা লাভ কৰিলে ঢেকীয়াজুলিক উন্নয়নৰ এক নতুন দিশলৈ আগবঢ়োৱা সম্ভৱ হ'ব। ইয়াৰ উপৰিও তেওঁ বিদ্যমান ৰাজনৈতিক ব্যৱস্থাৰ ওপৰতো সমালোচনা আগবঢ়াই জনসাধাৰণৰ মৌলিক সমস্যাসমূহ দীৰ্ঘদিন ধৰি অৱহেলিত হৈ থকা বুলি অভিযোগ তোলে। তেওঁ ৰাইজক এইবাৰ বিকল্প চিন্তা কৰি নিৰ্দলীয় প্ৰাৰ্থীক সমৰ্থন জনাবলৈ আহ্বান জনায়। মাউৰিয়াপুৰত অনুষ্ঠিত এই সভাৰ পিছতে অনচুমা বসুমতাৰীয়ে RRC অঞ্চলত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সেই সভাসমূহতো তেওঁ ৰাইজৰ সৈতে মতবিনিময় কৰি সমষ্টিটোৰ বিভিন্ন সমস্যাৰ বিষয়ে অৱগত হয় আৰু সমাধানৰ আশ্বাস দিয়ে। উল্লেখ্য যে আগন্তুক নিৰ্বাচনক লৈ ঢেকীয়াজুলি সমষ্টিত ৰাজনৈতিক প্ৰতিযোগিতা দিনক দিনে তীব্ৰতৰ হৈ উঠিছে আৰু প্ৰাৰ্থীসকলেও জোৰদাৰভাৱে প্ৰচাৰ অভিযান চলাই আছে। অনচুমা বসুমাতাৰীয়ে লগতে কয় কংগ্ৰেছ বিজেপি কোনো এটা দলৰ প্ৰাৰ্থী সমষ্টিত ফেক্টৰ নহয়। সমষ্টিত এইবেলি নিৰ্দলীয় প্ৰাৰ্থী জয় নিচ্চিত বুলি কলে অনচুমাই।

# ১৫ স্থানত নিৰ্বাচনী কাৰ্যালয় উদ্বোধন শৈলেন সোণোৱালৰ

**অসম বাৰ্তা, ধেমাজি, ১ এপ্ৰিল ঃ** সমাগত বিধানসভা নিৰ্বাচন। আহৰি নাই শাসক বিৰোধী। বিৰদিবাদ নোপোৱা অৱস্থা গাওঁ চহৰৰ ৰাজপথ। ধেমাজি বিধান সভা সমষ্টিৰ কংগ্ৰেছ দলৰ মনোনীত পাৰ্থী শৈলেন সোণোৱালে আজি দক্ষিন ধেমাজিকে ধৰি মাছখোৱা বেগেনাগড়া দুসুতিমুখ ভুমোৰাগুৰী কাইটং ফাটিহা বৰাজান কে ধৰি বিভিন্ন অঞ্চল সামৰি ১৫ টাকৈ নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰাৰ লগতে সৰু সৰু নিৰ্বাচনী সভাত অনুষ্ঠিত কৰি ৰাইজৰ আগত বক্তব্য প্ৰদান কৰে। বিভিন্ন স্থানত আয়োজন কৰা নিৰ্বাচনী প্ৰচাৰ সভাত গৰিষ্ঠ সংখ্যক ৰাইজ সমবেত হৈ প্ৰিয় নেতাজনক উষ্ম আদৰনী আৰু সম্বৰ্ধনাৰ জনাই। সভাত আগন্তক পাছ বছৰৰ বাবে ৰাইজক সেৱা কৰিব পৰাকৈ আশীৰ্বাদ বিচৰাৰ লগতে ৰাইজলৈ পাছটাকৈ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আগন্তক দিনত কংগ্ৰেছৰ চৰকাৰ আহিলে ১০০ দিনৰ ভিতৰত জুবিন গাৰ্গক ন্যায় প্ৰদান কৰা হব বুলি বিশেষ প্ৰতিশ্ৰুতি প্ৰদান কৰে। পাৰ্থী গৰাকীয়ে ৰাইজৰ উপস্থিতি দেখি যথেষ্ট অভিভূত হৈ তেওঁ কয় যে এইবেলি ধেমাজি সমষ্টিত বি জে পি কম্পমান হোৱা বুলি কৈ শাসকীয় দলত থকাৰ পিছতো মুদিক নিমন্ত্ৰণ কৰি নিৰ্বাচনী সভা আয়োজন কৰিব লগা এক পৰিৱেশ সূচনা হৈছে বুলি সমালোচনা কৰে।

# গৰৈমাৰীত ইমদাদ হুছেইনৰ হৈ নিৰ্বাচনী প্ৰচাৰ এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমলৰ

**অসম বাৰ্তা, গৰৈমাৰী, ৩১ মাৰ্চ ঃ** অসম বিধানসভাৰ নিৰ্বাচনলৈ কেইটামান দিন বাকী থকা সময়তে ছমৰীয়া সমষ্টিত এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী ইমদাদ হুছেইনৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ হেলিকপ্টাৰ যোগে আজি গৰৈমাৰীত উপস্থিত হয় এ আই ই উ ডি এফৰ সভাপতি বদৰুদ্দিন আজমল। এ আই ইউ ডি এফৰ দক্ষিন কামৰূপ জিলাৰ সভাপতি আশ্ৰাফ উদ্দিন আহমেদৰ সঞ্চালনাত গৰৈমাৰী টাউন ক্লাব খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি এ আই ইউ ডি এফৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলে ছমৰীয়া সমষ্টিৰ পৰা ইমদাদ হুছেইনৰ সপক্ষে ভোট দিবলৈ আহ্বান জনায়। এইবাৰ ছমৰীয়া সমষ্টিত এ আই ইউ ডি এফৰ মনোনীত প্ৰাৰ্থী বিজয়ী হ'লে সমষ্টিটোত বিজ্ঞান শাখাৰ মহাবিদ্যালয়, মহিলা মহাবিদ্যালয়, মেডিকেল স্থাপনৰ লগতে আজমল ছুপাৰ-৪০'ৰ শাখা স্থাপনৰ ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। উন্নতি আৰু প্ৰগতিৰ স্বাৰ্থত এ আই ইউ ডি এফৰ সমৰ্থনত ভোট দিবলৈ মৌলানা আজমলে ৰাইজক আহ্বান জনায়। সভাত অংশগ্ৰহণ কৰি দলৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি আদিত্য লাংথাছাই স্বাধীনতাৰ পিছৰ পৰাই সংখ্যালঘু ৰাইজে কংগ্ৰেছৰ অপশাসন আৰু কুশাসনৰ ফল ভুগি অহা বুলি কয়। কংগ্ৰেছে শিক্ষা, উন্নয়ন, জীৱিকাৰ ক্ষেত্ৰত, সামাজিকভাৱে সংখ্যালঘুক বঞ্চিত কৰি আহিছে। সেই বঞ্চনা-লাঞ্ছনাৰ উচিত জবাব ৰাইজক ভোটৰ জৰিয়তে দিবলৈ আদিত্য লাংথাছাই আহ্বান জনায়। নিৰ্বাচনী সভাত ছমৰীয়া সমষ্টিৰ এ আই ইউ ডি এফৰ মনোনীত প্ৰাৰ্থী ইমদাদ হুছেইনে কয় - মই বিধায়ক হ'লে জাতিৰ মানুহৰ ওপৰত অত্যাচাৰ হ'লে তেজ দি হ'লেও জাতি ৰক্ষা কৰাৰ চেষ্টা কৰিব বুলি উল্লেখ কৰে আৰু সমষ্টিৰ সামগ্ৰিক উন্নয়ন, শিক্ষা, যাতায়ত-স্বাস্থ্য খণ্ডৰ উন্নতি আদি বিষয়ত গুৰুত্ব আৰোপ কৰে। সভাত দক্ষিন কামৰূপ জিলা মহিলা মৰ্চাৰ সভানেত্ৰী ড° পাৰবীন ৰেজিনা চুলতানা, নূৰ আলম, আক্ৰাম হুছেইন, বাহাৰুল ইছলাম, আব্দুল আজিজ, ছেলিম আককাৰ আব্দুৰ ৰেজ্জাককে প্ৰমুখ্য কৰি ভালেসংখ্যক দলীয় নেতাই অংশগ্ৰহণ কৰে।

# হাজোত অগপ প্ৰাৰ্থী প্ৰকাশ দাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ "এজিপি আৰু বিজেপি বুন্দিয়া আৰু ভুজিয়া"



**অসম বাৰ্তা, হাজো, ১ এপ্ৰিল ঃ** এজিপি আৰু বিজেপি হ'ল বুন্দিয়া ভুজিয়া। চাহ কাপ হ'ল বিজেপি আৰু চেনি হৈছে এজিপি। হাজো শুৱালকুছি সমষ্টিৰ উন্নয়নৰ কাম প্ৰকাশ দাস আৰু মই একেলগে কৰিম। হাজোত এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। হাজোৰ উন্নয়নৰ কাম এবছৰতে সম্পূৰ্ণ কৰিম। প্ৰকাশ দাসৰ সৈতে লগ লাগি সমষ্টি লৈ উন্নয়নৰ গংগা নমাই আনিম। অহাবাৰ চৰকাৰ গঠন হ'লে ২লাখ চৰকাৰী চাকৰি দিম। মহিলা সকলৰ উন্নতিৰ বাবে অহা বাৰ ২৫ হাজাৰকৈ দিম। হাজো শুৱালকুছি সমষ্টিত অহাবাৰ নতুনকৈ দহ হাজাৰ মহিলাক অৰুণোদয় দিয়া হ'ব। আনহাতে কংগ্ৰেছ প্ৰাৰ্থী নন্দিতা দাসক কটাক্ষ কৰি ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বিগত দহ বছৰত নন্দিতা দাসে বকো সমষ্টিত ৰাস্তা নবনাই পুখুৰীহে বনাইছে। আনকি কংগ্ৰেছ প্ৰাৰ্থী নন্দিতা দাসক কিছুদিন জিৰণি লৈ বিজেপি দলত যোগদান কৰিবলৈ আহ্বান জনায়। কংগ্ৰেছ চৰকাৰে অকল সূতা, কম্বল, লুঙিৰ ৰাজনীতিহে কৰিব জানে। নতুন চৰকাৰ গঠন কৰিলে ৰেচন কাৰ্ডত এক লিটাৰকৈ মিঠাতেল দিয়া হ'ব বুলিও প্ৰতিশ্ৰুতি দিয়ে। আনহাতে দুখীয়া ল'ৰা-ছোৱালীৰ পঢ়াৰ সমস্ত খৰচ বিনামূলীয়া হ'ব ঘোষণা কৰাৰ লগতে CMAAA আঁচনিৰ অধীনত দহ হাজাৰ ল'ৰা ছোৱালীক দুই লাখ কৈ টকা দিয়া হ'ব বুলি ঘোষণা কৰে ড° হিমন্ত বিশ্ব শৰ্মাই। এইবাৰৰ নিৰ্বাচনত প্ৰাক্তন ছাত্ৰ নেতা প্ৰকাশ দাসক বিপুল ভোটত জয়ী কৰি হাজো শুৱালকুছি সমষ্টিৰ উন্নয়নৰ বাবে কাম কৰিবলৈ সুযোগ দিবলৈ আহ্বান জনায় ড° হিমন্ত বিশ্ব শৰ্মাই।

## আদিবাসী লোকসকলক প্ৰতিটো ৰাজনৈতিক দলে ভোট বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে ঃ সুৰেশ তাঁতী

# বেলশিৰি চাহ বাগিছাত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ বিশাল মটৰচাইকেল ৰেলী, ৰাজনৈতিক সজাগতাৰ আহ্বান

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত বেলশিৰি চাহ বাগিছাত আজি সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ বৰছলা আৰু মিছামাৰী আঞ্চলিক সমিতিৰ উদ্যোগত এখনি বিশাল মটৰচাইকেল ৰেলী উলিওৱা হয়। এই ৰেলীৰ জৰিয়তে আদিবাসী তথা চাহ শ্ৰমিক সমাজক ৰাজনৈতিকভাৱে সজাগ আৰু সচেতন কৰাৰ লক্ষ্যৰে সংগঠনটোৱে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। উল্লেখ্য যে ৰাজ্যত আগন্তুক বিধানসভাৰ নিৰ্বাচনী পৰিৱেশৰ মাজত সমাজৰ বিভিন্ন স্তৰৰ লোকক নিজৰ অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে সচেতন কৰাৰ উদ্দেশ্যেৰে এই ধৰণৰ কাৰ্যসূচী আয়োজন কৰা হৈছে। বিশেষকৈ চাহ বাগিচা অঞ্চলত বসবাস কৰা শ্ৰমিক আৰু আদিবাসী লোকসকলক ৰাজনৈতিকভাৱে সজাগ কৰা, নিৰ্বাচনত সক্ৰিয় অংশগ্ৰহণৰ বাবে উৎসাহিত কৰা আৰু যোগ্য প্ৰাৰ্থীক ভোট দি জয়ী কৰোৱাৰ ওপৰত সংগঠনটোৱে গুৰুত্ব আৰোপ কৰিছে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ উপ সভাপতি সুলেশ তাঁতীৰ নেতৃত্বত বেলশিৰি চাহ বাগিছাৰ পৰা আৰম্ভ হোৱা এই মটৰচাইকেল ৰেলীয়ে ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ বিভিন্ন এলেকা পৰিভ্ৰমণ কৰে। ৰেলীৰ সময়ছোৱাত অংশগ্ৰহণকাৰীসকলে বিভিন্ন শ্লোগান দাঙি ধৰি জনসাধাৰণক সজাগ কৰাৰ লগতে গণতান্ত্ৰিক অধিকাৰ যোগ্য প্ৰাৰ্থীৰ পক্ষত প্ৰয়োগ কৰাৰ বাবে আহ্বান জনায়। আজিৰ এই ৰেলীত সংগঠনটোৰ শোণিতপুৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক ধনীৰাম ভূমিজ, বৰছলা আঞ্চলিক সমিতিৰ সভাপতি বিনয় কিষাণ, সম্পাদক অনন্ত ৰাজ তাঁতী, মিছামাৰী আঞ্চলিক সমিতিৰ সভাপতি প্ৰকাশ কুৰ্মী, সম্পাদক ৰবেট দাহাংগাৰ লগতে বহুতো কৰ্মী আৰু বিষয়ববীয়া উপস্থিত থাকে। ৰেলীত বিপুলসংখ্যক যুৱক-যুৱতীৰ অংশগ্ৰহণে অনুষ্ঠানটোক অধিক সজীৱ কৰি তোলে। স্থানীয় ৰাইজে এই উদ্যোগক স্বাগত জনোৱাৰ লগতে এনে সচেতনতা মূলক কাৰ্যসূচীয়ে আগন্তুক দিনত ৰাজনৈতিক অংশগ্ৰহণ বৃদ্ধি কৰাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে।

# মৰিগাঁও সমষ্টিৰ চুকে-কোণে প্ৰচাৰ নিৰ্দলীয় প্ৰাৰ্থী অমলেশ মেধিৰ

**অসম বাৰ্তা, বেৰেজীয়া, ১ এপ্ৰিল ঃ** অহা ৯ এপ্ৰিলত হব লগা অসম বিধান সভাৰ সাধাৰণ নিৰ্বাচনলৈ আৰু মাত্ৰ কেইটামান দিন থকা অৱস্থাত মৰিগাঁও বিধানসভা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তুংগত উঠিছে। শাসকীয় বিজেপি নেতৃত্বাধীন এনডিএ মনোনীত প্ৰাৰ্থী ৰমাকান্ত দেউৰী, বিৰোধী মিত্ৰ দলৰ সমৰ্থিত প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ বাণীকান্ত দাসৰ লগতে ৰাইজৰ সমৰ্থিত নিৰ্দলীয় প্ৰাৰ্থী অমলেশ মেধিয়ে নিজৰ নিজৰ সমৰ্থকক লৈ প্ৰচাৰ কাৰ্য চলোৱা পৰিলক্ষিত হৈছে। সোমবাৰে নিৰ্দলীয় প্ৰাৰ্থী অমলেশ মেধিয়ে শতাধিক সমৰ্থক লগত লৈ সমষ্টিটোৰ বিভিন্ন পঞ্চায়তত প্ৰচাৰ কাৰ্য চলায়। সমষ্টিটোৰ পাঘালীত এটি নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰি অৱসৰপ্ৰাপ্ত সেনা বিষয়াজনে মৰিগাঁও সমষ্টিটোৰ বৰ্তমান বিধায়ক জনক তীব্ৰ সমালোচনা কৰি কয়- ৰমাকান্ত দেউৰীয়ে ইমান দিন বিধায়ক হৈ নিজৰ সম্পত্তিৰ পাহাৰ গঢ়িলে। গতিকে অৱহেলিত মৰিগাঁও সমষ্টিৰ উন্নয়নৰ স্বাৰ্থত জনতাই নিঃস্বাৰ্থ লোকক নিৰ্বাচন কৰক।

# কংগ্ৰেছলৈ দুই শতাধিক এ আই ইউ ডি এফৰ কৰ্মী লাহৰীঘাটত নিৰ্বাচনী প্ৰচাৰৰ সমান্তৰালকৈ দল বাগৰা ৰাজনীতি তুংগত

**অসম বাৰ্তা, ভুৰাগাঁও, ১ এপ্ৰিল ঃ** আগন্তুক বিধান সভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৫৩ নং লাহৰীঘাট বিধান সভা সমষ্টিত কংগ্ৰেছ, এ আই ইউ ডি এফ আৰু আঞ্চলিক দল অসম গণ পৰিষদৰ মনোনীত প্ৰাৰ্থী কেইজনৰ নিজা নিজা দলীয় সমৰ্থক সকলে নিৰ্বাচনী প্ৰচাৰ তুংগত কৰি তুলিছে। সমষ্টিটোত বিশেষকৈ কংগ্ৰেছ প্ৰাৰ্থী তথা বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰ আৰু এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছিদ্দিক আহমেদৰ নিৰ্বাচনী প্ৰচাৰ অধিক তীব্ৰতৰ হৈ উঠিছে। সমষ্টিটোত দুয়োটা দলৰ দুয়োগৰাকী শক্তিশালী প্ৰাৰ্থী ৰূপে অৱতীৰ্ণ হৈছে যদিও বৰ্তমান এ আইইউ ডি এফ দলত গৰাখহনীয়া আৰম্ভ হ'ব ধৰিছে। নিৰ্বাচনলৈ আগত মাত্ৰ এসপ্তাহ থকাৰ অৱস্থাত সমষ্টিটোৰ সাধাৰণ ভোটাৰ ৰাইজৰ মাজতো দল বাগৰা ৰাজনীতিয়ে গা কৰি উঠিছে। সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক তথা কংগ্ৰেছ প্ৰাৰ্থী ডাঃ আচিফ মহম্মদ নাজাৰৰ বাসগৃহত আজি এ আই ইউ ডি এফৰ শতাধিক নেতা-কৰ্মীয়ে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ কংগ্ৰেছ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। একেদৰে সমষ্টিটোৰ ৰজাধাগাধোৱা গাঁও পঞ্চায়ততো কালি ডেৰ শতাধিক এ আই ইউ ডি এফৰ কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। নতুনকৈ দলত যোগদান কৰা প্ৰতিগৰাকী সদস্য-সদস্যাক বিধায়ক নাজাৰে উষ্ম আদৰণি জনোৱাৰ লগতে শক্তিশালী আৰু বিকশিত লাহৰীঘাট সমষ্টিৰ স্বাৰ্থত সকলোকে ঐক্যবদ্ধ হৈ কাম কৰিবৰ বাবে সংকল্পবদ্ধ হবলৈ আহ্বান জনাই। উল্লেখ্য যে সমষ্টিটোত এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছিদ্দিক আহমেদ আৰু কংগ্ৰেছৰ প্ৰাৰ্থী ডাঃ আছিফ মহম্মদ নাজাৰ টুলুঙা বাকযুদ্ধৰ পৰা বিৰত আছে যদিও কংগ্ৰেছৰ টিকট বঞ্চিত দাবীদাৰ ডাঃ ফৰিদুল হুছেইন সহ একাংশই আনুষ্ঠানিক ভাৱে এ আই ইউ ডি এফত যোগদান কৰাৰ পাছত নিৰ্বাচনী উত্তেজনা কিছু বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। এই সকলে নতুনকৈ এ আই ইউ ডি এফত যোগদান কৰাৰ পাছতে ডাঃ আছিফ মহম্মদ নাজাৰৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত কিছু বিধিপথালি দিয়া পৰিলক্ষিত হৈছে। বিশেষকৈ বিভিন্ন স্থানত ডাঃ আছিফ মহম্মদ নাজাৰৰ গ বেক আদি ধ্বনি দি অস্বস্তিকৰ পৰিবেশৰ সৃষ্টি কৰাৰ দৰে ঘটনাই প্ৰবিন এ আই ইউ ডি এফৰ কৰ্মীৰ মাজত বিয়োগাত্মক প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। যিয়ে এ আই ইউ ডি এফক লাভান্বিত কৰিব বুলি আশা কৰিব নোৱাৰি। কিয়নো এইবাৰ বিধায়ক নাজাৰৰ পৰিয়াল কেন্দ্ৰিক ৰাজনীতি ওফৰাবলৈ একাংশই এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছিদ্দিক আহমেদক মুকলিকৈ সংগ দিছিল যদিও এ আই ইউ ডি এফৰ একাংশ কৰ্মীৰ অগণতান্ত্ৰিক প্ৰতিবাদত আশাহত হৈ তেনে বহু লোক পুনৰ ডাঃ আছিফ নাজাৰৰ শিবিৰলৈ ঘূৰি আহি দলত আনুষ্ঠানিক ভাৱে পুনৰ যোগদান কৰিছে। এনে সন্ধিক্ষণত লাহৰীঘাট সমষ্টিত কোনে শেষ হাঁহি মাৰিবলৈ সক্ষম হয় সেয়া লক্ষণীয় হব।

# গোলকগঞ্জ সমষ্টিত নিৰ্বাচনী প্ৰচাৰত বিজেপিৰ প্ৰাৰ্থী অশ্বিনী ৰায় সৰকাৰ

**অসম বাৰ্তা, গোলকগঞ্জ, ১ এপ্ৰিল ঃ** গোলকগঞ্জ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী অশ্বিনী ৰায় সৰকাৰক ঘৰে ঘৰে ভোটাৰ ৰাইজৰ সম্বৰ্ধনা। আজি দুপৰীয়াৰ ভাগত গোলকগঞ্জৰ প্ৰতিটো ওৱাৰ্ডত সোমাই নিৰ্বাচনী প্ৰচাৰত কোনবাই প্ৰসাদ খুৱাই যদি কোনোবা ভোটাৰ ৰাইজে সম্বৰ্ধনা জনাইছে আৰু কোনোৱাই লগতে ওলাই আহিছে প্ৰাৰ্থী গৰাকীৰ লগত প্ৰচাৰ চলাবলৈ। পিছে পৰিলক্ষিত হয় যে দলটোৰ গোলকগঞ্জ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী অশ্বিনী ৰায়



সৰকাৰৰ লগতে হাজাৰ হাজাৰ সমৰ্থক পদ যাত্ৰা আৰম্ভ কৰে। এনেদৰে এক বৃহৎ নিৰ্বাচনী প্ৰচাৰ পথ যাত্ৰা অনুষ্ঠিত হৈছে। এই নিৰ্বাচনী প্ৰচাৰত গোলকগঞ্জ সমষ্টিৰ বিজেপি প্ৰাৰ্থী অশ্বিনী ৰায় সৰকাৰৰ সমৰ্থনত হাজাৰ হাজাৰ সমৰ্থক উপস্থিত থাকে বিজেপিৰ প্ৰাৰ্থী গৰাকীয়ে নিজৰ ভাষণত কয় এইবাৰ গোলকগঞ্জ সমষ্টিত বিজেপি বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰিব বুলি মত প্ৰকাশ কৰে। তেওঁ আগন্তুক বিধানসভা নিৰ্বাচনত গোলকগঞ্জ সমষ্টিত পুনৰ বিজেপিক সমৰ্থন জনোৱাৰ আহ্বান জনায়। তেওঁৰ এইমন্তব্যই সমষ্টিটোৰ ৰাইজৰ সৈতে তেওঁৰ ঘনিষ্ঠ আৰু আবেগিক সম্পৰ্কৰ স্পষ্ট ইংগিত দিয়ে। উল্লেখ্য যে আগন্তুক নিৰ্বাচনৰ পূৰ্বে দলটোৰ সাংগঠনিক শক্তি আৰু জনসমৰ্থন প্ৰদৰ্শনৰ এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হৈছে। স্থানীয় ৰাইজৰ মতে, বিগত বছৰসমূহত গোলকগঞ্জ সমষ্টিত বিজেপিৰ বিধায়ক নথকাৰ সত্বেও প্ৰাক্তন বিধায়ক হিচাবে কৰা উন্নয়নমূলক কাম-কাজ আৰু শক্তিশালী নেতৃত্বৰ ওপৰত ভৰসা কৰি বিজেপিৰ প্ৰতি সমৰ্থন দিনক দিনে বৃদ্ধি পাইছে। আগন্তুক দিনসমূহত গোলকগঞ্জ সমষ্টিত ৰাজনৈতিক পৰিস্থিতি অধিক চাঞ্চল্যকৰ হোৱাৰ সম্ভাৱনা দেখা গৈছে।

# চাৰিং আৰু আমগুৰি কাৰাটে ক্লাবৰো ১২ গৰাকী খেলুৱৈক ব্লেক বেল্ট প্ৰদান

**অসম বাৰ্তা, জাঁজী, ১ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ আমগুৰি মহাবিদ্যালয়ৰ ইনডৰ ষ্টেডিয়ামত কালি অনুষ্ঠিত হোৱা ৫ চাৰিং আৰু আমগুৰি কাৰাটে ক্লাবৰ বেল্ট প্ৰদান অনুষ্ঠানত ১২ গৰাকী খেলুৱৈক ব্লেক বেল্ট প্ৰদান কৰে। চাৰিং কাৰাটে ক্লাবৰ হৈ ইন্দুমণি খনিকৰ, আস্থাজিতা দত্ত, জোনাকজ্যোতি নাথ, ধৃতি পল্লৱ গগৈ আৰু আমগুৰি ক্লাবৰ হৈ কৌশিক ফুকন, সুদৰ্শন বৰুৱা, উদয়াদিত্য বৰুৱা, সিদ্ধাৰ্থ ফুকন, অমন ফুকন, অয়নজ্যোতি গগৈ, জাগৃতি কোঁৱৰ আৰু উদ্দীপ্ত নেওগে ব্লেক বেল্ট লাভ কৰে। যোগেন নাথ আৰু দেবেন ফুকনৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰা ব্লেক পৰীক্ষাত মুখ্য বিচাৰক হিচাবে অংশ গ্ৰহণ কৰে SKSAI Indiaৰ সাধাৰণ সম্পাদক বিষ্ণু প্ৰসাদ শৰ্মা। এই বেল্ট প্ৰদান অনুষ্ঠানত সহযোগী বিচাৰক হিচাবে সহযোগিতা আগবঢ়ায় প্ৰাঞ্জনা নেওগ আৰু শিশু খেলুৱৈ অংশুমান শৰ্মাই। সামৰণি অনুষ্ঠানত বিচাৰক বিষ্ণু প্ৰসাদ শৰ্মাই কয় যে অভিভাৱকৰ সহযোগিতা অবিহনে কোনো ছাত্ৰ-ছাত্ৰীয়েই ক্ৰীড়াৰ ক্ষেত্ৰত আগবাঢ়ি যাব নোৱাৰে। অনুষ্ঠানত ব্লেক বেল্ট সকলৰ উপৰি মুখ্য বিচাৰক, সহযোগী বিচাৰক, সাংবাদিক ৰাজীৱ দত্ত, বিকাশ শৰ্মা, চাৰিং কাৰাটে ক্লাবৰ বিনয় গগৈ আৰু আমগুৰি কাৰাটে ক্লাবৰপবিত্ৰ নেওগ আৰু ৰণজিৎ বৰুৱাক উদ্যোক্তা সকলে সম্বৰ্ধনা জনায়।

# তামোলপুৰ সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৰাফেল দৈমাৰীৰ তীব্ৰ নিৰ্বাচনী প্ৰচাৰ

**অসম বাৰ্তা, বাগানপাৰা, ১ এপ্ৰিল ঃ** ৪৩ নং তামোলপুৰ বিধানসভা সমষ্টিৰ আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজনৈতিক দল সমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ পৰিছে। শাসকীয় দল বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী সকলৰ মাজত দিনক দিনে নিৰ্বাচনী প্ৰচাৰ তথা তৎপৰতা বৃদ্ধি পাবলৈ ধৰিছে। এনে সময়তে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ৰাফেল দৈমাৰীয়ে নিজৰ শক্তিশালী উপস্থিতিৰে তীব্ৰতাৰে চলাইছে নিৰ্বাচনী প্ৰচাৰ। সমষ্টিটোৰ বিভিন্ন অঞ্চলত ৰাফেল দৈমাৰীয়ে জনসংযোগ অভিযান চলাই ভোটাৰ সকলৰ সৈতে যোগাযোগ স্থাপন কৰিছে। গাঁও সমূহত বিভিন্ন সভা-সমিতি অনুষ্ঠিত কৰি তেওঁ দলৰ নীতি আৰু আদৰ্শ আৰু উন্নয়নৰ পৰিকল্পনা ৰাইজৰ আগত দাঙি ধৰিছে। বিশেষকৈ স্থানীয় সমস্যা সমাধান, উন্নত পথ-যোগাযোগৰ ব্যৱস্থা, শিক্ষাৰ উন্নয়ন আৰু স্বাস্থ্য খণ্ডৰ বিকাশক তেওঁ অগ্ৰাধিকাৰ দিব বুলি উল্লেখ কৰিছে। প্ৰচাৰৰ সময়ত ৰাফেল দৈমাৰীয়ে কয় যে, দীৰ্ঘদিন ধৰি শাসকীয় দলে সমষ্টিৰ ৰাইজক প্ৰতিশ্ৰুতি দিলেও বাস্তৱ ক্ষেত্ৰত উল্লেখযোগ্য উন্নয়ন সাধন কৰিব পৰা নাই। সেইবাবে এইবাৰৰ নিৰ্বাচনত ৰাইজে কংগ্ৰেছ দলৰ প্ৰাৰ্থীক সমৰ্থন জনাব বুলি তেওঁ আশাবাদী। তেওঁ লগতে কয় যে, যদি তেওঁ জয়ী হয়, তেন্তে ৰাইজৰ স্বাৰ্থক সৰ্বাধিক গুৰুত্ব দি স্বচ্ছ আৰু দায়বদ্ধ শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ইতিমধ্যে সমষ্টটোৰ বিভিন্ন স্থানত তেওঁ পোৱা সঁহাৰি যথেষ্ট উৎসাহজনক বুলি দাবী কৰি ৰাফেল দৈমাৰীৰ বিজয় নিশ্চিত বুলি মন্তব্য কৰে। তেওঁৰ এই তীব্ৰ প্ৰচাৰ অভিযানৰ ফলত তামোলপুৰ সমষ্টিত নিৰ্বাচনী সমীকৰণ নতুন ৰূপ ল'ব বুলি দলীয় সমৰ্থক সকলে ধাৰণা কৰিছে।

## সম্পাদকীয়

# টোল টেক্স বৃদ্ধিৰ নামত চৰকাৰী উদাসীনতা

অসমত বিধানসভা নিৰ্বাচনৰ ২০২৬ৰ প্ৰচাৰৰ জোৱাৰ চলি থকাৰ মাজতে সাধাৰণ ৰাইজৰ জীৱনত পৰিল এক চৰম আঘাত। ১ এপ্ৰিল, ২০২৬ৰ পৰা ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহত টোল টেক্সৰ হাৰ পুনৰ বৃদ্ধি কৰা হৈছে। ৰন্ধন গেছ চিলিণ্ডাৰৰ মূল্যবৃদ্ধি আৰু নাটনিয়ে ৰাইজৰ চিত্ত উদ্বিগ্ন কৰি থকাৰ কিছুদিনৰ পাছতে ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (NHAI)ৰ এই সিদ্ধান্তই তেল দি জুই জ্বলোৱাৰ কাম কৰিছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ অসহনীয় ঊৰ্ধ্বগতিয়ে জীৱন-যাত্ৰা কঠিন কৰি তোলাৰ মাজতে যাতায়াত খৰচৰ এই নতুন বোজাই নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীক শোষণ কৰিবলৈ উদ্যত হৈছে।

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে দেশজুৰি টোল টেক্স বৃদ্ধিৰ যি নতুন নিৰ্দেশনা জাৰি কৰিছে, অসমতো আজিৰ পৰা সেই নতুন হাৰ কাৰ্যকৰী হৈছে। সাতখন গুৰুত্বপূৰ্ণ টোলগেটত টোলৰ মাচুল ৫ টকাৰ পৰা ৩৫ টকালৈকে বৃদ্ধি পোৱা এই সংবাদে চিন্তাৰ ৰেখা অংকন কৰিছে ৰাইজৰ মনত। নাজিৰাখাট, মদনপুৰ, ৰহা, চুলুং, ৰঙামাটি আৰু ডবকাৰ টোলগেটসমূহ পাৰ হ'বলৈ এতিয়া যাত্ৰীসকলে পূৰ্বতকৈ যথেষ্ট বেছি ধন ভৰিব লাগিব। বিশেষকৈ লঘু বাহনসমূহৰ ক্ষেত্ৰত এই বৃদ্ধি অধিক পৰিমাণে চকুত পৰা ধৰণৰ। টোল প্লাজাত নতুন নিৰিখ ওলোমাই দিয়া হৈছে যদিও এই ওলোমা সংখ্যাই সাধাৰণ মানুহৰ বাবে কেৱল আৰ্থিক ভাৰ বৃদ্ধিৰে সীমাবদ্ধ নহয়, ই যেন এক শোষণৰ শামুক।

স্বাভাৱিকতে এনে পৰিস্থিতিত সচেতন মহলত তীব্ৰ অসন্তোষৰ সৃষ্টি হৈছে। ৰাইজৰ মনত এতিয়া নানান প্ৰশ্নৰ সৃষ্টি হৈছে। এফালে নিৰ্বাচনৰ সময়ত যেতিয়া ৰাজনৈতিক দলসমূহে জনসাধাৰণৰ বাবে কল্যাণমূলক প্ৰতিশ্ৰুতিৰ বাণী বুলাই ফুৰিছে, ঠিক সেই মুহূৰ্ততে এনে সিদ্ধান্ত কিয়? নিৰ্বাচনী আচৰণ বিধি অমান্য কৰি চৰকাৰে বা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে কেনেদৰে ইমান সহজে সাধাৰণ জনতাৰ ওপৰত অতিৰিক্ত বোজা চাপাই দিব পাৰে? ইয়াতে সীমাবদ্ধ নহয়, টোল সংগ্ৰহৰ জৰিয়তে সংগ্ৰহ হোৱা অৰ্থৰ ব্যৱহাৰ ক'ত কৰা হয়? ৰাজ্যৰ ঘাইপথসমূহৰ অৱস্থা উন্নত কৰাত সেই ধন ব্যৱহাৰ কৰা হয় নেকি? নে মাত্ৰ চৰকাৰী কোষাগাৰলৈ অহা আয় বৃদ্ধিৰেই ই এক মাধ্যম? এই সকলো প্ৰশ্নই এতিয়া সাধাৰণ মানুহৰ মনত সন্দেহৰ জাল বহুতাইছে।

ব্যৱসায়ী মহল আৰু বাণিজ্যিক বাহনৰ মালিকসকলেও এই বৃদ্ধিক লৈ ক্ষোভ প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে, টোলৰ হাৰ বৃদ্ধিৰ ফলত যাতায়াত খৰচ বৃদ্ধি পোৱাৰ লগতে সামগ্ৰী পৰিবহণৰ খৰচো আকাশলংঘী হ'ব। ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ বজাৰত পৰিব। পৰিবহণ খৰচ বৃদ্ধিৰ ফলত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দাম বৃদ্ধি পাব আৰু সেই বোজা শেষত সহিব লগা হ'ব সাধাৰণ ৰাইজে। অৰ্থাৎ, একেটা শৃংখলতে ৰাইজ দুফালৰ পৰা অৰ্থনৈতিকভাৱে আক্ৰান্ত হ'ব। নিম্ন আৰু মধ্যবিত্ত পৰিয়ালৰ বাবে ই এক চৰম সংকটৰ সৃষ্টি কৰিব।

টোল টেক্স বৃদ্ধিৰ নামত ঘাইপথৰ উন্নয়নৰ অজুহাত দিয়া হ'ব পাৰে, কিন্তু সেই উন্নয়নৰ সুফল সাধাৰণ যাত্ৰীয়ে উপলব্ধি কৰিবলৈ পোৱাৰ আগেয়ে এই টোলৰ ভাৰ কেনেদৰে সহ্য কৰিব? পূৰ্বে যিবোৰ টোলগেটত কম মাচুল দি পাৰ হ'ব পৰা গৈছিল, সেইবোৰ এতিয়া ৰাইজৰ বাবে আৰ্থিক চাপৰ এক কাৰণ হৈ পৰিছে। ৰন্ধন গেছৰ পৰা আৰম্ভ কৰি দৈনন্দিন দ্ৰব্য সামগ্ৰীৰ দাম বৃদ্ধিৰ মাজতে যাতায়াত খৰচৰ এই নতুন সংযোজনে অসমৰ সাধাৰণ মানুহৰ জীৱন-যাপন আৰু কঠিন কৰি তুলিছে।

নিবাচনৰ উত্তাপৰ মাজতো চৰকাৰ আৰু সংলগ্ন প্ৰাধিকৰণসমূহে সাধাৰণ জনতাৰ অনুভূতিক গুৰুত্ব নিদিয়া এই সিদ্ধান্ত সঁচাৰ্থতে লজ্জাজনক। ৰাইজে এই টোল টেক্স বৃদ্ধিৰ বৈধতাৰ প্ৰশ্ন কৰি আছে। নিৰ্বাচনৰ এই প্ৰাক্‌ক্ষণত ৰাজনৈতিক দলসমূহেও এই বিষয়টোক জনমুখী কৰি তোলাৰ প্ৰয়োজনীয়তা আছে। নহ'লে জনসাধাৰণৰ ওপৰত এই অতিৰিক্ত আৰ্থিক বোজাই চৰকাৰী নীতিৰ প্ৰতি থকা বিশ্বাসৰ ভেঁটি টলাবলৈ বাধ্য কৰিব।

শেষত, আমাৰ প্ৰশ্নটো হ'ল— টোল টেক্স বৃদ্ধিৰ নামত প্ৰকৃততে কাৰ স্বাৰ্থ সৰ্বাধিক? এই সিদ্ধান্তই ৰাজ্যৰ আন্তঃগাঁথনিৰ উন্নয়ন কৰিবনে নে কেৱল ৰাইজৰ জীৱন-যাত্ৰা কঠিন কৰি তোলাৰ লগতে চৰকাৰী কোষাগাৰ পূৰণ কৰাৰ এক উপায় হৈ থাকিব? ৰাইজৰ মনৰ এই প্ৰশ্নবোৰক নিৰ্বাচনী প্ৰচাৰৰ ভাষণ-গানেৰে নিমাত কৰি ৰাখিব নোৱাৰে। প্ৰশাসন আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহ এই বিষয়ত ৰাইজক সন্তোষজনক উত্তৰ দিয়াটো আজিৰ প্ৰয়োজন।



বিজেপিৰ ওপৰত গৌৰৱ গগৈৰ প্ৰভাৱৰ অন্যতম দিশটো হৈছে উজনি অসমৰ ৰাজনৈতিক সমীকৰণ। উজনি অসমক সাধাৰণতে অসমৰ ৰাজনীতিৰ ভাগ্য নিৰ্ণায়ক বুলি কোৱা হয়। আহোম আৰু চাহ জনগোষ্ঠীৰ আৱেগ আৰু সমৰ্থন যিটো দলৰ ফালে ঢাল খায়, সেই দলেই সাধাৰণতে দিছপুৰ দখল কৰে। বিগত কেইবাখনো নিৰ্বাচনত বিজেপিয়ে উজনি অসমত নিজৰ একচেটিয়া আধিপত্য বিস্তাৰ কৰিছিল। কিন্তু গৌৰৱ গগৈৰ যোৰহাটৰ বিজয়ে এই আধিপত্যত ফাট মেলাইছে। প্ৰয়াত তৰুণ গগৈৰ প্ৰতি থকা ৰাইজৰ শ্ৰদ্ধা আৰু গৌৰৱ গগৈৰ পৰিপক্ক আৰু ভদ্ৰ আচৰণে উজনি অসমৰ ৰাইজক বাৰুকৈয়ে আকৰ্ষিত কৰিছে। ইয়াৰ ফলস্বৰূপে, বিজেপিয়ে এতিয়া উজনি অসমত নিজৰ ভেটি সুৰক্ষিত কৰিবলৈ নতুনকৈ চিন্তা কৰিবলগীয়া হৈছে।

# গৌৰৱৰ যাত্ৰা ঃ যোৰহাটৰ পৰা দিছপুৰলৈ

সাম্প্ৰতিক সময়ত অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত এক অতি গুৰুত্বপূৰ্ণ আৰু আকৰ্ষণীয় পৰিৱৰ্তন পৰিলক্ষিত হৈছে। বিগত প্ৰায় এক দশক ধৰি অসমৰ ৰাজনীতিত ড° হিমন্ত বিশ্ব শৰ্মা আৰু ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) যি একচ্ছত্ৰী আধিপত্য বিৰাজ কৰিছিল, তাত যেন লাহে লাহে এক নতুন প্ৰত্যাহ্বানৰ সূত্ৰপাত ঘটিছে। এই প্ৰত্যাহ্বানৰ কেন্দ্ৰবিন্দুত অৱস্থান কৰিছে প্ৰয়াত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ তথা বৰ্তমানৰ লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে। শেহতীয়া ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ ফলাফল আৰু তাৰ পৰৱৰ্তী সময়ত ৰাজ্যখনৰ ৰাজনৈতিক সমীকৰণলৈ লক্ষ্য কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে, অনাগত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অসমৰ ৰাজনীতি মূলতঃ ড° হিমন্ত বিশ্ব শৰ্মা বনাম গৌৰৱ গগৈৰ এক পোনপটীয়া যুঁজৰ দিশে অগ্ৰসৰ হৈছে। এতিয়া প্ৰশ্ন উত্থাপন হৈছে, এজন শক্তিশালী আৰু সুচতুৰ ৰাজনীতিক ড° শৰ্মা আৰু বিজেপিৰ সুসংগঠিত যন্ত্ৰটোৰ ওপৰত গৌৰৱ গগৈয়ে প্ৰকৃততে কিদৰে আৰু কিমান প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব?

এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ হ'লে আমি শেহতীয়া যোৰহাট লোকসভা সমষ্টিৰ নিৰ্বাচনী যুঁজখনৰ এক গভীৰ বিশ্লেষণ কৰিব লাগিব। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত যোৰহাট সমষ্টিৰ যুঁজখন কেৱল এখন সাধাৰণ নিৰ্বাচনী যুঁজ নাছিল, ই আছিল দুয়োপক্ষৰ বাবে এক সন্মানৰ যুঁজ। সমষ্টি পুনৰ নিৰ্ধাৰণৰ ফলত নিজৰ পুৰণি কলিয়াবৰ সমষ্টিৰ অস্তিত্ব হেৰুৱাই গৌৰৱ গগৈয়ে যেতিয়া যোৰহাটৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছিল, তেতিয়া শাসকীয় বিজেপিয়ে ইয়াক এক সুৰ্বণ সুযোগ হিচাপে গ্ৰহণ কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজে যোৰহাটত বাহৰ পাতি প্ৰায় সমগ্ৰ কেবিনেটক নিৰ্বাচনী প্ৰচাৰত নমাই দিছিল। মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতিটো নিৰ্বাচনী সভাত গৌৰৱ গগৈক লক্ষ্য কৰি কৰা তীব্ৰ আক্ৰমণে যুঁজখনক 'হিমন্ত বিশ্ব শৰ্মা বনাম গৌৰৱ গগৈ' ৰূপ দিছিল। কিন্তু নিৰ্বাচনৰ ফলাফলে সমগ্ৰ ৰাজ্যৰ ৰাজনৈতিক মহলক জোকাৰি গ'ল। বৃহৎ ব্যৱধানত গৌৰৱ গগৈৰ বিজয় কেৱল তেওঁৰ ব্যক্তিগত বিজয় নাছিল, ই আছিল বিজেপিৰ অপৰাজেয় ধাৰণাটোৰ ওপৰত এক প্ৰচণ্ড আঘাত। এই বিজয়ে গৌৰৱ গগৈক কেৱল তৰুণ গগৈৰ পুত্ৰৰ পৰিচয়ৰ পৰা উলিয়াই আনি এজন শক্তিশালী গণনেতা হিচাপে প্ৰতিষ্ঠা কৰিলে। গৌৰৱ গগৈৰ এই উত্থানে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক ৰণকৌশলত এক মানসিক আৰু ব্যৱহাৰিক হেঁচা প্ৰয়োগ কৰিছে। মন কৰিবলগীয়া যে, ড° শৰ্মা আৰু গৌৰৱ গগৈৰ মাজৰ ৰাজনৈতিক সংঘাতৰ এক ঐতিহাসিক পটভূমি আছে। এসময়ত তৰুণ গগৈৰ আটাইতকৈ বিশ্বাসযোগ্য আৰু সৌঁহাতস্বৰূপ ড° শৰ্মাই কংগ্ৰেছ ত্যাগ কৰাৰ অন্যতম প্ৰধান কাৰণ আছিল দলত গৌৰৱ গগৈৰ আকস্মিক প্ৰৱেশ আৰু দ্ৰুত উত্থান। ড° শৰ্মাই অনুভৱ কৰিছিল যে তেওঁৰ বছৰ বছৰ ধৰি কৰা কষ্টৰ ফল আন এজনে বংশবাদৰ জৰিয়তে কাঢ়ি নিছে। পৰৱৰ্তী সময়ত বিজেপিত যোগদান কৰি ড° শৰ্মাই নিজৰ অসাধাৰণ ৰাজনৈতিক বিচক্ষণতাৰে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বিজেপিৰ খোপনি সুদৃঢ় কৰিলে। কিন্তু ৰাজনীতিৰ এক বিড়ম্বনা হিচাপে, আজি পুনৰ সেই গৌৰৱ গগৈয়েই তেওঁৰ সন্মুখত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। যোৰহাটৰ জয়ে প্ৰমাণ কৰিলে যে আৱেগ আৰু জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সঁহাৰিৰ সন্মুখত কেতিয়াবা বিশাল ৰাজনৈতিক সংগঠন আৰু অৰ্থবলো ম্লান পৰি যায়।

বিজেপিৰ ওপৰত গৌৰৱ গগৈৰ প্ৰভাৱৰ অন্যতম দিশটো হৈছে উজনি অসমৰ ৰাজনৈতিক সমীকৰণ। উজনি অসমক সাধাৰণতে অসমৰ ৰাজনীতিৰ ভাগ্য নিৰ্ণায়ক বুলি কোৱা হয়। আহোম আৰু চাহ জনগোষ্ঠীৰ আৱেগ আৰু সমৰ্থন যিটো দলৰ ফালে ঢাল খায়, সেই দলেই সাধাৰণতে দিছপুৰ দখল কৰে। বিগত কেইবাখনো নিৰ্বাচনত বিজেপিয়ে উজনি অসমত নিজৰ একচেটিয়া আধিপত্য বিস্তাৰ কৰিছিল। কিন্তু গৌৰৱ গগৈৰ যোৰহাটৰ বিজয়ে এই আধিপত্যত ফাট মেলাইছে। প্ৰয়াত তৰুণ গগৈৰ প্ৰতি থকা ৰাইজৰ শ্ৰদ্ধা আৰু গৌৰৱ গগৈৰ পৰিপক্ক আৰু ভদ্ৰ আচৰণে উজনি অসমৰ ৰাইজক বাৰুকৈয়ে আকৰ্ষিত কৰিছে। ইয়াৰ ফলস্বৰূপে, বিজেপিয়ে এতিয়া উজনি অসমত নিজৰ ভেটি সুৰক্ষিত কৰিবলৈ নতুনকৈ চিন্তা কৰিবলগীয়া হৈছে। শেহতীয়াকৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন জনকল্যাণমূলক আঁচনি আৰু খিলঞ্জীয়াৰ অধিকাৰ ৰক্ষাৰ নামত লোৱা পদক্ষেপসমূহৰ আঁৰত গৌৰৱ গগৈৰ ক্ৰমৱৰ্ধমান জনপ্ৰিয়তাক প্ৰতিহত কৰাৰ এক প্ৰচ্ছন্ন প্ৰয়াস নিহিত থকা বুলি ৰাজনৈতিক বিশ্লেষকসকলে ধাৰণা কৰে। ইয়াৰ উপৰিও, ৰাষ্ট্ৰীয় পৰ্যায়ত গৌৰৱ গগৈৰ বৰ্ধিত গুৰুত্বই বিজেপিৰ বাবে আন এক মূৰৰ কামোৰণিৰ সৃষ্টি কৰিছে। লোকসভাত বিৰোধী দলৰ উপ-দলপতি হিচাপে তেওঁৰ নিৰ্বাচন এক অতি তাৎপৰ্যপূৰ্ণ ঘটনা। সংসদৰ মজিয়াত সলসলীয়া ইংৰাজী আৰু হিন্দীত যুক্তিৰে নিজৰ মত সাব্যস্ত কৰিব পৰা গৌৰৱ গগৈয়ে সমগ্ৰ দেশৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ এই ৰাষ্ট্ৰীয় ভাৱমূৰ্তিয়ে অসমৰ শিক্ষিত আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজত কংগ্ৰেছৰ প্ৰতি থকা অনীহা দূৰ কৰাত সহায় কৰিছে। যিটো সময়ত বিজেপিয়ে বিৰোধীক দুৰ্বল আৰু নেতৃত্বহীন বুলি সমালোচনা কৰি আহিছে, তেনে সময়ত গৌৰৱ গগৈৰ দৰে এজন পঢ়াশুনা থকা, মাৰ্জিত আৰু যুক্তিবাদী যুৱনেতাৰ অৱস্থানে বিজেপিৰ সেই আখ্যানক নস্যাৎ কৰিছে। ড° হিমন্ত বিশ্ব শৰ্মাই যিদৰে ৰাষ্ট্ৰীয় পৰ্যায়ত বিজেপিৰ এগৰাকী তাৰকা প্ৰচাৰক আৰু হিন্দুত্বৰ ধ্বজাবাহক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে, ঠিক একেদৰে গৌৰৱ গগৈয়ো ৰাষ্ট্ৰীয় পৰ্যায়ত কংগ্ৰেছৰ এক প্ৰমুখ মুখপাত্ৰ হিচাপে থিয় দিছে। এই প্ৰতিযোগিতাই অসমৰ ৰাজনীতিক এক নতুন মাত্ৰা প্ৰদান কৰিছে।



চন্দন কুমাৰ নাথ

তদুপৰি, গৌৰৱ গগৈৰ উত্থানে অসমত বিৰোধী ঐক্যক এক নতুন আশাৰ ৰেঙনি দেখুৱাইছে। অসমৰ বিৰোধী শিবিৰ বিগত কেইবাবছৰ ধৰি বহুধা বিভক্ত আৰু দিশহাৰা হৈ আছিল। এখন শক্তিশালী মুখমণ্ডলৰ অভাৱে বিৰোধীক জনসাধাৰণৰ বিশ্বাস অৰ্জন কৰাত বাধা দিছিল। গৌৰৱ গগৈৰ ৰূপত এতিয়া বিৰোধীয়ে এখন গ্ৰহণযোগ্য আৰু শক্তিশালী মুখ পাইছে, যাৰ চাৰিওকাষে এণ্টি-ইনকামবেন্সি (Anti-incumbency) বা প্ৰতিষ্ঠাপক বিৰোধী ভোটসমূহ একত্ৰিত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা খুব ভালদৰেই অনুধাৱন কৰিব পাৰে। সেয়েহে শেহতীয়া সময়ত মুখ্যমন্ত্ৰীগৰাকীৰ ভাষণসমূহত এক ধৰণৰ আক্ৰমণাত্মক সুৰ পৰিলক্ষিত হৈছে। বিশেষকৈ জনগাঁথনিগত পৰিৱৰ্তন, 'মিঞা' বনাম খিলঞ্জীয়াৰ ৰাজনীতি আৰু সাম্প্ৰদায়িক মেৰুকৰণৰ বিষয়ক লৈ মুখ্যমন্ত্ৰীয়ে যিধৰণৰ মন্তব্য প্ৰদান কৰিছে, সেয়া বহু পৰিমাণে বিৰোধীৰ হিন্দু বা খিলঞ্জীয়া ভোট বেংক একত্ৰিত হোৱাত বাধা দিয়াৰ এক ৰণকৌশল বুলি ধাৰণা কৰিব পাৰি। গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছে যাতে মূলসুঁতিৰ অসমীয়া ভোটাৰৰ মন জয় কৰিব নোৱাৰে, তাৰ বাবে বিজেপিয়ে নিৰন্তৰ প্ৰয়াস চলাই আছে।

অৱশ্যে, গৌৰৱ গগৈয়ে বিজেপিৰ অপৰাজেয় দুৰ্গত কিমান ডাঙৰ ফাট মেলাব পাৰিব, সেয়া কেৱল তেওঁৰ ব্যক্তিগত জনপ্ৰিয়তাৰ ওপৰত নিৰ্ভৰ নকৰে। ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত আছে বিজেপিৰ এক সুবিশাল আৰু শৃংখলাবদ্ধ দলীয় সংগঠন, আৰ এছ এছৰ মাটিৰ লগত সংযুক্ত কাৰ্যকৰ্তা, ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ অৰুণোদয়ৰ দৰে অসংখ্য হিতাধিকাৰী আঁচনিৰ বিশাল ভোটবেংক আৰু এক দুৰ্দান্ত নিৰ্বাচনী ব্যৱস্থাপনা ব্যৱস্থা। ইয়াৰ বিপৰীতে, কংগ্ৰেছ দলৰ সাংগঠনিক অৱস্থা আজিও অসমত যথেষ্ট দুৰ্বল। তৃণমূল পৰ্যায়ত কৰ্মীৰ অভাৱ, দলীয় কন্দল আৰু আৰ্থিক দুৰ্বলতাই কংগ্ৰেছক বাৰে বাৰে পিছুৱাই নিছে। গৌৰৱ গগৈয়ে ব্যক্তিগতভাৱে ৰাইজৰ আৱেগ জয় কৰিব পাৰিলেও, সেই আৱেগক ভোটলৈ ৰূপান্তৰিত কৰিবলৈ প্ৰয়োজন হোৱা সাংগঠনিক মেচিনটো কংগ্ৰেছৰ হাতত বৰ্তমান কিমান শক্তিশালী, সেয়া এক ডাঙৰ প্ৰশ্নবোধক চিহ্ন। তদুপৰি, ড° শৰ্মাৰ ৰাজনৈতিক চতুৰালি আৰু মুহূৰ্তৰ ভিতৰতে ৰাজনৈতিক পৰিস্থিতি নিজৰ অনুকূললৈ অনাৰ ক্ষমতা সৰ্বজনবিদিত। তেওঁ অতি সহজেই বিৰোধীৰ যিকোনো দুৰ্বলতাক ব্যৱহাৰ কৰি নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ কৌশল আয়ত্ত কৰি থৈছে।

কিন্তু এই সকলোবোৰৰ মাজতো এটা কথা অনস্বীকাৰ্য যে গৌৰৱ গগৈয়ে ইতিমধ্যে হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ সন্মুখত এক মানসিক প্ৰাচীৰ থিয় কৰাবলৈ সক্ষম হৈছে। যিটো দল আৰু নেতৃত্বই কিছুদিন আগলৈকে অসমত কংগ্ৰেছৰ অস্তিত্বকে অস্বীকাৰ কৰিছিল, সেই একেখন চৰকাৰ আৰু নেতৃত্বই এতিয়া গৌৰৱ গগৈৰ প্ৰতিটো পদক্ষেপক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ বাধ্য হৈছে। গৌৰৱ গগৈৰ উপস্থিতি মাত্ৰেই এতিয়া কংগ্ৰেছৰ শিবিৰত এক নতুন উৎসাহৰ সৃষ্টি কৰে। অনাগত দিনত যদি গৌৰৱ গগৈয়ে ৰাজ্যৰ ভিন ভিন জ্বলন্ত সমস্যাসমূহ যেনে নিবনুৱা সমস্যা, মূল্যবৃদ্ধি, বানপানী আৰু খিলঞ্জীয়াৰ অস্তিত্বৰ সংকটক লৈ এখন সুপৰিকল্পিত ৰূপৰেখা ৰাইজৰ সন্মুখত দাঙি ধৰিব পাৰে, তেন্তে ২০২৬ চনৰ বিধানসভা নিৰ্বাচন বিজেপিয়ে ভবাৰ দৰে ইমান সহজ নহ'ব পাৰে।

সামৰণিত ক'ব পাৰি যে, গণতন্ত্ৰত এক শক্তিশালী বিৰোধীৰ উপস্থিতি সদায়েই কাম্য। গৌৰৱ গগৈৰ ৰাজনৈতিক উত্থানে অসমৰ ৰাজনীতিত যি এক ভাৰসাম্য ঘূৰাই অনাৰ ইংগিত দিছে, ই ৰাজ্যখনৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বাবে এক ইতিবাচক দিশ। ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰে এজন প্ৰভাৱশালী নেতাক প্ৰত্যাহ্বান জনাবলৈ গৌৰৱ গগৈৰ দৰে এজন যুৱ, উদ্যমী আৰু শিক্ষিত নেতাৰ প্ৰৱেশে অসমৰ ৰাজনীতিক এক নতুন আৰু আকৰ্ষণীয় মোৰলৈ লৈ গৈছে। ২০২৬ চনৰ যুঁজখন কেৱল দুটা ৰাজনৈতিক দলৰ মাজৰ যুঁজ হৈ নাথাকি, ই পৰিণত হ'ব ড° শৰ্মাৰ 'প্ৰখৰ বাস্তৱবাদ আৰু উন্নয়নৰ ৰাজনীতি' বনাম গৌৰৱ গগৈৰ 'আৱেগ, ঐতিহ্য আৰু পৰিৱৰ্তনৰ প্ৰতিশ্ৰুতি'ৰ মাজৰ এক তীব্ৰ মতাদৰ্শগত সংগ্ৰামলৈ। যিয়েই নহওক, এই যুঁজে অসমৰ জনসাধাৰণক ৰাজনৈতিক বিকল্প বাছনি কৰাৰ এক বহল সুযোগ প্ৰদান কৰিব, যিটো যিকোনো সুস্থ গণতন্ত্ৰৰ প্ৰধান লক্ষণ।

# ন্যায়ৰ প্ৰতিশ্ৰুতি-নিৰ্বাচনী কৌশল নে নৈতিক দায়িত্ব

পপী চহৰীয়া

অসমৰ জনজীৱনত সংগীতৰ এক গভীৰ প্ৰভাৱ আছে। এই সংগীতজগতত যিসকলৰ কণ্ঠই মানুহৰ হৃদয়ত স্থান লাভ কৰিছে, তাৰে ভিতৰত অন্যতম হৈছে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ। তেওঁৰ কণ্ঠত সমাজৰ দুখ-দুৰ্দশা, প্ৰতিবাদ, প্ৰেম আৰু আশাৰ সুৰ একেলগে ধ্বনিত হয়। সেয়ে, তেওঁৰ সৈতে জড়িত যিকোনো বিষয় কেৱল ব্যক্তিগত নহয়; ই এক সামাজিক আলোচনাৰ বিষয় হৈ পৰে। শেহতীয়া সময়ত "জুবিন দাৰ ন্যায়" প্ৰশ্নটো ৰাজনৈতিক ক্ষেত্ৰত উত্থাপিত হোৱা দেখা গৈছে, বিশেষকৈ নিৰ্বাচনৰ আগ মুহূৰ্তত। ইয়াৰ লগতেই উঠিছে এক গুৰুত্বপূৰ্ণ প্ৰশ্ন— এই ন্যায়ৰ প্ৰতিশ্ৰুতি কি সঁচাকৈ নৈতিক দায়িত্ব, নে কেৱল এক নিৰ্বাচনী কৌশল?

গণতান্ত্ৰিক ব্যৱস্থাত নিৰ্বাচন কেৱল ভোট দিয়াৰ প্ৰক্ৰিয়া নহয়; ই হৈছে বিশ্বাসৰ এক বিনিময়। জনসাধাৰণে নিজৰ বিশ্বাস ৰাজনৈতিক নেতৃত্বৰ ওপৰত ন্যস্ত কৰে, আৰু নেতৃত্বে প্ৰতিশ্ৰুতি দিয়ে—উন্নয়ন, সুৰক্ষা, আৰু ন্যায়ৰ। এই প্ৰতিশ্ৰুতিবোৰেই নিৰ্বাচনৰ মূল চালিকাশক্তি। কিন্তু যেতিয়া কোনো বিশেষ ব্যক্তি বা ঘটনাক কেন্দ্ৰ কৰি "ন্যায়"ৰ প্ৰতিশ্ৰুতি দিয়া হয়, তেতিয়া বিষয়টো অধিক সংবেদনশীল হৈ উঠে। জুবিন দাৰ দৰে এজন প্ৰাণৰ শিল্পীৰ সৈতে জড়িত ন্যায়ৰ প্ৰশ্নটো এই ক্ষেত্ৰত এক বিশেষ তাৎপৰ্য বহন কৰে। তেওঁৰ জনপ্ৰিয়তা আৰু সামাজিক প্ৰভাৱৰ বাবে, এই বিষয়টো সহজেই জনসাধাৰণৰ মাজত আলোড়ন সৃষ্টি কৰে। ৰাজনৈতিক ক্ষেত্ৰত এইটো এক শক্তিশালী ইছ্যু হৈ পৰে। এই পৰিস্থিতিত, ন্যায়ৰ দাবী কেতিয়াবা এক আবেগিক আহ্বানলৈ ৰূপান্তৰিত হয়—যি জনমত গঢ়ি তুলিবলৈ সহায় কৰে।

কিন্তু ইয়াতেই আছে মূল সমস্যা। ন্যায়ৰ দৰে এক গুৰুত্বপূৰ্ণ বিষয় যদি কেৱল জনমত গঢ়াৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ হয়, তেন্তে সেয়া ন্যায়ৰ সঁচা অৰ্থক বিকৃত কৰে। ন্যায় মানে কেৱল কোনো ব্যক্তিৰ বাবে বিচাৰ নহয়; ই হৈছে এক সৰ্বজনীন নীতি, য'ত সকলো নাগৰিক সমান। যদি কোনো ব্যক্তিৰ ক্ষেত্ৰত ন্যায়ৰ দাবী ৰাজনৈতিক সুবিধাৰ বাবে উত্থাপন কৰা হয়, তেন্তে সেয়া ন্যায়ৰ সুষম প্ৰয়োগ নহয়।

অৱশ্যে, এইটোও মানি ল'ব লাগিব যে ৰাজনৈতিক নেতৃত্বৰ ওপৰত নৈতিক দায়িত্ব আছে। যদি কোনো নেতাই ৰাইজৰ সন্মুখত ঘোষণা কৰে যে তেওঁ ন্যায় নিশ্চিত কৰিব, তেন্তে সেইটো কেৱল ৰাজনৈতিক বক্তব্য নহয়; ই এক নৈতিক অঙ্গীকাৰ। এই অঙ্গীকাৰ পূৰণ নকৰিলে, কেৱল সেই নেতাৰ নহয়, সমগ্ৰ ৰাজনৈতিক ব্যৱস্থাৰ ওপৰত আস্থা হ্ৰাস পায়। এই ক্ষেত্ৰত, "জুবিন দাৰ ন্যায়" প্ৰশ্নটো এক বৃহৎ সামাজিক প্ৰতীক হৈ উঠিছে। ই দেখুৱায় যে, জনসাধাৰণে এতিয়া কেৱল উন্নয়নৰ প্ৰতিশ্ৰুতিৰে সন্তুষ্ট নহয়; তেওঁলোকে ন্যায় বিচাৰে, স্বচ্ছতা বিচাৰে, আৰু দায়িত্বশীল নেতৃত্ব বিচাৰে। এইটো গণতন্ত্ৰৰ এক ইতিবাচক লক্ষণ।

কিন্তু এই দাবী বাস্তৱায়ন কৰিবলৈ কিছুমান গুৰুত্বপূৰ্ণ চৰ্ত আছে। প্ৰথমতে, ন্যায়ব্যৱস্থাৰ স্বাধীনতা অতি গুৰুত্বপূৰ্ণ। আইন আৰু বিচাৰ প্ৰক্ৰিয়া যেন ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত থাকে। যদি ন্যায়ৰ প্ৰক্ৰিয়া ৰাজনৈতিক উদ্দেশ্যৰ অধীনত পৰে, তেন্তে সেয়া সঁচা ন্যায় নহয়।

দ্বিতীয়তে, ৰাজনৈতিক প্ৰতিশ্ৰুতিসমূহ বাস্তৱসন্মত আৰু দায়িত্বশীল হ'ব লাগিব। কেৱল জনমত লাভৰ বাবে কোনো সংবেদনশীল বিষয়ত প্ৰতিশ্ৰুতি দিয়া উচিত নহয়। যদি সেই প্ৰতিশ্ৰুতি পূৰণ কৰা সম্ভৱ নহয়, তেন্তে সেয়া জনসাধাৰণৰ সৈতে এক প্ৰকাৰৰ প্ৰৱঞ্চনা।

তৃতীয়তে, সমাজৰো এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। নাগৰিকসকলে বুজিব লাগিব যে, ন্যায় কোনো তাৎক্ষণিক প্ৰক্ৰিয়া নহয়। ই সময়সাপেক্ষ, আৰু সেয়া প্ৰমাণ, তদন্ত আৰু বিচাৰৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে, আবেগত ভাহি যোৱাৰ সলনি, যুক্তি আৰু তথ্যৰ ওপৰত ভিত্তি কৰি মতামত গঠন কৰা উচিত।

ইয়াৰ লগতে, সংবাদ মাধ্যমৰ ভূমিকাও অতি গুৰুত্বপূৰ্ণ। তেওঁলোকে এই বিষয়ত দায়িত্বশীলভাৱে তথ্য প্ৰচাৰ কৰিব লাগিব। যদি সংবাদ মাধ্যম কেৱল চাঞ্চল্য সৃষ্টি কৰে, তেন্তে ন্যায়ৰ প্ৰক্ৰিয়া প্ৰভাৱিত হ'ব পাৰে।

এই প্ৰসংগত, এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উঠিছে—ন্যায় কি নিৰ্বাচনৰ সৈতে জড়িত হোৱা উচিত? ন্যায়ৰ প্ৰক্ৰিয়া নিজস্ব গতিৰে চলা উচিত, আৰু ই কোনো ৰাজনৈতিক সময়সূচীৰ ওপৰত নিৰ্ভৰ কৰা উচিত নহয়। যদি ন্যায়ক নিৰ্বাচনৰ সৈতে সংযোগ কৰা হয়, তেন্তে সেয়া ন্যায়ৰ স্বতন্ত্ৰতা ক্ষুণ্ণ কৰে।

শেষত ক'ব পাৰি— "জুবিন দাৰ ন্যায়ৰ প্ৰতিশ্ৰুতি" এইটো আমাৰ সমাজৰ এক পৰীক্ষা। এই পৰীক্ষাত ৰাজনীতিৰ সততা, ন্যায়ব্যৱস্থাৰ শক্তি, আৰু নাগৰিকৰ সচেতনতা—এই তিনিটা দিশ একেলগে পৰীক্ষা কৰা হৈছে। যদি এই প্ৰতিশ্ৰুতি কেৱল নিৰ্বাচনী কৌশল হৈ থাকে, তেন্তে ই গণতন্ত্ৰৰ বাবে এক বিপদ। কিন্তু যদি ই সঁচাকৈ এক নৈতিক দায়িত্ব হিচাপে গ্ৰহণ কৰা হয়, তেন্তে ই সমাজত এক ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। সেয়ে, আজিৰ প্ৰশ্নটো কেৱল "জুবিন দাৰ ন্যায় কেতিয়া?" নহয়; প্ৰশ্নটো হৈছে— আমাৰ সমাজত ন্যায়ৰ মূল্য কিমান? আমি কি ন্যায়ক কেৱল এক শ্লোগান হিচাপে চাম, নে এক বাস্তৱতা হিচাপে গঢ়ি তুলিম? উত্তৰটো আমাৰ হাততেই আছে। যদি আমি সচেতন, দায়িত্বশীল আৰু নৈতিকভাৱে দৃঢ় থাকো, তেন্তে ন্যায় কেৱল প্ৰতিশ্ৰুতি হৈ নাথাকিব; ই বাস্তৱত পৰিণত হ'ব।

# AI আৰু বৰ্তমান সমাজত ইয়াৰ প্ৰভাৱ

হিমাশ্ৰী বৰুৱা

বৰ্তমান যুগত বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতিয়ে মানুহৰ জীৱনধাৰাত আমূল পৰিৱৰ্তন আনিছে। এই পৰিৱৰ্তনৰ কেন্দ্ৰবিন্দুত আছে AI বা কৃত্ৰিম বুদ্ধিমত্তা। AIৰ পূৰ্ণ ৰূপ হৈছে Artificial Intelligence, অৰ্থাৎ কৃত্ৰিম বুদ্ধিমত্তা। "Artificial" মানে হৈছে মানুহে সৃষ্টি কৰা আৰু "Intelligence" মানে হৈছে চিন্তা কৰাৰ ক্ষমতা। সেয়ে AI বুলিলে বুজায় এনে এক প্ৰযুক্তি, যিয়ে যন্ত্ৰ বা কম্পিউটাৰক মানুহৰ দৰে চিন্তা, শিকা আৰু সিদ্ধান্ত ল'বলৈ সক্ষম কৰে।

AIৰ ইতিহাস নতুন নহয়, কিন্তু বিগত কেইবছৰত ইয়াৰ ব্যৱহাৰ বহুগুণে বৃদ্ধি পাইছে। ইণ্টাৰনেট, ডাটা আৰু কম্পিউটাৰ শক্তিৰ উন্নতিৰ ফলত AI আজি আমাৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে। ম'বাইল ফোনৰ ভইচ এছিষ্টেণ্ট, অনলাইন শপিংৰ পৰামৰ্শ, ছ'চিয়েল মিডিয়াৰ কণ্টেণ্ট— এই সকলোবোৰতেই AIৰ ব্যৱহাৰ দেখা যায়।



শিক্ষাৰ ক্ষেত্ৰত AI-এ এক নতুন দিশ উন্মোচন কৰিছে। আগতে শিকা একেই ধৰণে হৈছিল, কিন্তু এতিয়া AI-এ ব্যক্তিগতকৃত শিক্ষাৰ সুবিধা প্ৰদান কৰিছে। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ ক্ষমতা আৰু আগ্ৰহ অনুসৰি পাঠ্যবস্তু প্ৰস্তুত কৰা যায়। অনলাইন ক্লাছ, স্মাৰ্ট ক্লাছৰুম আৰু ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে শিক্ষা অধিক সহজ আৰু সুবিধাজনক হৈছে। শিক্ষকসকলেও AIৰ সহায়ত মূল্যায়ন, পৰিকল্পনা আৰু শিক্ষণ পদ্ধতি উন্নত কৰিব পাৰিছে।

স্বাস্থ্য খণ্ডতো AIৰ অৱদান অমূল্য। ৰোগ চিনাক্তকৰণ, চিকিৎসা পৰামৰ্শ, মেডিকেল ৰিপ'ৰ্ট বিশ্লেষণ আদি ক্ষেত্ৰত AI-এ ডাক্তৰসকলক সহায় কৰি আছে। বহু জটিল ৰোগ আগতেই চিনাক্ত কৰিব পৰা যায়, যাৰ ফলত চিকিৎসা অধিক ফলপ্ৰসূ হয়। তদুপৰি, অপাৰেচন আৰু চিকিৎসাৰ ক্ষেত্ৰতো AI-ভিত্তিক যন্ত্ৰ ব্যৱহাৰ কৰা হৈছে।

অৰ্থনীতি আৰু উদ্যোগৰ ক্ষেত্ৰত AI-এ উৎপাদনশীলতা আৰু দক্ষতা বৃদ্ধি কৰিছে। বহু কাম যি আগতে মানুহে কৰিছিল, এতিয়া যন্ত্ৰই দ্ৰুত আৰু সঠিকভাৱে সম্পন্ন কৰিব পাৰে। ই-কমাৰ্চ, বেংকিং, গ্ৰাহক সেৱা আদি ক্ষেত্ৰত AIৰ ব্যৱহাৰে ব্যৱসায়ক অধিক উন্নত কৰিছে। একে সময়তে, ডাটা বিশ্লেষণৰ জৰিয়তে কোম্পানীসমূহে সঠিক সিদ্ধান্ত ল'ব পাৰিছে।

কিন্তু AIৰ কিছুমান নেতিবাচক প্ৰভাৱো আছে। যন্ত্ৰৰ ওপৰত অধিক নিৰ্ভৰশীলতা মানুহৰ সৃষ্টিশীলতা আৰু নিজা চিন্তাশক্তি হ্ৰাস কৰিব পাৰে। তদুপৰি, বহু ক্ষেত্ৰত যন্ত্ৰই মানুহৰ কাম ল'বলৈ আৰম্ভ কৰাত চাকৰিৰ সমস্যাই দেখা দিব পাৰে। ডাটা গোপনীয়তা আৰু চুৰি হোৱাৰ আশংকাও এক গুৰুত্বপূৰ্ণ সমস্যা। যদি AI ভুলভাৱে ব্যৱহাৰ কৰা হয়, তেন্তে ই সমাজৰ বাবে বিপদজনকো হ'ব পাৰে।

সামাজিক জীৱনত AI-এ যোগাযোগ ব্যৱস্থা সহজ কৰিছে যদিও মানুহে মুখামুখি যোগাযোগ কমকৈ কৰিবলৈ ধৰিছে। ছ'চিয়েল মিডিয়া আৰু ডিজিটেল প্লেটফৰ্মত অধিক সময় কটোৱাত মানুহৰ সামাজিক সম্পৰ্কত কিছু দূৰত্বৰো সৃষ্টি হৈছে। ইয়াৰ ফলত মানসিক সমস্যাও বাঢ়ি যাব পাৰে।

শেষত ক'ব পাৰি যে AI হৈছে আধুনিক যুগৰ এক শক্তিশালী হাতিয়াৰ। ই সমাজৰ সকলো ক্ষেত্ৰতে বিপুল পৰিৱৰ্তন আনিছে আৰু আগলৈও আনিব। কিন্তু ইয়াৰ সঠিক ব্যৱহাৰ, নিয়ন্ত্ৰণ আৰু মানৱীয় মূল্যবোধৰ সৈতে সমন্বয় কৰাটো অতি প্ৰয়োজন। তেতিয়াহে AIয়ে মানুহৰ কল্যাণত সহায় কৰিব আৰু সমাজক আগুৱাই লৈ যাব

# মাকুম পি এম শ্ৰী গোপাল কৃষ্ণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ২০২৫-২৬ শিক্ষাবৰ্ষৰ কীৰ্তি শিক্ষাৰ্থীলৈ শৈক্ষিক বঁটা প্ৰদান

**অসম বাৰ্তা, মাকুম, ১ এপ্ৰিল ঃ** প্ৰতি বছৰে এক এপ্ৰিলৰ দিনা মাকুম পি এম শ্ৰী গোপাল কৃষ্ণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰীসকলৰ যি সকলৰ বিদেহী পিতৃ-মাতৃ নতুবা স্বামী আছে সেই সকলৰ স্মৃতিৰে প্ৰতিটো শ্ৰেণী অৰ্থাৎ ক শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে শ্ৰেষ্ঠ স্থান লাভ কৰি উত্তীৰ্ণ হৈ অহা প্ৰতিগৰাকী ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকলৈ এক সমৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। বিগত বৰ্ষ সমূহৰ দৰে এই বৰ্ষতো আজি বিদ্যালয়খনত উক্ত সমৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰি শ্ৰেষ্ঠ স্থান লাভ কৰি উত্তীৰ্ণ হৈ অহা ছাত্ৰী সকলক ক্ৰমে শিক্ষানুৰাগী সংগিনী কোঁৱৰ স্মাৰক শৈক্ষিক বঁটা, মুকুট চন্দ্ৰ চক্ৰৱৰ্তী স্মাৰক শৈক্ষিক বঁটা, চিৰেন্দ্ৰনাথ চুতীয়া স্মাৰক শৈক্ষিক বঁটা, পুষ্পলতা গগৈ স্মাৰক শৈক্ষিক বঁটা, মহেন্দ্ৰ ৰাজপুত স্মাৰক শৈক্ষিক বঁটা, দেৱেন্দ্ৰ নাথ গগৈ স্মাৰক শৈক্ষিক বঁটা, চৈয়দ বছিৰোল হুছেইন স্মাৰক শৈক্ষিক বঁটা, বিচিত্ৰা বৰঠাকুৰ স্মাৰক শৈক্ষিক বঁটা, পুষ্প কুমাৰ দাস স্মাৰক শৈক্ষিক বঁটা, শিৱ প্ৰসাদ বৰপূজাৰী আৰু সুবৰ্ণী বৰপূজাৰী স্মাৰক শৈক্ষিক বঁটা, যোগেশ্বৰী বৰগোঁহাই স্মাৰক শৈক্ষিক বঁটা আৰু প্ৰাক্তন শিক্ষক শক্তিধৰ বৰগোহাঁই স্মাৰক শৈক্ষিক বঁটা প্ৰদান কৰা হয়। লগতে যিসকল ছাত্ৰীয়ে বিদ্যালয়খনত নতুনকৈ নাম ভৰ্তি কৰা হৈছে সেইসকলৰ অভিভাৱকলৈও আজিৰ অনুষ্ঠানতে আদৰণি জনোৱা হয়। এই শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে



অনাগত দিনৰ শৈক্ষিক পৰিকল্পনা সমন্ধটো আজিৰ সভাত অৱগত কৰা হয়। অভিভাৱক সকলক আহিব লগা সময় খিনিত পূৰ্ণ সহযোগিতাৰে বিদ্যালয়খনৰ অগ্ৰগতিৰ শৈক্ষিক মূল্যায়ণৰ দিশত যিখিনি তেখেত সকলক সহায়-সহযোগিতা লাগে সেইখিনিৰ কাৰণে অভিভাৱক সকলক বিনম্ৰ অনুৰোধ জনোৱা হয়। প্ৰতিগৰাকী শিক্ষক শিক্ষয়িত্ৰীৰ নামত উসৰ্গিত এই বঁটা কেইটিয়ে অনাগত সময়ত প্ৰতিগৰাকী ছাত্ৰীয়ে এই বিদ্যালয়খনৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা লব বুলি সংবাদ মাধ্যমৰ জৰিয়তে আশা প্ৰকাশ কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী দীপালি চক্ৰৱৰ্তীয়ে লগতে প্ৰতিকূল বতৰকো নেওচি অভিভাৱক সকল আহি উপস্থিত হোৱাত ধন্যবাদ জ্ঞাপন কৰে।

## জাতিক সুৰক্ষিত কৰিবলৈ শক্তিশালী চৰকাৰৰ প্ৰয়োজন; ড° হিমন্ত বিশ্ব শৰ্মাৰ হাত শক্তিশালী কৰাৰ আহ্বান

# বাঁহজানীত নিৰ্বাচনী সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ অংশগ্ৰহণ

**অসম বাৰ্তা, নলবাৰী, ১ এপ্ৰিল ঃ** নলবাৰী জিলাৰ বাঁহজানীত অনুষ্ঠিত এক বিশাল নিৰ্বাচনী সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অংশগ্ৰহণ কৰি আগন্তুক নিৰ্বাচনৰ প্ৰসংগত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। সভাত তেওঁ কয় যে দেশ আৰু জাতিক সুৰক্ষিত ৰাখিবলৈ হ'লে এখন শক্তিশালী আৰু স্থিৰ চৰকাৰৰ প্ৰয়োজন, আৰু সেই উদ্দেশ্যে জনসাধাৰণক একত্ৰিত হৈ ভোটদানৰ আহ্বান জনায়। সভাত ভাষণ প্ৰদান কৰি তেওঁ উল্লেখ কৰে যে বৰ্তমান সময়ত দেশ-বিদেশত উদ্ভৱ হোৱা বিভিন্ন পৰিস্থিতিৰ মাজত ৰাষ্ট্ৰীয় সুৰক্ষা এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে পৰিগণিত হৈছে। এনে পৰিস্থিতিত শক্তিশালী নেতৃত্বৰ অধীনত দেশ আগবাঢ়ি যাবলৈ হ'লে জনসাধাৰণৰ সহযোগ অতি প্ৰয়োজন। তেওঁ বিশেষভাৱে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ প্ৰশংসা কৰি কয় যে ৰাজ্যখনত উন্নয়নমূলক কাম-কাজ দ্ৰুতগতিত আগবাঢ়িছে। উক্ত সভাত জয়ন্ত মল্ল বৰুৱাই জনসাধাৰণক আহ্বান জনায় যে আগন্তুক দিনত উন্নয়ন আৰু সুৰক্ষাৰ ধাৰা অব্যাহত ৰাখিবলৈ বিজেপিক সমৰ্থন জনাব লাগে। তেওঁ কয় যে ৰাজ্য চৰকাৰে স্বাস্থ্য, শিক্ষা, পৰিবহণ আদি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য উন্নয়ন সাধন কৰিছে আৰু এই ধাৰা আগবঢ়াই নিবলৈ পুনৰ এবাৰ একেই চৰকাৰ গঠন কৰাটো প্ৰয়োজন। সভাত উপস্থিত থাকি তেওঁ অঞ্চলটোৰ বিভিন্ন সমস্যাৰ কথাও শুনে আৰু সেইবোৰ সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে তেওঁ কয় যে স্থানীয় জনসাধাৰণৰ সহায় আৰু সহযোগিতাৰে উন্নয়নমূলক আঁচনিসমূহ অধিক গতিশীলভাৱে ৰূপায়ণ কৰা হ'ব। উল্লেখযোগ্য যে, এই নিৰ্বাচনী সভাত বহু সংখ্যক ৰাইজৰ উপস্থিতি লক্ষ্য কৰা যায়। সভাখনত দলীয় কৰ্মী-সমৰ্থকৰ লগতে বিভিন্ন সমাজসেৱী, স্থানীয় নেতা আৰু সাধাৰণ নাগৰিকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। সমগ্ৰ অনুষ্ঠানটোত উৎসাহজনক পৰিৱেশ লক্ষ্য কৰা যায়। শেষত জয়ন্ত মল্ল বৰুৱাই সকলোকে আহ্বান জনায় যে গণতন্ত্ৰৰ এই উৎসৱত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি সঠিক সিদ্ধান্ত লওক আৰু উন্নয়নমুখী চৰকাৰ গঠনত সহায় কৰক।

# তেজপুৰত ট্ৰাক ছবি লৈ স্বাভিমানৰ যুঁজত অৱতীৰ্ণ হৈছে পল্লৱী শইকীয়া



**অসম বাৰ্তা, তেজপুৰ সদৰ, ১ এপ্ৰিল ঃ** ৰাজ্যত নিৰ্বাচনী গৰম বতাহ। ২০২৬ চনৰ বিধান সভা নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থী সকলে বিভিন্ন ৰণনীতিৰে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে ভোটাৰক আকৰ্ষণ কৰিবলৈ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। তেজপুৰ বিধান সভা সমষ্টিত শাসক বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থী পল্লৱী শইকীয়াই জোৰদাৰ অভিযান চলাই ভোটাৰক আকৰ্ষিত কৰিবলৈ চেষ্টা চলোৱা দেখা গৈছে। পল্লৱী শইকীয়াৰ নিৰ্বাচনী প্ৰতীকট্ৰাক হোৱাৰ বাবেই যোৱা কালিৰ দিনটোত তেজপুৰ বিধান সভা সমষ্টিৰ বিভিন্ন প্ৰান্তত ট্ৰাক উঠি সহস্ৰাধিক সমৰ্থকক লগত লৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা দেখা গৈছে। আজিৰ দিনটোত তেজপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত অন্যান্য অঞ্চলৰ লগতে ভোজখোৱা চেণ্টাৰৰ পৰা ভোমোৰাগুৰি ঘাটলৈকে বিশাল সমদল কৰি নিৰ্বাচনী প্ৰচাৰ চলায়। ৰাজগড় গাঁও পঞ্চায়তৰ অন্তৰ্গত ভোজখোৱা গাঁৱৰ লগতে ভোমোৰাগুৰি গাঁৱত পল্লৱী শইকীয়াই নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰাৰ লগতে নিৰ্বাচনী প্ৰচাৰ সভা অংশ গ্ৰহণ কৰি ৰাইজৰ মাজত প্ৰচাৰ চলায়। প্ৰতিকূল বতৰৰ মাজতো ভোজখোৱা ভোমোৰাগুৰি গাঁৱত সংখ্যালঘু ৰাইজে পল্লৱী শইকীয়াই বিগত সময়ত ৰাইজৰ হৈ কৰা কামৰ বাবে ৰাইজে ভগ্নী জীয়ৰী বুলি বিপুল সঁহাৰি জনাইছে বুলি কয় পল্লৱী শইকীয়াই। এছ আৰৰ সময়ত তেজপুৰৰ ৰাইজৰ বিসংগতিপূৰ্ণ ভাৱে ভোট কৰ্তন কৰাৰ সময়ত পল্লৱী শইকীয়াই ৰাইজক যি সহায় কৰিছে তাৰ বাবে ৰাইজ পল্লৱী শইকীয়াৰ সৈতে আছে বুলি ৰাইজে মত প্ৰকাশ কৰে।

# ৰাহুল বাবা, তোমালোকে অসমত পোন্ধৰ

আজি নগাঁও জিলাৰ ৫৭ নং কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত মিছা হাইস্কুল খেলপথাৰত অনুষ্ঠিত হোৱা এখন বিশাল বিজয় সংকল্প সভাত উপস্থিত থাকি তেওঁ ৰাহুল গান্ধীক উদ্দেশ্যি কয় যে, "অসমলৈ আজি ৰাহুল গান্ধী আহিছে। আহিয়ে ইটো হোৱা নাই সিটো হোৱা নাই বুলি কৈ আছে। মই তোমাক সুধিছো, ৰাহুল বাবা, তোমালোকে অসমত পোন্ধৰ বছৰ শাসনত থাকি কি কৰিলা।" আজি বিশাল নিৰ্বাচনী প্ৰচাৰৰ জনসভাখনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰি নিৰ্বাচনী ৰণডংকা বজোৱাৰ লগতে নিজৰ ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত দেশ সুৰক্ষিত বুলি উল্লেখ কৰে। তেওঁ আৰু কয়, "কংগ্ৰেছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক সন্মান নকৰিলে। কংগ্ৰেছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক ভাৰতৰত্ন প্ৰদান নকৰিলে। কিন্তু বিজেপিয়ে ড° ভূপেন হাজৰিকাক ভাৰতৰত্ন দি গৌৰৱান্বিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত উন্নয়ন হৈছে বিকাশ হৈছে। বিগত ১০ বছৰত বন্দুকৰ গুলীৰ শব্দৰ পৰিৱৰ্তে অসমত পদুম ফুলিছে। ১০ হাজাৰ যুৱকে অস্ত্ৰ সম্বৰণ কৰি মূলসুঁতিলৈ উভতি আহিছে। এটা সময়ত অসমত বোমা-বাৰুদৰ শব্দত নিশা পাৰ হৈছিল। সেই পৰিস্থিতি আজি আৰু অসমত নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সুপৰিকল্পিত চিন্তাৰ কাৰণে অসমৰ উন্নয়ন হৈছে বিকাশৰ পথত আগবাঢ়িছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হাত শক্তিশালী কৰিবলৈ ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হ'ব লাগিব তথা এনডিয়ে চৰকাৰ হ'ব লাগিব। কলিয়াবৰ সমষ্টিৰ এনডিএৰ প্ৰাৰ্থী কেশৱ মহন্তক ভোট দি জয়যুক্ত কৰিব লাগিব। কলিয়াবৰ বিধানসভা সমষ্টিৰ অগপ আৰু বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কেশৱ মহন্তক বিপুল ভোটত জয়যুক্ত কৰাব লাগিব কাৰণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত পুনৰবাৰ বিজেপিৰ নেতৃত্বাধীন এনডিএ চৰকাৰ হ'ব।" গৃহমন্ত্ৰী গৰাকীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ভূঁয়সী প্ৰশংসা কৰি কয় যে, "মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসমৰ আন্তঃগাঁথনি শক্তিশালী হোৱাই নহয়, ৰাজ্যখনে এতিয়া উন্নয়ন আৰু বিকাশৰ দিশত আগবাঢ়িছে। যোৱা সময়ছোৱাত অসমত ব্যাপক পৰিৱৰ্তন হৈছে। ৰাজ্যখনত এতিয়া উগ্ৰবাদ সম্পূৰ্ণৰূপে নোহোৱা হৈছে। ১০,৯৭০জন উগ্ৰপন্থীয়ে অস্ত্ৰ সম্বৰণ কৰি মূলসুঁতিলৈ উভতি আহিছে। আজি অসমত আতংক নাই, উগ্ৰবাদ নাই, আইন-শৃংখলা পৰিস্থিতি বহু উন্নত। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত ৰাজ্যখনত বিশ্বমানৰ আন্তঃগাঁথনি হৈছে। ৰাজ্যখনত এতিয়া স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনিৰ ব্যাপক প্ৰসাৰ হৈছে। ৰাজ্যখনত এতিয়া প্ৰচুৰ পৰিমাণৰ নিয়োগৰ সুবিধা আহি পৰিছে। তদুপৰি ছেমিকণ্ডা"ৰৰ দৰে প্ৰকল্প স্থাপনে অসমখনৰ ছবি সম্পূৰ্ণৰূপে সলনি কৰি দিছে। অসমৰ ৰাইজে বিজেপিৰ নেতৃত্বত এনডিএ চৰকাৰ গঠনৰ বাবে উৎকণ্ঠাৰে বাট চাই আছে।" উল্লেখ্য যে, বছৰ বছৰ ধৰি অসম গণ পৰিষদৰ কাৰ্যকৰী সভাপতি তথা কলিয়াবৰৰ বিধায়ক, মন্ত্ৰী কেশৱ মহন্তই কলিয়াবৰৰ আসনখন নিগাজীকৈ ধৰি ৰাখিছিল যদিও এইবাৰৰ 'অসম বিধান সভা নিৰ্বাচন—২০২৬' ত সংখ্যালঘু ভোটাৰে আৰু প্ৰতিষ্ঠান বিৰোধী ঢৌৱে কলিয়াবৰৰ ৰাজনৈতিক অঙ্কত আউল লগাব পাৰে বুলি সৰ্বত্ৰত চৰ্চা চলিছে। যাৰ পৰিপ্ৰেক্ষিতত এনডিএৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী কেশৱ মহন্ত প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনাই সৰ্বাধিক। এনে সময়তে নগাঁও জিলাৰ মিছাত বিশাল এখন বিজয় সংকল্প সভা আয়োজন কৰি বিজেপি, অগপ, বি.পি.এফ, ৰাভা হাচং আৰু সন্মিলিত গণশক্তি মিত্ৰজোঁটৰ প্ৰাৰ্থী কেশৱ মহন্তক নিৰ্বাচনী বৈতৰণী পাৰ কৰাবলৈ মুখ্য অতিথিৰূপে আজি সভাস্থলীত উপস্থিত হয়হি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। জয় শ্ৰীৰাম ধ্বনিৰে ভাষণৰ আৰম্ভণি কৰা আৰু ভাষণৰ সামৰণি মৰা কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত কয় যে, "এই বৰ্ষত গুৱাহাটীৰ ভিতৰত শ্বহীদ উদ্যান নিৰ্মাণ কৰা হৈছে। ৮৫ ফুট উচ্চতাৰ লাচিত বৰফুকনৰ বিশাল প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ লগতে তেওঁৰ জীৱন চৰিত্ৰৰ বিষয়ে ৩১টা ভাষালৈ অনুবাদ কৰি হিমালয়ৰ পৰা কেৰেলালৈকে দ্বাৰকাৰ পৰা কামাখ্যালৈকে প্ৰচাৰ কৰা হৈছে। কংগ্ৰেছে গোপীনাথ বৰদলৈক ভাৰতৰত্ন সন্মান দিব নোৱাৰিলে। গোপীনাথ বৰদলৈ আৰু ভূপেন হাজৰিকাক ভাৰতৰত্ন সন্মান কেৱল নৰেন্দ্ৰ মোদীজীয়ে দিছে। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিছে। সমগ্ৰ অসমত ২০ খনতকৈও অধিক চুক্তি হৈছে। এটা সময়ত অসম বোমা বিস্ফোৰণ আৰু গুলীয়াগুলি ৰাজ্য বুলি জানিছিল আৰু আজি আন্দোলনৰ পৰিৱৰ্তে শান্তি আলোচনাৰে কাম হোৱা পৰিবেশ নৰেন্দ্ৰ মোদীজীয়ে কৰিছে। ১০ হাজাৰৰো অধিক যুৱকে অস্ত্ৰ সম্বৰণ কৰি মূল সুঁতিলৈ উভতি আহিছে। এই কাম কেৱল এনডিএ চৰকাৰে কৰিছে। কংগ্ৰেছ আৰু ৰাহুল গান্ধীক কটাক্ষ কৰি কয় য়ে অগপ-বিজেপিৰ মিত্ৰতা চন্দ্ৰ সূৰ্যৰ দৰে নিশ্চিত। ১০ বছৰ একেলগে আছো আৰু ১৫ বছৰলৈকে হাতী-পদুম একেলগে থাকি কাম কৰি যাব। য'ত হাতী তাতেই পদুম বুলি মানিব, য'ত পদুম তাত হাতী বুলি মানি আগবাঢ়ি আগন্তুক ৫ বছৰৰ বাবে এনডিএ হ'ব আৰু পুনৰ হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হিচাপে চৰকাৰ কৰি নৰেন্দ্ৰ মোদীজীৰ হাত মজবুত কৰিবলৈ আহ্বান জনোৱাৰ লগতে কলিয়াবৰত এনডিএ প্ৰাৰ্থী কেশৱ মহন্তক বিপুল ভোটৰ ব্যৱধানত বিজয়ী কৰিবলৈ ৰাইজক আহ্বান জনায়। তেওঁ আগন্তুক বিহুত হাতী আৰু পদুমৰ সৈতে বিহু উদ্‌যাপন কৰিব লাগিব বুলিও মন্তব্য কৰে। অগপৰ নগাঁও জিলা সমিতিৰ সভাপতি তথা কেশৱ মহন্তৰ ভাতৃ মণিমাধৱ মহন্তই আঁত ধৰা নিৰ্বাচন কেন্দ্ৰিক বিজয় সংকল্প সভাখনত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাই আদৰণি ভাষণ প্ৰদান কৰি সমবেত ৰাইজক হাতীৰ ছবিত ভোট দি কেশৱ মহন্তক জয়যুক্ত কৰাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই কলিয়াবৰত এখন উন্নতমানৰ বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব বুলি পূৰ্বে ঘোষণা কৰা অনুসৰি বিশ্ববিদ্যালয়খন পাবলৈ হ'লে ৰাইজে প্ৰাৰ্থীগৰাকীক বিপুল ভোটত জয়যুক্ত কৰিব লাগিব বুলি নিজৰ ভাষণত উল্লেখ কৰে। অগপৰ ৰাজ্যিক উপ- সভাপতি অপূৰ্ব কুমাৰ ভট্টাচাৰ্য্যই সভাখনত উপস্থিত থাকি নিজৰ ভাষণ প্ৰসঙ্গত কলিয়াবৰৰ ৰাইজ ভাগ্যবান বুলি উল্লেখ কৰে। কাৰণ যোৱা কেইদিনমানৰ আগতে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কলিয়াবৰলৈ আহি কেশৱ মহন্তক আশীৰ্বাদ দিছিল। গতিকে কেশৱ মহন্তক বিপুল ভোটত জয়যুক্ত কৰাব লাগিব বুলি নিজৰ ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। আজিৰ সভাখনত কাজিৰঙাৰ লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছায়ে কেশৱ মহন্তক ভোট দিবলৈ কলিয়াবৰবাসী ৰাইজক আহ্বান জনাই নিজৰ ভাষণ প্ৰসঙ্গত কয় যে, "চাহ জনগোষ্ঠী লোকসকলক মাটিৰ পট্টা মিত্ৰজোঁট চৰকাৰখনে দিছে। চাহ শ্ৰমিকসকলক মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত কলিয়াবৰ সমষ্টিৰ বিধায়ক কেশৱ মহন্তৰ প্ৰচেষ্টাত সম্ভৱ হৈছে।" আনহাতে, অগপৰ সভাপতি অতুল বৰাই নিজৰ ভাষণ প্ৰসংগত কয় যে, "এইবাৰ পুনৰ অসমত অগপ-বিজেপি মিত্ৰজোঁট তথা এনডিএৰ চৰকাৰ হ'ব। ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীৰ সুপৰিকল্পিত চিন্তাৰ কাৰণেই ৰাজ্যখনৰ উন্নয়ন হৈছে। কলিয়াবৰৰ প্ৰতিনিধি গৰাকীৰ প্ৰচেষ্টাত কলিয়াবৰত বহুত উন্নয়ন হৈছে।" তেওঁ কলিয়াবৰত এই উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ কেশৱ মহন্তক বিপুল ভোটত জয়যুক্ত কৰিবলৈ ৰাইজক আহ্বান জনায়। আজিৰ বিজয় সংকল্প সভাত মিত্ৰজোঁটৰ প্ৰাৰ্থী কেশৱ মহন্তই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক ঐতিহাসিক কলিয়াবৰলৈ উষ্ম আদৰণি জনায় কলিয়াবৰৰ জন্ম ইতিহাস সন্দৰ্ভত ব্যাখ্যা আগবঢ়োৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বে আৰু গৃহমন্ত্ৰীৰ দূৰদৃষ্টিত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ লগতে কলিয়াবৰত উন্নয়ন কৰিছে বুলি শলাগ জ্ঞাপন কৰে। আনহাতে, কলিয়াবৰত মিত্ৰজোঁটৰ বন্ধন মজবুত আছে বুলি উল্লেখ কৰি কলিয়াবৰৰ নিৰ্দলীয় প্ৰাৰ্থী গৰাকীৰ নাম স্মৰণ নকৰাকৈয়ে প্ৰাৰ্থীগৰাকীয়ে কাৰোবাৰ উচতনিত হেঙাৰ সৃষ্টি কৰা বুলি বক্তব্য ৰাখে লগতে তেওঁ আৰু কয় যে, "আমাৰ লক্ষ্য নৰেন্দ্ৰ মোডী, অমিত শ্বাহ আৰু ড° হিমন্ত বিশ্ব শৰ্মা। তাৰ মাজত আৰু আগত বা পাছত আমি কাকো দেখা নাপাওঁ। কেন্দ্ৰত নৰেন্দ্ৰ মোডী আৰু ৰাজ্যত ডং হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি দলে অগপ, বি.পি.এফ, ৰাভা হাচং আৰু সন্মিলিত গণশক্তিৰ মিত্ৰজোঁট চৰকাৰে কলিয়াবৰত বহু বিকাশ সাধন কৰিছে।" তেওঁ নিজৰ ভাষণত কলিয়াবৰৰ একাধিক উন্নয়নৰ খতিয়ান দাঙি ধৰাৰ লগতে সকলো দিশত আগবাঢ়ি যোৱা আৰু ৰাইজে সকলো আঁচনিৰ সুফল পোৱা বুলি উল্লেখ কৰে। কলিয়াবৰৰ ইতিহাসত এজিপি জন্ম হোৱাৰ পাছত ৮টা নিৰ্বাচনত, ৪০টা বছৰত ৩৫টা বছৰ ইয়াত অসম গণ পৰিষদৰ প্ৰাৰ্থী নিৰ্বাচন হৈছে। ২৫ বছৰে আমি অকলেই নিৰ্বাচিত হৈছো। যোৱা ১০টা বছৰত আমি বিজেপি আৰু এজিপি একেলগে জোঁটবন্ধনত নিৰ্বাচিত হৈছো। কলিয়াবৰৰ ৰাজনৈতিক ইতিহাসত এটা বিৰল কথা দেখুৱাবলৈ সক্ষম হৈছো। গতিকে আমি আশা কৰিছো, এজিপি বিজেপি আমি একত্ৰিত হৈ পুনৰ প্ৰগতিৰ দিশত আগবাঢ়িম। অমিত শ্বাহ ডাঙৰীয়াৰ আৰ্শীবাদ আমাৰ ওপৰত আছে আৰু থাকিব। আজিৰ সভাখনত বিজেপিৰ জ্যেষ্ঠ নেতা সিদ্ধাৰ্থ ভট্টাচাৰ্য, প্ৰভাৰী ওম প্ৰকাশ চৌধুৰী, হৰিশ ত্ৰিবেদী, প্ৰভাৰী পৰীক্ষিত দত্ত, মণ্ডলৰ সভাপতিসকল আৰু মৰ্চাৰ সভাপতি সকলকে প্ৰমুখ্য কৰি দলীয় বহু কৰ্মকৰ্তাসকল উপস্থিত থাকে। উল্লেখ্য যে, ১, ৭৪, ১১৭ গৰাকী ভোটাৰে দলীয় প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিবলগীয়া নগাঁও জিলাৰ ৫৭ নং কলিয়াবৰ সমষ্টিৰ নিৰ্বাচনী যুঁজখন ক্ৰমশঃ আকৰ্ষণীয় হৈ পৰিছে। এজিপিৰ দখলত থকা সমষ্টিটোৰ পুনৰ নিৰ্ধাৰণৰ পিচত ইয়াৰ জনগাঁথনিৰ ব্যাপক সালসলনি ঘটিছে। সমষ্টিটোত এইবাৰ মুঠ ভোটাৰৰ সংখ্যা ১, ৭৪, ১১৭ গৰাকী। সমষ্টিটোত হিন্দু বেঙ্গলী ভোটাৰৰ সংখ্যা- ৪৯, ০৪৪ গৰাকী আৰু দ্বিতীয় স্থানত থকা চাহ বাগিচা ভোটাৰৰ সংখ্যা-৪৬, ৫৬৭ গৰাকী। আনফালে, সংখ্যালঘু ভোটাৰৰ সংখ্যা- ৪১, ১৩২ গৰাকী আৰু অসমীয়া ভোটাৰৰ সংখ্যা- ৩৬, ৭৫৩ গৰাকী। ইয়াত কলিয়াবৰৰ ভোটাৰ ৰাইজে কেনে ভূমিকা পালন কৰিব সেয়া অৱশ্যে সময়তহে পৰিলক্ষিত হ'ব।

# ১৮টা সংকল্পৰে অগপৰ সংকল্প পত্ৰ প্ৰকাশ

সংকল্প পত্ৰ মুকলি কৰিছে। গুৱাহাটীৰ আমবাৰীস্থিত দলৰ মুখ্য কাৰ্যালয়ত জ্যেষ্ঠ নেতৃত্বৰ উপস্থিতিত এই সংকল্প পত্ৰ উন্মোচন কৰা হয়। উপস্থিত থকা জ্যেষ্ঠ নেতাসকলৰ ভিতৰত আছিল কমলা কলিতা আৰু জয়নাথ শৰ্মা। সংকল্প পত্ৰত মুঠ ১৮টা মূল প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ উপৰিও আন কেইবাটাও গুৰুত্বপূৰ্ণ সংকল্পৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। দলটোৱে অসমক এক সুৰক্ষিত, সমৃদ্ধ আৰু আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই পত্ৰ প্ৰস্তুত কৰিছে। মূল ১৮টা প্ৰতিশ্ৰুতি ঃ ১. অসম চুক্তিৰ পূৰ্ণ ৰূপায়ণ: অসম চুক্তিৰ প্ৰতিটো দফা কাৰ্যকৰী কৰি খিলঞ্জীয়া জনসাধাৰণৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক নিৰাপত্তা সুনিশ্চিত কৰা হ'ব। সাংবিধানিক ৰক্ষাকৱচৰ জৰিয়তে খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ভাষিক আৰু সাংস্কৃতিক সুৰক্ষা তথা বিকাশ নিশ্চিত কৰা হ'ব। খিলঞ্জীয়াসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ বিষয়টো সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰাত বিশেষ গুৰুত্ব দিয়া হ'ব। ২. যুৱক-যুৱতীৰ বাবে নিয়োগ আৰু উদ্যোগ: ৰাজ্যৰ যুৱক-যুৱতীসকলক চৰকাৰী খণ্ডৰ লগতে বেচৰকাৰী খণ্ডতো নতুন নিয়োগৰ সুযোগ সৃষ্টি কৰা হ'ব। স্থানীয় সম্পদৰ ভিত্তিত উদ্যোগ স্থাপন, ব্যৱসায়-বাণিজ্যৰ জৰিয়তে কৰ্মসংস্থাপনত অগ্ৰাধিকাৰ দিয়া হ'ব। সুস্থ নীতিৰ জৰিয়তে এখন সমৃদ্ধ আৰু আত্মনিৰ্ভৰশীল অসম গঢ়ি তোলা হ'ব। ৩.কৃষি খণ্ডৰ বৈপ্লৱিক উন্নয়ন: কৃষিক অসমৰ চালিকাশক্তি হিচাপে গণ্য কৰি কৃষি আৰু আনুষংগিক খণ্ডত উদ্ভাৱনীমূলক নীতি আৰু দূৰদৰ্শী পদক্ষেপ গ্ৰহণ কৰা হ'ব। ৪. স্থানীয় উৎপাদিত সামগ্ৰীৰ বজাৰ সৃষ্টি: ৰাজ্যখনৰ উৎপাদিত সামগ্ৰীৰ বজাৰ সৃষ্টি কৰি স্থানীয় উৎপাদকসকলক উৎসাহিত কৰা হ'ব। ৫.শিক্ষা খণ্ডৰ উত্তৰণ: নতুন প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যতৰ স্বাৰ্থত শৈক্ষিক খণ্ডৰ সামগ্ৰিক উন্নয়নত গুৰুত্ব আৰোপ কৰা হ'ব। ৬. স্বাস্থ্য সেৱাৰ উন্নতি: স্বাস্থ্য খণ্ডত আন্তঃগাঁথনিৰ উন্নয়ন অব্যাহত ৰাখি ভিতৰুৱা অঞ্চলৰ জনসাধাৰণৰ বাবে সুলভ আৰু আধুনিক চিকিৎসা সেৱা নিশ্চিত কৰা হ'ব। ৭.বানপানী আৰু খহনীয়া সমস্যা: বানপানী আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনোৱা হ'ব আৰু এই সমস্যা সমাধানত অধিক গুৰুত্ব দিয়া হ'ব। ৮.ভাষা, সংস্কৃতি আৰু জুবিন গাৰ্গৰ স্মৃতি: অসমীয়া ভাষা আৰু সংস্কৃতিৰ লগতে সকলো থলুৱা ভাষা-সংস্কৃতিৰ উন্নয়নত গুৰুত্ব দিয়া হ'ব। জুবিন গাৰ্গৰ নামেৰে এটা সাংস্কৃতিক গৱেষণা কেন্দ্ৰ আৰু এটা অত্যাধুনিক সাংস্কৃতিক কেন্দ্ৰ গঢ়ি তোলা হ'ব। গুৱাহাটীৰ সোণাপুৰৰ জুবিন ক্ষেত্ৰক অসমৰ স্বাভিমান প্ৰতিফলিত কৰি নিৰ্মাণ কৰা হ'ব। ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ত অসমৰ মহান মনীষীসকলৰ নামত আসন প্ৰতিষ্ঠা কৰা হ'ব। ৯. জনজাতিৰ উন্নয়ন: সংবিধানৰ ষষ্ঠ অনুসূচীৰ বাহিৰত থকা জনজাতিসকলৰ সৰ্বাংগীণ উত্তৰণত গুৰুত্ব দিয়া হ'ব। ১০.খিলঞ্জীয়া সংখ্যালঘুৰ উন্নয়ন: খিলঞ্জীয়া সংখ্যালঘু লোকসকলৰ সৰ্বাংগীণ উন্নয়নত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব। ১১. চাহ জনগোষ্ঠীৰ কল্যাণ: চাহ জনগোষ্ঠীক অসমীয়া জনজীৱনৰ অবিচ্ছেদ্য অংশ হিচাপে গণ্য কৰি ভূমি পট্টা প্ৰদানসহ তেওঁলোকৰ উন্নয়নত অব্যাহত গুৰুত্ব দিয়া হ'ব। ১২. পৰিৱেশ সংৰক্ষণ: পৰিৱেশ সংৰক্ষণত বৈজ্ঞানিক ব্যৱস্থাৰে আগবঢ়া হ'ব। ১৩. জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম লোক: জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম লোকসকলৰ সৰ্বাংগীণ উত্তৰণৰ বাবে নতুন আঁচনি গ্ৰহণ কৰা হ'ব। ১৪. ক্ৰীড়া খণ্ডৰ উন্নয়ন: ক্ৰীড়া আন্তঃগাঁথনি উন্নত কৰি ক্ৰীড়া প্ৰতিভাসকলক উৎসাহিত কৰা হ'ব। ১৫. নতুন শিক্ষানীতি: নতুন শিক্ষানীতিৰ আধাৰত অসমৰ ছাত্ৰ-ছাত্ৰীক সৰ্বভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিযোগিতা কৰিব পৰাকৈ প্ৰস্তুত কৰা হ'ব। ১৬. প্ৰাকৃতিক সম্পদৰ সদ্ব্যৱহাৰ: ৰাজ্যৰ প্ৰাকৃতিক সম্পদসমূহৰ সঠিক সদ্ব্যৱহাৰ কৰি অসমক অধিক লাভৱান কৰা হ'ব। ১৭. উদ্যোগিক বিকাশ: উদ্যোগিক আন্তঃগাঁথনি সবল কৰি থলুৱা উদ্যোগীসকলক ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনত উৎসাহিত কৰা হ'ব। ১৮. জৈৱিক কৃষি: চৰকাৰী ভূমিত সংগঠিতভাৱে কৃষিকাৰ্য কৰি অসমক জৈৱিক কৃষি উৎপাদনৰ কেন্দ্ৰস্থল হিচাপে গঢ়ি তোলা হ'ব। এই ১৮টা মূল প্ৰতিশ্ৰুতিৰ উপৰিও অগপ দলে আন কেইবাটাও গুৰুত্বপূৰ্ণ সংকল্প ঘোষণা কৰিছে।

# বৰমপুৰত পথযাত্ৰা; ভয়মুক্ত হৈ ভোট দিয়াৰ আহ্বান

# চামগুৰিত নগাঁও জিলা আয়ুক্তৰ পথ-সভা

**অসম বাৰ্তা, পুৰণিগুদাম, ১ এপ্ৰিল ঃ** জনতাৰ মনত ভয়-শঙ্কা দূৰ কৰি নিৰ্বাচনী প্ৰক্ৰিয়াটো নিকা আৰু শান্তিপূৰ্ণভাৱে সফল কৰি তোলাৰ উদ্দেশ্যে আজি পুনৰ নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই জিলাখনৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চল পৰিদৰ্শন কৰে। বিশেষকৈ চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত ব'ৰমা বজাৰ, কাৰৈমাৰী বজাৰ, মাগুৰমাৰী বজাৰ তিনিআলি আৰু শ'লমাৰী আদিকে ধৰি এক বিস্তীৰ্ণ অঞ্চল ভ্ৰমণ কৰি তেওঁ বজাৰ-হাট আদিত স্থানীয় ৰাইজৰ সৈতে মত-বিনিময়ত মিলিত হয়। এই পৰিদৰ্শন কালত আয়ুক্তগৰাকীয়ে সকলো শ্ৰেণীৰ ৰাইজকে আগন্তুক বিধানসভা নিৰ্বাচনটো শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাত প্ৰশাসনক সম্পূৰ্ণ সহায় কৰিবলৈ আহ্বান জনায়। ইয়াৰ লগতে তেওঁ কোনো দুস্কৃতিকাৰীৰ প্ৰৰোচনাত ভৰি নিদিবলৈ আৰু তেনে শক্তিক সুযোগ প্ৰদান নকৰিবলৈ সকলোকে সকীয়াই দিয়ে। ইয়াৰোপৰি সমাজৰ কোনো পক্ষৰ ভয়-ভাবুকি বা চাপত পৰি নহয়, বৰঞ্চ নিজৰ বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি নিজৰ মনে বিচৰা জনপ্ৰতিনিধিগৰাকীক নিৰ্ভয়ে ভোটদান কৰিবলৈ তেওঁ ৰাইজক উৎসাহিত কৰে। এনেদৰে জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণেহে গণতন্ত্ৰৰ ভেটি অধিক শক্তিশালী কৰিব বুলি শৰ্মাই ৰাইজক বুজনি দিয়ে। উল্লেখযোগ্য যে, জিলাখনত শান্তি-সম্প্ৰতি বৰ্তাই ৰখাৰ বাবে জিলা আয়ুক্ত শৰ্মাই ইতিমধ্যে বৰমপুৰ, ৰূপহী আদি অঞ্চলো সঘনাই ভ্ৰমণ কৰি পথৰ ওপৰতে স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰা দেখা গৈছে। কালি তেওঁ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসহ আৰক্ষী বাহিনীৰ সৈতে বৰমপুৰ অঞ্চলত পথযাত্ৰা কৰে জিলাখনৰ আইন-শৃংখলা পৰিস্থিতি অধিক সুদৃঢ় কৰাৰ লগতে জনসাধাৰণৰ মাজত নিৰাপত্তাৰ ভাৱ জগাই তোলাৰ লক্ষ্যৰে চলোৱা এই 'এলাকা আধিপত্য' অভিযানত বিশেষকৈ বৰমপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত চাহবাগান অঞ্চলৰ কন্দলী বজাৰ আৰু বামুণি এলেকাৰ দৰে স্পৰ্শকাতৰ অঞ্চলসমূহত টহল দি সামগ্ৰিক নিৰাপত্তা ব্যৱস্থাৰ বুজ লোৱা হয়। বিষয়াদ্বয়ে স্থানীয় ৰাইজৰ সৈতে মত-বিনিময় কৰাৰ লগতে সামগ্ৰিক সুৰক্ষা ব্যৱস্থাৰ বুজ লয়।

# 'ফাৰ্ষ্ট ক্লাছ ব্যক্তিৰ থাৰ্ড ক্লাছ পুত্ৰ' পৃথ্বীৰাজ ৰাভা

বিৰোধী প্ৰাৰ্থী অলক নাথৰ সমৰ্থনত জনতাৰ মাজত আবেদন জনায়। প্ৰচাৰ সভাত তেজপুৰৰ বৰ্তমানৰ বিধায়ক পৃথ্বীৰাজ ৰাভাক তীব্ৰ সমালোচনা কৰি অখিল গগৈয়ে কয়, "অসম বিধানসভাৰ আটাইতকৈ অকৰ্মণ্য বিধায়কজন হৈছে পৃথ্বীৰাজ ৰাভা। জনসাধাৰণৰ সৈতে সন্মানজনক ব্যৱহাৰ নকৰে, ৰাজহুৱা কাম-কাজত গুৰুত্ব নিদিয়ে আৰু বিভিন্ন সামাজিক তথা মহিলা সংগঠনৰ প্ৰতিও অসন্মানজনক আচৰণ কৰে।" অধিক তীক্ষ্ণ আক্ৰমণ কৰি গগৈয়ে পৃথ্বীৰাজ ৰাভাক 'ফাৰ্ষ্ট ক্লাছ ব্যক্তিৰ থাৰ্ড ক্লাছ পুত্ৰ' বুলি অভিহিত কৰে। তেওঁ কয়, "তেজপুৰৰ ৰাইজে এইবাৰ পৃথ্বীৰাজ ৰাভাক পৰাজিত কৰি অলক নাথক বিপুল ভোটেৰে জয়ী কৰাই প্ৰকৃত আঞ্চলিক শক্তিক পুনৰ প্ৰতিষ্ঠা কৰিব।" ইফালে প্ৰচাৰৰ সময়ত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত কাৰাবন্দী শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিষয়ে অখিল গগৈয়ে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, "অসমৰ ৰাইজে জুবিন গাৰ্গৰ ন্যায় বিচাৰে। কিন্তু এইচ বি এছ আৰু তেওঁৰ সমৰ্থকসকলে জুবিনদাক শত্ৰু হিচাপে গণ্য কৰে, কাৰণ জুবিনদাই বিজেপিক 'বটলা পাৰ্টী' বুলি কৈছিল।" গগৈয়ে প্ৰতিশ্ৰুতি দিয়ে যে, বিৰোধী মিত্ৰজোঁটে চৰকাৰ গঠন কৰিলে ছয় মাহৰ ভিতৰত জুবিন গাৰ্গক ন্যায় প্ৰদান কৰা হ'ব। লগতে তিনি মাহৰ ভিতৰত নতুনকৈ চাৰ্জশ্বীট দাখিল কৰি অপৰাধীসকলক গোটেই জীৱন কাৰাগাৰত ৰাখিবলৈ ব্যৱস্থা লোৱা হ'ব। তেওঁ আৰু কয়, "নিৰ্বাচন শেষ হোৱাৰ পাছতে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাই জামিন পাব।" বৰ্তমানৰ কাৰাগাৰ জীৱনক সমালোচনা কৰি গগৈয়ে কয়, "জুবিন হত্যাকাৰীক ৰখা কাৰাগাৰখন এখন পঞ্চতাৰকা হোটেলৰ দৰে। নতুন জেইল, এয়াৰ কণ্ডিচনাৰ আছে, শ্যামকানুক লেপটপ দিয়া হৈছে, কেৰম ব'ৰ্ড দিয়া হৈছে আৰু টেবুল টেনিছ খেলাৰ সুবিধাও আছে।" প্ৰচাৰ সভাত অখিল গগৈয়ে অলক নাথক তেজপুৰৰ পৰৱৰ্তী বিধায়ক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায় আৰু বিৰোধী মিত্ৰজোঁটৰ একতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

# মুম্বাইৰ দৰে ব্ৰহ্মপুত্ৰৰ

উন্নয়নমূলক প্ৰকল্পৰ খতিয়ান দাঙি ধৰে। তেওঁ কয় যে, ব্ৰহ্মপুত্ৰ নদী খনন কৰি মুম্বাইৰ মেৰিন ড্ৰাইভৰ দৰে আকৰ্ষণীয় নদীপাৰৰ পথ নিৰ্মাণ কৰা হ'ব। "মুম্বাইৰ মেৰিন ড্ৰাইভৰ দৰে অসমৰ ব্ৰহ্মপুত্ৰৰ পাৰত এনে এটা আধুনিক পথ নিৰ্মাণৰ পৰিকল্পনা আছে"— তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে, মোদী চৰকাৰৰ শাসনকালত দেশত ৫০ লাখ কোটি টকাৰ উন্নয়নমূলক কাম সম্পন্ন হৈছে। "আমাৰ দেশত টকাৰ কোনো অভাৱ নাই, কিন্তু বিকাশ কৰিব পৰা মানুহৰ অভাৱ আছে"— এই মন্তব্যৰে তেওঁ উন্নয়নৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। কংগ্ৰেছ দলক সমালোচনা কৰি গাডকাৰীয়ে কয়, "মই কংগ্ৰেছক সমালোচনা কৰিবলৈ নাই, কিন্তু সত্যটো হ'ল যে কংগ্ৰেছে দেশত একো কামেই নকৰিলে। আমাৰ কাম হৈছে দেশত কাম কৰা।" তেওঁ লগতে উল্লেখ কৰে যে, অহাবাৰ অসমলৈ আহিলে ৰ'পৱে'ৰে কামাখ্যা মন্দিৰলৈ যাব। ইয়াৰ উপৰি, দেশত ইলেক্ট্ৰিক ট্ৰাক আৰু বাছ অনাৰ সৌভাগ্য তেওঁৰ বুলি কৈ গাডকাৰীয়ে কয় যে, ভৱিষ্যতে দেশৰ সকলো বাহন ইথানলৰ দ্বাৰা চলিব। উত্তৰ-পূৰ্বাঞ্চলত ৫ লাখ কোটি টকাৰ কাম চলি থকাৰ মাজতে অসমতেই ১.৫০ লাখ কোটি টকাৰ প্ৰকল্প ৰূপায়ণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অসম আৰু ত্ৰিপুৰাৰ মাজত সংযোগ উন্নত কৰাৰ লগতে গুৱাহাটীত ৰিং ৰোডৰ কাম চলি থকাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, ব্ৰহ্মপুত্ৰ নদীৰ তলত টানেল নিৰ্মাণ কৰা হ'ব। "আগন্তুক তিনি বছৰৰ ভিতৰত অসমত আমেৰিকাৰ দৰে আধুনিক ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হ'ব"— তেওঁ ঘোষণা কৰে। এই নিৰ্বাচনী প্ৰচাৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ উন্নয়নৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া স্পষ্টভাৱে তুলি ধৰা হৈছে। ৰাইজৰ মাজত উন্নয়নৰ এই বাৰ্তা প্ৰচাৰ কৰি বিজেপিৰ প্ৰাৰ্থীসকলক সমৰ্থন আদায় কৰাৰ চেষ্টা কৰা হৈছে বুলি জানিব পৰা গৈছে।

তিনিটা গোচৰত অভিযুক্ত হৈ আছে নিৰ্দলীয় প্ৰাৰ্থী খান

# মন্দিয়া সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী ফাৰুক খানৰ বিৰুদ্ধে থকা গোচৰ সম্পৰ্কে অৱগত

**অসম বাৰ্তা, হাউলী, ৩১ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনত মন্দিয়া সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী ৰূপে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বৰপেটা জিলাৰ ভেৰাগাঁৱৰ বাসিন্দা হায়েত খানৰ পুত্ৰ ফাৰুক খানে তেওঁৰ বিৰুদ্ধে আদলতত চলি থকা বিভিন্ন গোচৰৰ সম্পৰ্কে আজি এক প্ৰেছ বিবৃতিযোগে সংবাদ মাধ্যমক অৱগত কৰে। বিবৃতিটোত উল্লিখিত অনুসৰি উচ্চতম ন্যায়ালয়ৰ ডব্লিউ পি (চি) নং ৫৩৬/২০১১ গোচৰৰ ২৫ চেপ্তেম্বৰ, ২০১৮ ৰ আদেশৰ ভিত্তিত এজন প্ৰাথীয়ে তেওঁৰ নামত পঞ্জীয়ন হৈ থকা সকলো গোচৰৰ তথ্য ৰাইজৰ মাজত প্ৰচাৰ কৰিব লাগে। সেই মৰ্মে ফাৰুক খানে তেওঁৰ নামত পঞ্জীয়ন হৈ থকা তিনিটা গোচৰৰ সবিশেষ বিৱৰণ সংবাদমাধ্যমৰ জৰিয়তে ৰাইজক জনায়। বিবৃতিটো উল্লিখিত অনুসৰি প্ৰথমটো গোচৰ বৰপেটা নিৰ্বাচন বিষয়াই দাখিল কৰা "ডি ভোটাৰ মঞ্চৰ বেনাৰত ডি চিহ্নিত ভোটাৰ সকলক ভুল পথেৰে ভোটাৰ কাৰ্ড প্ৰস্তুত কৰা" অভিযোগত দহ দিন আৰক্ষীৰ জিম্মাত আৰু দহ দিন ন্যায়িক জিম্মা (জেল) ত থাকিবলগীয়া হৈছিল। অৱশ্যে ৯/১০/২০২২ তাৰিখৰ সেই গোচৰৰ অভিযোগনামা এতিয়ালৈকে আদালতত দাখিল হোৱা নাই। বিবৃতিটো দ্বিতীয়টো গোচৰ বৰপেটাৰ SP officeৰ Border Branchৰ এছ আই আব্দুল ওহাব আছাদীয়ে "ডি চিহ্নিত ভোটাৰ সকলক লগ ধৰি তেওঁ লোকক বিপথে পৰিচালিত কৰা আৰু বিদেশী ন্যায়াধীকৰণৰ জাননী আহিলে বিদেশী ন্যায়াধীকৰণৰ বৰ্জন কৰিবলৈ আহ্বান জনোৱাৰ লগতে ফেচবুকৰ জৰিয়তে ভুৱা প্ৰচাৰ চলোৱা বুলি" কৰা অভিযোগত বৰপেটা থানাত বিএনএছৰ 318(4)/316(3)/308(2) ধৰাত 408/2024 নম্বৰৰ গোচৰত এদিন আৰক্ষী জিম্মাত আৰু দহ দিন ন্যায়িক জিম্মা (জেল) ত থাকিবলগীয়া হৈছিল। এই গোচৰৰ অভিযোগনামা এতিয়ালৈকে আদালতত দাখিল হোৱা নাই। তৃতীয়তে কলগাচিয়াৰ মফিজুদ্দিনে "বিদেশী ন্যায়াধীকৰণৰ গোচৰ সম্পৰ্কে বিভ্ৰান্তিকৰ পৰামৰ্শ দিয়ে আৰু প্ৰতাৰণা কৰা" বুলি দাখিল কৰা অভিযোগত বৰপেটাত পঞ্জীয়ন হোৱা 810/25 নং গোচত বিএন এচৰ 212/318 (4)/316(2)/296/351(2)(3)308 ধাৰাত বিচাৰ প্ৰাথমিক পৰ্যায়ত আছে। প্ৰথম শুনানিত অভিযোগকাৰী অনুপস্থিত আছিল বুলি প্ৰাৰ্থী ফাৰুক খানে বিবৃতিটোৰ জৰিয়তে সমষ্টিবাসী ৰাইজক জনাইছে।

■ জাতীয় সংগঠনেও মুকলিকৈ আগবঢ়াইছে সমৰ্থন ■

# দৈনিক শতাধিক লোকৰ বিজেপিত যোগদানে অধিক শক্তিশালী কৰি তুলিছে বিশ্বজিৎ ফুকনক

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১ এপ্ৰিল ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে সৰুপথাৰতো বলিছে নিৰ্বাচনী গৰম বতাহ। শাসক-বিৰোধী সকলো ৰাজনৈতিক দলেই দ্ৰুত গতিত চলাইছে প্ৰচাৰ অভিযান। তাৰ মাজতে ১০৭নং সৰুপথাৰ বিধান সভা সমষ্টিত দৈনিক শতাধিক লোকৰ বিজেপিত যোগদানে অধিক শক্তিশালী কৰি তুলিছে শাসকীয় তথা বিজেপি দলৰ প্ৰাৰ্থী বিশ্বজিৎ ফুকনক। বিধায়ক বিশ্বজিৎ ফুকনে দৈনিক ১১বজাৰ পৰা সন্ধিয়াৰ ভাগলৈকে সমষ্টিটোৰ বিভিন্ন প্ৰান্তত আয়োজন কৰা নিৰ্বাচনী প্ৰচাৰ সভা সমূহত ভাগ লয়। তাৰ মাজতে ৰাতিপুৱা আৰু গধূলিৰ আজৰি সময়চোৱাত সৰুপথাৰ নগৰৰ মাজমজিয়াত স্থিত তেখেতৰ নিজা বাসগৃহত সময় কটায়। সেই সময়চোৱাতে তেখেতৰ বাসগৃহত দৈনিক সহস্ৰাধিক লোকে আহি সমাগম কৰা পৰিলক্ষিত হৈছে। ইফালে প্ৰচাৰ অভিযানৰ সমান্তৰালভাৱে বিধায়ক গৰাকীয়ে দৈনিক যোগদান কাৰ্যসূচীও সম্পন্ন কৰিছে। এই যোগদান কাৰ্যসূচীত সৰুপথাৰ সমষ্টিৰ কংগ্ৰেছ দলৰ নেতা, ছাত্ৰ সংগঠনৰ নেতা, জাতীয় সংগঠনৰ সদস্যকে ধৰি দৈনিক শতাধিক লোকে বিধায়কজনে যোৱা পাঁচবছৰত কৰা উন্নয়নমূলক কামকাজৰ প্ৰতি আকৃষ্ট হৈ আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰা দেখা গৈছে। বুধবাৰেও বিধায়ক বিশ্বজিৎ ফুকনৰ বাসগৃহত নাওজান অটো চালক সন্থাকে ধৰি শতাধিক লোকে বিজেপিত যোগদান কৰে। ইয়াৰ উপৰি সৰুপথাৰ সমষ্টিৰ বড়ো জনগোষ্ঠীৰ জাতীয় সংগঠন, চুতীয়া জনগোষ্ঠীৰ জাতীয় সংগঠন, চাহ জনজাতি, আদিবাসী জাতীয় সংগঠন, গোৰ্খা জাতীয় সংগঠন ইত্যাদি বিভিন্ন জাতি-জনগোষ্ঠীৰ জাতীয় সংগঠন সমূহেও বিধায়ক বিশ্বজিৎ ফুকনক মুকলিভাৱে সমৰ্থন আগবঢ়াইছে। আনহাতে যোৱানিশা গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক তথা যুৱ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তৰণ ফুকনে বিজেপি দলত আনুষ্ঠানিকভাৱে যোগদান কৰি বিশ্বজিৎ ফুকনৰ হাতেদি গেৰুৱা বস্ত্ৰ পৰিধান কৰে। দৈনিক পাঁচ/ছখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগলোৱা বিজেপি দলৰ প্ৰাৰ্থী বিশ্বজিৎ ফুকনে কয়- যোৱা পাঁচটা বছৰত সৰুপথাৰ সমষ্টিৰ প্ৰত্যেকখন গাঁৱৰ লোকসকলৰ মাজত উন্নয়নৰ দ্বাৰা আত্মিক সম্পৰ্ক গঢ়ি তুলিছো। সেয়েহে বিধান সভা নিৰ্বাচনৰ বাবে প্ৰচাৰ কৰাৰ ক্ষেত্ৰত মোৰ বাবে বৰ বেছি প্ৰাসঙ্গিকতা নাই। কেৱল ৰাইজৰ পৰা আশীৰ্বাদ লোৱাৰ স্বাৰ্থতহে এই নিৰ্বাচনী প্ৰচাৰ সভা সমূহৰ আনুষ্ঠানিকতা পালন কৰিছোঁ।

# অৰুণাচলৰ চাংলাঙত এন এছ চি এন (আই এম)ৰ এজন বিদ্ৰোহীৰ আত্মসমৰ্পণ



**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১ এপ্ৰিল ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চাংলাং জিলাত কালি এন এছ চি এন (আই এম) ৰ এজন বিদ্ৰোহীয়ে আত্মসমৰ্পণ কৰে। চাংলাঙৰ আৰক্ষী অধীক্ষক কিৰলি পাডুৱে সংবাদ মাধ্যমক জনোৱা মতে, উগ্ৰপন্থী সদস্যজন জিলাখনৰ মনমাওৰ বাসিন্দা ৩০ বছৰীয়া জংগ্ৰন চেনা বুলি জানিব পৰা গৈছে। আত্মসমৰ্পণৰ সময়ত উগ্ৰপন্থী সদস্যজনে আছাম ৰাইফলছৰ জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু জোৱানৰ উপস্থিতিত চাংলাং আৰক্ষীক এটা ৩২ এম এম পিষ্টল, এটা মেগজিন, পাঁচটা .৩২ কাৰ্টিজ, এটা চিমযুক্ত মোবাইল হেণ্ডছেট জমা দিয়ে। উল্লেখ্য যে, ২০১৫ চনত এন এছ চি এন (আৰ)ত যোগদান কৰাৰ পিছত ২০২২ চনত এন এছ চি এন (আই এম) ত যোগদান কৰিছিল জংগ্ৰন চেনাই। সদস্যজনক চাংলাং আৰক্ষী আৰু আছাম ৰাইফলছে যৌথভাৱে জেৰা কৰি থকাৰ কথাও আৰক্ষী অধীক্ষক গৰাকীয়ে জানিবলৈ দিয়ে।

# নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত দেশী-বিদেশী ছাত্ৰ-ছাত্ৰীৰ পাৰিজাত হৰণ অংকীয়া নাট মঞ্চস্থ



**অসম বাৰ্তা, উজনী মাজুলী, ১ এপ্ৰিল ঃ** মাজুলীবাসী তথা সমগ্ৰ অসমবাসীৰ বাবে এক অতি গৌৰৱৰ আৰু আনন্দৰ খবৰ। যি খবৰে সকলোকে আনন্দিত কৰিব কিয়নো যোৱা ২৯ মাৰ্চত নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ মঞ্চত প্ৰদৰ্শিত হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি 'পাৰিজাত হৰণ' নাটক। যোৱা ২২ মাৰ্চৰ পৰা ২৯ মাৰ্চলৈ জে এন ইউত এক সত্ৰীয়া নৃত্যৰ কৰ্মশালা অনুষ্ঠিত হৈছিল। এই কৰ্মশালাত জে এন ইউৰ ৫০ গৰাকীৰো অধিক দেশী-বিদেশী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলক এই নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰে মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সংগীত নাটক অকাডেমী বঁটা প্ৰাপক ভবেন বৰবায়ন, জগন্নাথ বৰুৱা বৰবায়ন আৰু দীপক বৰুৱাই। ২৯ মাৰ্চ তাৰিখে নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ মঞ্চত প্ৰদৰ্শিত হোৱা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি 'পাৰিজাত হৰণ' নাটকত অভিনয় কৰে অসমৰ লগতে উত্তৰ প্ৰদেশ, হাৰিয়ানা আৰু বিহাৰৰ পৰা যোৱা এই জে এন ইউৰ ছাত্ৰ-ছাত্ৰীসকলে। দিল্লীৰ বুকুত মঞ্চস্থ হোৱাএই বিশেষ নাটভাগৰ পৰিচালনাৰ দায়িত্ব সুচাৰুৰূপে পালন কৰে সুমন্যা কাশ্যপ আৰু ডম্ভ সুকন্যা বৰুৱাই। আনহাতে, নাটকখনৰ সংগীত পৰিচালনাৰে জীপাল কৰি তুলে দীপক বৰুৱাই। এই বিশেষ অনুষ্ঠানটোত উপস্থিত থাকি সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰে অসমৰ গৌৰৱ, পদ্মশ্ৰী হৰিচৰণ শইকীয়া আৰু সংগীত নাটক অকাডেমী বঁটাপ্ৰাপক ভবেন বৰবায়নে। ইয়াৰ লগতে দিল্লীৰ এই ৰাষ্ট্ৰীয় মঞ্চত গায়ন-বায়ন পৰিৱেশন কৰি জিলিকি উঠে উত্তৰ কমলাবাৰী সত্ৰৰ কেইবাগৰাকীও প্ৰতিভাৱান শিল্পী। তেওঁলোক হৈছে ক্ৰমে— ভাস্কৰ শইকীয়া বৰবায়ন, দীপক বৰুৱা বায়ন, বিতোপন বৰা বায়ন, শান্তনু দত্ত গায়ন আৰু পৰাগজ্যোতি নেওগ। ৰাষ্ট্ৰীয় পৰ্যায়ত ভিন ভিন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে আমাৰ মাজুলীৰ সত্ৰীয়া সংস্কৃতিৰ এই জয়যাত্ৰা সঁচাকৈয়ে অতুলনীয়। এই অনুষ্ঠানত বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# জুবিন গাৰ্গৰ ন্যায়, সুস্থ গণতন্ত্ৰ প্ৰতিষ্ঠা আৰু জাতীয় অস্তিত্ব বৰ্তাই ৰখাৰ স্বাৰ্থত বিবেক ভোট প্ৰদানৰ আহবান 'মাছ'ৰ

**অসন বাৰ্তা বিশেষ, পেঙেৰী, ১ এপ্ৰিল ঃ** "বৰ্তমান অসমৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ নামত প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচনী তৎপৰতা অব্যাহত ৰখা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত বিশেষকৈ শাসকীয় গেৰুৱা বাহিনীয়ে জাতি-জনগোষ্ঠীৰ মাজত ধৰ্মৰ নামত বিভাজন আনি সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিয়পাই দিছে।" এই মন্তব্য 'মানৱ অধিকাৰ সংগ্ৰাম সমিতি' (মাছ)ৰ কেন্দ্ৰীয় সচিব মনোজ দুৱৰা, 'মাছ'ৰ ডিব্ৰুগড় সমিতিৰ উপদেষ্টা গকুল গোহাঁই, অঞ্জলি সেনাপতি, অধ্যক্ষ ভদ্ৰেশ্বৰ দাস, উপাধ্যক্ষ দীপা গগৈ, সচিব মৃদুল লাহন, 'সংযুক্ত খিলঞ্জীয়া জাতীয় পৰিষদ, অসম'ৰ সহকাৰী সম্পাদক অভয় মৰাণ, নাৰী অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় নেত্ৰী চিত্ৰলেখা বৰা আৰু সম্পাদিকা দীপশিখা গগৈৰ। তেওঁলোকৰ মতে এনে কাৰ্যই জাতীয় স্বাভিমান নিঃশেষ কৰাৰ লগতে অসমৰ ভূমিপুত্ৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ স্বাধিকাৰ খৰ্ব কৰিছে। সম-অধিকাৰ প্ৰদানৰ পৰিৱৰ্তে অন্ধকাৰ দিশলৈহে ঠেলি দিছে খিলঞ্জীয়াসকলৰ ভৱিষ্যত। অসমৰ প্ৰধান আঞ্চলিক ৰাজনৈতিক দল 'অসম গণ পৰিষদ' দলৰ নেতা অতুল বৰা আৰু কেশৱ মহন্তহঁতৰ সাংগঠনিক দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি ৰাষ্ট্ৰীয়তাবাদী বিজেপি দলে অগপৰ সতে মিত্ৰতাৰ ভাৱ দেখুৱাই দৰাচলতে আঞ্চলিকতাবাদৰ চৰিত্ৰত আঘাত হনাহে দেখা গৈছে। বিজেপিয়ে ভেঁটি উচন কৰি পেলাইছে আঞ্চলিকতাবাদৰ। তেওঁলোকৰ ক্ষোভ - "এতিয়া তেওঁলোকক জয় আই অসমৰ পৰিৱৰ্তে 'ভাৰত মাতা কি জয়', 'জয় শ্ৰীৰাম' আদি শ্ল'গানৰ ধ্বনি দিয়াহে শুনিবলৈ পোৱা যায়। গতিকে আগন্তুক সময়ত খিলঞ্জীয়া জাতীয় ভেঁটি বচাবলৈ সকলো দল সংগঠন ঐক্যবদ্ধ হৈ জাতীয় অস্তিত্ব ৰক্ষা কৰিব লাগিব।" লগতে সাংস্কৃতিক জগতৰ মহান শিল্পী, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ছিংগাপুৰত সংঘটিত মৃত্যুৰ ঘটনা ফাৰ্ষ্টট্ৰেক আদালতৰ যোগেদি উচিত ন্যায় প্ৰদানৰ হেতু অসম চৰকাৰ আৰু উচ্চ ন্যায়ালয়ৰ ওচৰত দাবী জনাইছে। তেওঁলোকে ক্ষোভেৰে কয় যে বিজেপি শাসিত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত নামনি সোঁৱনশিৰি নদীৰ ওপৰত নিৰ্মাণৰত বৃহৎ নদীবান্ধৰ ফলত বাৰিষাত মথাউৰি ভাঙি উজনি অসমত সৃষ্টি কৰা বানে বিস্তৰ ক্ষতি সাধন কৰি আহিছে। ক্ষতি হৈছে জন-ধনৰ। চৰকাৰৰ এই হঠকাৰিতাই ক্ষতিগ্ৰস্ত লোকৰ মানৱাধিকাৰ খৰ্ব কৰিছে। সৰ্বসাধাৰণৰ প্ৰতি তেওঁলোকৰ আহ্বান - "সঠিক উত্তৰ দিয়াৰ সময় সমাগত। আগন্তুক বিধান সভাৰ সাধাৰণ নিৰ্বাচনত জনসাধাৰণে শান্তি-সম্প্ৰীতি বজাই ৰাখি জুবিন গাৰ্গৰ ন্যায়, সুস্থ গণতন্ত্ৰ প্ৰতিষ্ঠা আৰু জাতীয় অস্তিত্ব বৰ্তাই ৰখাৰ স্বাৰ্থত বিবেক ভোট প্ৰদান কৰক।"

# শিৱসাগৰৰ NDA প্ৰাৰ্থী প্ৰদীপ হাজৰিকাৰ হৈ নিৰ্বাচনী প্ৰচাৰ অগপ দলৰ সভাপতি অতুল বৰাৰ

**অসম বাৰ্তা, জয়সাগৰ, ১ এপ্ৰিল ঃ** ৰাজ্যত তুংগত হৈ পৰিছে নিৰ্বাচনী প্ৰচাৰ। একে পৰিৱেশ শিৱসাগৰ সমষ্টিত। আজি শিৱসাগৰ বিধানসভা সমষ্টিৰ এন ডি এ সমৰ্থিত অগপ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাৰ বাবে নিৰ্বাচনী প্ৰচাৰ চলালে অতুল বৰাই। প্ৰচাৰ অভিযানত সভাপতি গৰাকীয়ে কয় এইবাৰ শিৱসাগৰত এশ শতাংশ আমি বিজয়ী হম। সমগ্ৰ ৰাজ্যত মিত্ৰজোঁটে ৯০ পৰা এশখন আসন লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে মিঞাক লৈ কৰা শেহতীয়া মন্তব্যই সংখ্যালঘু সমষ্টিৰ অগপ প্ৰাৰ্থী সকলক বিপদত পেলাব নেকি বুলি সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত অতুল বৰাই অগপ এটা শক্তিশালী দল ই অগপ দলৰ প্ৰাৰ্থী সকলক সংখ্যালঘু সমষ্টি সমূহত কোনো প্ৰভাৱ নেপেলায় বুলি মন্তব্য কৰে। শিৱসাগৰত প্ৰদীপ হাজৰিকা আৰু কুশল দুৱৰীক একেলগে টিকট প্ৰদান কৰি উজনিত বিজেপিয়ে অগপ দলক নিঃশেষ কৰাৰ ষড়যন্ত্ৰ কৰিছে নেকি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেনেকুৱা একো নহয় এইয়া নিৰ্বাচন জিকাৰ এক কৌশল বুলি মন্তব্য অতুল বৰাৰ। প্ৰিয়ংকা গান্ধীৰ অসম ভ্ৰমণে নিৰ্বাচনত কোনো প্ৰভাৱ নেপেলায় বুলি মন্তব্য অতুল বৰাই। কংগ্ৰেছ স্বাধীনতাৰ সময়ৰ পৰাই থকা এটা দল। তেওঁলোকে দীৰ্ঘ সময় ধৰি শাসনত থকা দল। ৰাইজৰ তেওঁলোকৰ ওপৰত বিশ্বাস আৰু ভৰসা নাই। তেতিয়াৰ আৰু বৰ্তমানৰ শাসনৰ মাজত বহু পাৰ্থক্য আছে। হিমন্ত বিশ্ব শৰ্মাৰ সময়ত অসমৰ বিকাশ দ্ৰুত গতিত আগুৱাই গৈ আছে। অখিল গগৈ নিৰ্বাচনত হাৰিম বুলি নিশ্চিত হৈছে। গতিকে তেওঁ উন্মাদৰ দৰে আচৰণ কৰিছে।

"বৰ্তমান চৰকাৰে উন্নয়নৰ নামত ঢাক ঢোল বজাইছে"

# বাহনাত কংগ্ৰেছৰ নিৰ্বাচনী সভা

**অসম বাৰ্তা, নিমাতীঘাট, ১ এপ্ৰিল ঃ** ৯৯ নং টীয়ক বিধানসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী পল্লৱী গগৈয়ে আজি বাহনা অঞ্চলৰ ৰংদৈ দ-গাঁৱৰ নৱদ্বীপ সমাজকল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এখন বিশাল নিৰ্বাচনীসভা সম্বোধন কৰে। কংগ্ৰেছ কৰ্মী পূৰ্ণকান্ত দাসে পৰিচালনা কৰা সভাখনিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী পল্লৱী গগৈয়ে বিজেপি চৰকাৰে জনতাক কৰা বঞ্চনা আৰু প্ৰলোভনৰ ৰাজনীতি আগন্তুক বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ পক্ষে ভোট দান কৰি প্ৰত্যুত্তৰ দিবলৈ ৰাইজক আহ্বান জনাই। বৰ্তমান বিজেপি চৰকাৰৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী গৰাকীয়ে পাঁচ বছৰীয়া শাসন কালত লাহদৈগড় পথটোৰ উন্নত কৰিব নোৱাৰাটো এক দুভাগ্যজনক বুলি উল্লেখ কৰে। কেইবাগৰাকী জ্যেষ্ঠ কংগ্ৰেছ কৰ্মীয়ে বিজেপি চৰকাৰখন ক্ষুৰধাৰ সমালোচনা কৰা সভাখনত সদৌ অসম সাধাৰণ জাতি বিকাশ পৰিষদৰ অধ্যক্ষ প্ৰভাত কলিতাই বক্তব্য আগবঢ়ায়। উক্ত সভাতেই আজি অসম গণপৰিষদৰ যোৰহাট জিলাৰ জেষ্ঠ কৰ্মী ভৰত বৰদলৈয়ে ভাৰতীয় জাতীয় কংগ্ৰেছত আনুষ্ঠানিক ভাৱে যোগ দান কৰে।

# নলবাৰী আৰু বাক্সা জিলাৰ হজ যাত্ৰী প্ৰশিক্ষণ আৰু কৰ্মশালা সফলভাৱে সামৰণি




**অসম বাৰ্তা, নলবাৰী, ১ এপ্ৰিল ঃ** হজ ২০২৬ উপলক্ষে নলবাৰী আৰু বা'া জিলাৰ হজযাত্ৰীৰ বাবে আয়োজন কৰা এক গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ আৰু সচেতনতামূলক কৰ্মশালা আজি নলবাৰী জিলাৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সফলভাৱে সম্পন্ন হয়। নলবাৰী জিলা হজযাত্ৰী অভ্যৰ্থনা সমিতিৰ উদ্যোগত অনুষ্ঠিত এই কৰ্মশালাখন পুৱা ১০: ০০ বজাৰ পৰা আৰম্ভ হৈছিল। কৰ্মশালাৰ মুখ্য উদ্দেশ্য আছিল আগন্তুক হজ যাত্ৰাৰ বাবে যাত্ৰীৰসকলক প্ৰয়োজনীয় দিহা-নিৰ্দেশনা, নিয়ম-নীতি, স্বাস্থ্যসচেতনতা আৰু ভ্ৰমণ-সম্পৰ্কীয় প্ৰস্তুতিৰ বিষয়ে পূৰ্ণাঙ্গ তথ্য প্ৰদান কৰা। উপস্থিত হজযাত্ৰীৰসকলে অত্যন্ত উৎসাহ আৰু আগ্ৰহেৰে অংশগ্ৰহণ কৰি অভিজ্ঞ ব্যক্তিসকলৰ পৰা বহু গুৰুত্বপূৰ্ণ দিহা লাভ কৰে। উক্ত কৰ্মশালাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নলবাৰী সমষ্টিৰ কংগ্ৰেছৰ দলৰ প্ৰাৰ্থী অশোক কুমাৰ শৰ্মা আৰু উত্তৰ-পূৰ্বাঞ্চল হজ কমিটিৰ সৈতে জড়িত অভিজ্ঞ ব্যক্তি নেকিবুৰ জামান। তেওঁলোকে নিজৰ বক্তব্যত হজৰ আধ্যাত্মিক গুৰুত্ব, যাত্ৰাৰ সময়ত পালন কৰিবলগীয়া নিয়ম-শৃংখলা, লগতে স্বাস্থ্য আৰু সুৰক্ষাৰ বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁলোকে কয় যে সঠিক প্ৰস্তুতি, ধৈৰ্য আৰু শৃংখলাৰ জৰিয়তেই এক সফল আৰু শান্তিপূৰ্ণ হজ যাত্ৰা সম্পন্ন কৰিব পৰা যায়। কৰ্মশালাত উপস্থিত চিকিৎসা বিশেষজ্ঞসকলে হজ যাত্ৰাৰ সময়ত স্বাস্থ্য সুৰক্ষাৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। বিশেষকৈ গৰম বতৰ, খাদ্যাভ্যাস, পানীৰ সঠিক ব্যৱহাৰ আৰু শাৰীৰিক সুস্থতা বজাই ৰাখিবলৈ ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে অংশগ্ৰহণকাৰীসকলক অৱগত কৰা হয়। লগতে ধৰ্মীয় নিয়ম-কানুনসমূহো সহজ আৰু বুজিবলৈ সুবিধাজনক ভাষাত ব্যাখ্যা কৰা হয়। এই অনুষ্ঠানত নলবাৰী আৰু বাক্সা জিলাৰ পৰা বহু সংখ্যক হজযাত্ৰীয়ে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে মত প্ৰকাশ কৰি কয় যে এই ধৰণৰ প্ৰশিক্ষণমূলক কৰ্মশালাই তেওঁলোকৰ সন্দেহ দূৰ কৰাৰ লগতে যাত্ৰাৰ বাবে আত্মবিশ্বাস বৃদ্ধি কৰিছে। নলবাৰী জিলা হজযাত্ৰী অভ্যৰ্থনা সমিতিয়ে অনুষ্ঠানটো সফলভাৱে সম্পন্ন কৰাৰ বাবে সকলো সহযোগী, অতিথি আৰু অংশগ্ৰহণকাৰীসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। সমিতিৰ পক্ষৰ পৰা আশা প্ৰকাশ কৰা হয় যে এইপ্ৰশিক্ষণৰ জৰিয়তে সকলো হজযাত্ৰীয়ে সু-শৃংখল আৰু সুৰক্ষিতভাৱে নিজৰ পৱিত্ৰ যাত্ৰা সম্পন্ন কৰিব পাৰিব। শেষত সকলো হজযাত্ৰীৰ মঙ্গল কামনা কৰি কৰ্মশালাৰ সফল সমাপ্তি ঘোষণা কৰা হয়।

# নৱগঠিত টিয়ক সমষ্টিৰ বাবে জয় মসৃণ নহয় অগপ মিত্ৰজোটৰ প্ৰাৰ্থী বিকাশ শইকীয়াৰ

**অসম বাৰ্তা, নিমাতীঘাট, ১ এপ্ৰিল ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ দিন যিমানে চমু চাপিছে, সিমানে আকৰ্ষণীয় হৈছেৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ। প্ৰতিটো ৰাজনৈতিক দলেই নিজ নিজ প্ৰাৰ্থীক লগত লৈ দিন-ৰাতি একাকাৰ কৰিছে। ব্যতিক্ৰম নহয় নৱগঠিত ৯৯নং টীয়ক বিধানসভা সমষ্টি। নতুন ভৌগোলিক পৰিসীমাৰে গঠনহোৱা সমষ্টিটোত অগপৰ মিত্ৰজোটৰ প্ৰাৰ্থী বিকাশ শইকীয়াৰ সামান্তৰালভাৱে কংগ্ৰেছৰ পল্লৱী শইকীয়া গগৈয়ে সমষ্টিটোত জনসভাৰে ৰাইজৰ মাজত সোমাই প্ৰচাৰ তুংগত ৰাখিছে। উল্লেখ্য যে পল্লৱী শইকীয়া গগৈয়ে ২০১৬ আৰু ২০২১ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী হিচাবে টিয়ক সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও ২০২১ চনত মিত্ৰজোটৰ অগপৰ প্ৰাৰ্থী ৰেণুপমা ৰাজখোৱাৰ ওচৰত নৈতিক পৰাজয় হৈছিল। কিন্তু এইবাৰ নৱগঠিত টিয়ক সমষ্টিত পল্লৱী শইকীয়া গগৈৰ স্থিতি যথেষ্ট সবল। বিশেষকৈ উত্তৰ যোৰহাটত পল্লৱী শইকীয়া গগৈৰ ভেটি মজবুত হোৱাৰ বাবে অগপৰ মিত্ৰজোটৰ প্ৰাৰ্থী বিকাশ শইকীয়াৰ বাবে নিৰ্বাচনী বৈতৰণী পাৰ হোৱাটো কঠিন হৈ পৰিছে। টিয়ক সমষ্টিবাসীয়ে কাক এইবাৰ বিধায়কৰ আসনত বহুৱাব-সেয়া সময়ে নিৰ্ধাৰণ কৰিব।

## ভুবন গামৰ ঘৰত আনুষ্ঠানিকভাৱে যোগদান কৰিলে কৰতিপাৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতিজনে

# মাজুলী কংগ্ৰেছত মোক্ষম আঘাত; জ্যেষ্ঠ কংগ্ৰেছ নেতা বিমল দলে (মণ্টু দলে)ৰ বিজেপি গমন

**অসম বাৰ্তা, উজনী মাজুলী, ১ এপ্ৰিল ঃ** মাজুলীত এইবাৰ হাই প্ৰফাইল কংগ্ৰেছ নেতাই পিন্ধিলে গেৰুৱা বসন। মাজুলীত কংগ্ৰেছ দলত মোক্ষম আঘাত হানি জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা মাজুলী জিলা কংগ্ৰেছ সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিমল দলেয়ে (মণ্টু দলে) আনুষ্ঠানিকভাৱে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰিছে। নামনি মাজুলীৰ কৰতিপাৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি বিমল দলেয়ে মাজুলী জিলা কংগ্ৰেছ সমিতিক সন্মুখৰ পৰা নেতৃত্ব লৈ সমগ্ৰ জিলাখনতে কংগ্ৰেছ দলক শক্তিশালী আৰু গতিশীলতা প্ৰদান কৰিছিল। বিমল দলেক সমাগত বিধানসভা নিৰ্বাচনৰ কংগ্ৰেছ দলৰ নিৰ্বাচনী সমিতিৰো সম্পাদকৰ দৰে গুৰু দায়িত্ব দলটোৱে প্ৰদান কৰিছিল। কিন্তু, বিমল দলেয়ে যোৱা কিছুদিন ধৰি কংগ্ৰেছ দলৰ পৰা আঁতৰি থাকি এক সুবিধাজনক স্থিতিৰ সন্ধানত অৱস্থান কৰিছিল। মাজুলীৰ জিলা কংগ্ৰেছৰ বিভিন্ন দায়িত্বত থকা আজীৱন কংগ্ৰেছ নেতা বিমল দলেয়ে সমাগত বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ নিৰ্বাচনী সমিতিৰো সম্পাদকৰ দৰে দায়িত্ব গ্ৰহণ কৰিও নিৰ্বাচনৰ আগমুহূৰ্তত দলটোক বিপদত পেলাই ভাৰতীয় জনতা পাৰ্টিলৈ ঢাপলি মেলাত নেতাজনক বিভিন্ন পক্ষই সুবিধাবাদী বুলি অভিহিত কৰিছে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ নামনি মণ্ডলৰ তেওঁ দীৰ্ঘদিন ধৰি সভাপতিৰ গুৰু দায়িত্ব পালন কৰিছিল। কিন্তু, কালি তেওঁ আনুষ্ঠানিকভাৱে গেৰুৱা বসন পিন্ধিলে। ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰ জোঁটৰ প্ৰাৰ্থী ভুবন গামৰ বাসগৃহত গৈ বিমল দলেয়ে বিজেপিত যোগদান কৰে। উক্ত, যোগদান কাৰ্যসূচীত প্ৰাৰ্থী ভুবন গামৰ লগতে মাজুলী জিলা ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি দীপক গোস্বামী, ভাৰতীয় জনতা পাৰ্টিৰ নামনি মণ্ডলৰ সভাপতি প্ৰেম কান্ত মেধিৰ লগতে মিত্ৰ জোঁটৰ বহুতো নেতা কৰ্মী উপস্থিত আছিল। গেৰুৱা বসন পৰিধান কৰাই বিধায়ক ভুবন গাম, জিলা সভাপতিয়ে বিমল দলেক বিজেপিলৈ আদৰণী জনায়। বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দলৰ নেতাজনে দল ত্যাগ কৰাত মাজুলীত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিজৰ সুবিধাবাদী চৰিত্ৰ উদঙাই কংগ্ৰেছ নেতাজনে বিজেপিত যোগদান কৰিছে বুলি সৰ্বত্ৰে চৰ্চা চলিছে।

## আটছুঁৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন নেতা ললিত মাহালীৰ কংগ্ৰেছত যোগদান

**অসম বাৰ্তা, নাহৰকটীয়া, ১ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ এটা সপ্তাহ বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দল সমূহৰ মাজত যোগদান কাৰ্যও তীব্ৰতৰ হৈ পৰিছে। আটছুঁৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক তথা নাহৰকটীয়াৰ চাহ জনজাতিৰ শক্তিশালী জনপ্ৰিয় নেতা, সমাজকৰ্মী ললিত মাহালীয়ে আজি কংগ্ৰেছ দলৰ নীতি আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰে। আজি ৰজগড়ত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ এখন বিশাল নিৰ্বাচনী সভাত কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী আৰু ৰাজ্যিক সভাপতি গৌৰৱ গগৈৰ উপস্থিতিত প্ৰাক্তন ছাত্ৰ নেতাজনে নাহৰকটীয়া সমষ্টিৰ জয়পুৰ চাহ বাগিচা, সত্যনাৰায়ণ সহ বাগিচা, বলিমৰা চাহ বাগিচা, তিনিআলি চাহ বাগিচা কুঁৱৰী গাঁও, মালিপথাৰৰ প্ৰায় দেৰ শতাধিক লোকক লগত লৈ ৰাষ্ট্ৰীয় দলটোত যোগদান কৰে আৰু ভৱিষ্যতে অনুষ্ঠিত হ'ব লগা বিধানসভা নিৰ্বাচনত নাহৰকটীয়া সমষ্টিৰ পৰা কংগ্ৰেছৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সম্ভাৱনা আছে মাহালিয়ে। উল্লেখ, যোৱা ২৫ মাৰ্চত চাহ জনজাতি ছাত্ৰ সন্থাৰ নাহৰকটীয়া শাখাই অনুষ্ঠিত কৰা এক সভাৰ যোগেদি ছাত্ৰ নেতাজনে আটছুঁৰ পৰা আনুষ্ঠানিক ভাৱে বিদায় লৈছিল।

# ধিং সমষ্টিত মেহবুব মুক্তাৰৰ হৈ ৰকিবুল হুছেইনৰ জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ

**অসম বাৰ্তা, বটদ্ৰৱা, ১ এপ্ৰিল ঃ** নগাঁও জিলাৰ ৫৫ নং ধিং বিধানসভা সমষ্টিত বিৰোধী ঐক্য মঞ্চৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী মেহবুব মুক্তাৰৰ সমৰ্থনত ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ অভিযান চলায়। আজি বলিকটীয়া পঞ্চায়তৰ বাটমাৰীসহ সমষ্টিৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত সভা আৰু পথসভাত অংশগ্ৰহণ কৰি তেওঁ প্ৰচাৰ চলায়। সভাত ভাষণ প্ৰদান কৰি ৰকিবুল হুছেইনে অভিযোগ কৰে যে এ আই ইউ ডি এফে বিজেপিৰ "বি টিম" হিচাপে কাম কৰি আহিছে। তেওঁ কয়, ধুবুৰী লোকসভা নিৰ্বাচনত বদৰ উদ্দিনৰ ব্যাপক পৰাজয়ৰ অন্যতম কাৰণ হৈছে তেওঁ হিমন্ত বিশ্ব শৰ্মাৰ কথামতে চলা। তেওঁ আৰু কয় যে বৰ্তমান ৰাজনৈতিক সংকটত পৰি হিমন্ত বিশ্ব শৰ্মাই নৰেন্দ্ৰ মোদীৰ বন্ধু আছাদ উদ্দিন ওৱাইছিক অসমলৈ আমন্ত্ৰণ জনাইছে বুলি সমালোচনা কৰে। ইয়াৰ লগতে তেওঁ জনসাধাৰণক মেহবুব মুক্তাৰৰ পক্ষত ভোটদান কৰিবলৈ আহ্বান জনাই কয় যে এই নিৰ্বাচনত বিৰোধী ঐক্য মঞ্চক জয়ী কৰি গৌৰৱ গগৈৰ নেতৃত্বত চৰকাৰ গঠন কৰাটো অত্যন্ত প্ৰয়োজনীয়।

# নামনি মাজুলীৰ শিক্ষক, সমাজকৰ্মী দীননাথ ভূঞাৰ ২৩ সংখ্যক স্মৃতিচাৰণ অনুষ্ঠান

## ভোজন বেহাৰ নাটক প্ৰদৰ্শন

**অসম বাৰ্তা, উজনী মাজুলী, ৩১ মাৰ্চ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক, অভয়পুৰ গাঁৱৰ বাসিন্দা দীননাথ ভূএগাৰ ২৩ সংখ্যক স্মৃতি চাৰণ অনুষ্ঠান আজি দিনজোৰা কাৰ্য ধনসূচীৰে অভয়পুৰ গাঁৱৰ নামঘৰত উদযাপন কৰা হয়। সৰবৰহী, অতি অমায়িক, ধৰ্মপৰায়ণ ব্যক্তি দীননাথ ভূএগা সমগ্ৰ নামনি মাজুলীৰ এজন জনপ্ৰিয় শিক্ষক আছিল। প্ৰয়াত দীননাথ ভূএগাৰ পৰিয়ালবৰ্গৰ উদ্যোগত আজি অভয়পুৰ গাঁৱৰ নামঘৰত সহস্ৰাধিক ৰাইজৰ উপস্থিতিত উক্ত স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত কৰে। উক্ত, স্মৃতিচাৰণ অনুষ্ঠান উপলক্ষে অভয়পুৰ গাঁৱৰ নামঘৰ প্ৰাংগণত আজি পুৱা গছপুলি ৰোপণ কৰে অভয়পুৰ গাঁও পৰিচালনা সমিতিৰ সভাপতি লক্ষ্যজিত বৰাই। পুৱা দহ বজাৰ পৰা নামাচাৰ্য ববুল বৰুৱাৰ পৰিচালনাত নাম প্ৰসংগ আৰম্ভ হয়। অঞ্চলটোৰ শতাধিক জ্যেষ্ঠ বৈষ্ণৱে অংশগ্ৰহণ কৰা উক্ত নাম প্ৰসংগৰ পাছত ভাগৱত পাঠ আৰু গুণমালা কীৰ্তন পৰিৱেশন কৰা হয়। দুপৰীয়া বাৰ বজাৰ পৰা অঞ্চলটোৰ শিশু শিল্পী সকলে মহাপুৰুষ মাধৱ দেৱৰ ভোজন বেহাৰ নাটক প্ৰদৰ্শন কৰে। উক্ত, নাট ভাগিত গায়ন-বায়ন পৰিৱেশন কৰে ভালুকমৰা গাঁৱৰ শিশু শিল্পীসকলে। নাটভাগিত সূত্ৰধাৰী নৃত্য পৰিৱেশন কৰে আৰু বিশিষ্ট শিল্পী পাৰ্থপ্ৰতিম বৰাই। দোহাৰ পৰিচালনা কৰে বুবুল হাজৰিকা, নৱজিত মুক্তিয়াৰ, হৰিচন্দ্ৰ শৰ্মা, উৎপল কৌশিক আৰু নৰমণি শইকীয়াই। ভোজন বেহাৰ নাটক ভাগিত শিশু শিল্পীসকলে অতি নিখুঁতভাৱে অভিনয় কৰে। নাটক ভাগিৰ অভিনয়ৰ শেষত দোহাৰ পৰিচালনা কৰা গায়ন বায়নৰ শিল্পীসকলক দীননাথ ভূএগাৰ পৰিয়ালৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। যদু কলিতাই পৰিচালনা কৰা উক্ত অনুষ্ঠানত মাজুলীৰ বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে মাজুলীৰ বৰ এলেঙী সত্ৰৰ সত্ৰাধিকাৰ চন্দন গোস্বামীয়ে অংশগ্ৰহণ কৰে। বিয়লি পুৰোহিতৰ মন্ত্ৰোচ্চাৰণৰ পাছত প্ৰসাদ বিতৰণ কৰা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে প্ৰয়াত দীননাথ ভূএগাৰ জ্যেষ্ঠ পুত্ৰ অজিত ভূএগাই। উল্লেখযোগ্য যে আজিৰ উক্ত স্মৃতিচাৰণ অনুষ্ঠানত উপস্থিত ৰাইজে প্ৰয়াত দীননাথ ভূএগাৰ বহুতো স্মৃতি ৰোমন্থন কৰে।

# মাকুম বেতজান গাঁৱত বিলাতী সুৰা বিপণি খোলাকলৈ ক্ষোভিত ৰাইজ

**অসম বাৰ্তা, মাকুম, ৩১ মাৰ্চ ঃ** যিটো সময়ত ৰাজ্যৰ একাংশ চৰকাৰী বিদ্যালয় সমূহ বন্ধ হোৱাৰ পৰিলক্ষিত হৈছে সেইটো সময়তে অসম চৰকাৰৰ আবকাৰী বিভাগে যধে-মধে সুৰা বিপণি খুলিবলৈ অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ জোৱাৰ উঠিছে। তথ্য প্ৰাপ্ত অনুসৰি শেহতীয়াকৈ তিনিচুকীয়া জিলা খনত সুৰা বিপণি খুলিবলৈ মুঠ ৩৪খন অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে। তাৰে ভিতৰত মাকুম বেতজান গাঁৱত সঞ্জীৱ কৈৰী নামৰ লোক এজনে ২০২০ চনতে দেশীয় সুৰা বিক্ৰী কৰিবলৈ অনুজ্ঞাপত্ৰ লাভ কৰিছিলে। কিন্তু ব্যক্তি জনে দেশীয় সুৰা বিক্ৰী কৰা অনুজ্ঞাপত্ৰখন উন্নীতকৰণ কৰি বিলাতী সুৰা বিক্ৰী কৰাৰ অনুজ্ঞাপত্ৰ লাভ কৰি যোৱা কালি বেতজান গাঁৱত বিলাতী সুৰা বিপণিখন মুকলি কৰিছিল। সুৰা বিপণিখন মুকলি কৰাৰ পাছতে আজি স্থানীয় ৰাইজ ক্ষোভিত হৈ বিপণিখনলৈ ওলাই আহে। উঠি অহা নৱপ্ৰজন্মক ধ্বংস কৰাৰ উদ্দেশ্যেৰে আৰু এখন গ্ৰাম্য অঞ্চলৰ লগতে এটা পুৰণি গণেশ মন্দিৰৰ সন্মুখত সুৰা বিপণি খোলাকলৈ গএগা ৰাইজ ক্ষোভিত হৈ পৰে। উল্লেখযোগ্য যে ৰাসায়নিক দৰবৰ বিপণি খুলিম বুলি চলচাতুৰীৰে গাঁওবাসী ৰাইজৰ চহীলৈ সুৰা বিপণি খোলা হৈছে বুলি অভিযোগ কৰে গাঁও খনৰ ৰাইজে। ৰাইজ ক্ষোভিত হোৱাত মাকুম আৰক্ষী থানাৰ আৰক্ষী আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ উপস্থিতিত সাময়িকভাৱে বন্ধ কৰি দিয়া হয় সুৰা বিপণিখন।

## ভাৰতীয় নিৰ্বাচনী আয়োগে আগবঢ়োৱা বিভিন্ন ডিজিটেল সেৱাৰ সুবিধা গ্ৰহণৰ বাবে ভোটাৰ ৰাইজক আহ্বান

# শিৱসাগৰত জিলা প্ৰশাসনৰ উদ্যোগত সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্ণ প্ৰস্তুতি অব্যাহত

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৩১ মাৰ্চ ঃ** শিৱসাগৰ জিলাত সমাগত বিধানসভা নিৰ্বাচন-২০২৬ স্বচ্ছ, নিকা আৰু সফলতাৰে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনে পূৰ্ণ প্ৰস্তুতি অব্যাহত ৰাখিছে। আন্তঃগাঁথনি নিৰ্মাণ তথা উন্নীতকৰণ, বিভিন্ন নিৰ্বাচনী কোষ গঠন, পৰিচালনা আৰু বিভিন্ন পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান, নিৰ্বাচনী আচৰণ বিধিৰ কাৰ্যকৰীকৰণ, শান্তি-শৃংখলাৰ পৰিস্থিতি সুনিশ্চিতকৰণ আদিকে প্ৰমুখ্য কৰি জিলাখনত অব্যাহত আছে বহুতো প্ৰস্তুতিমূলক কাৰ্যব্যৱস্থাৰ যথাৰীতি ৰূপায়ণ। ইয়াৰ সমান্তৰালকৈ জিলা প্ৰশাসনে সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন স্তৰৰ ভোটাৰ ৰাইজক ভাৰতীয় নিৰ্বাচনী আয়োগে আগবঢ়োৱা ডিজিটেল সুবিধাসমূহৰ সুফল গ্ৰহণ কৰিবলৈও আহ্বান জনাইছে। সমাগত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিশেষভাৱে সক্ষম ভোটাৰসকলৰ (PwDs) অংশগ্ৰহণ নিশ্চিত কৰিবলৈ নিৰ্বাচন আয়োগে (Election Commission of India- ECI) "সক্ষম" (Saksham) নামৰ এক বিশেষ মোবাইল এপ প্ৰস্তুত কৰিছে। এই এপৰ জৰিয়তে বিশেষভাৱে সক্ষম ভোটাৰসকলে নিজৰ তথ্য আপডেট কৰিব পাৰে, সহায় (হুইলচেয়াৰ, পৰিবহণ) বিচাৰিব পাৰে, ভোটকেন্দ্ৰৰ তথ্য লাভ কৰিব পাৰে আৰু অভিযোগ দাখিল কৰিব পাৰে। আনহাতে ভাৰতীয় নিৰ্বাচন আয়োগে উন্নীত কৰা ভোটাৰ হেল্পলাইন এপ (Voter Helpline App) সকলো ভোটাৰৰ বাবে এক একক সেৱা মঞ্চ, য'ত ভোটাৰ তালিকা চোৱা, নতুন নাম অন্তৰ্ভুক্ত কৰা, সংশোধন কৰা, আৰু অভিযোগ দাখিল কৰিব পৰা যায়। তদুপৰি চি-ভিজিল এপ (cVIGIL App) নাগৰিকক নিৰ্বাচনী আচৰণ বিধি (Model Code of Conduct- MCC) বিষয়ক উলঙ্ঘাসমূহ স্থিৰচিত্ৰ বা ভিডিঅ'ৰ সৈতে অভিযোগ দাখিল কৰিবলৈ সহায় কৰে, যাৰ ফলত তৎকালীন ব্যৱস্থা লোৱা সম্ভৱ হয়। জিলা স্তৰত জিলা নিৰ্বাচনী বিষয়াসকলে (District Election Officer- DEO) সকলে এই এপসমূহৰ ব্যৱহাৰ, প্ৰশিক্ষণ আৰু সচেতনতা বৃদ্ধি কৰে। এই এপসমূহৰ সঠিক ব্যৱহাৰৰ জৰিয়তে ভোটদান প্ৰক্ৰিয়া ভোটাৰসকলৰ বাবে সহজ আৰু সুবিধাজনক কৰি তোলা হৈছে।

# দৰং জিলাৰ ৮৫ বছৰৰ উৰ্ধৰ আৰু দিব্যাংগ ভোটদাতাৰ বাবে ঘৰতে ভোটগ্ৰহণৰ ব্যৱস্থা প্ৰশাসনৰ



**অসম বাৰ্তা, দেওমৰনৈ, ৩১ মাৰ্চ ঃ** ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি ভোটদান কৰিব নোৱাৰাৰ বাবে পোষ্টেল বেলট যোগে ভোটদান কৰিবৰ কাৰণে আবেদন কৰা দৰং জিলাৰ নাগৰিক সকলৰ বাবে ঘৰতে ভোটদান কৰাৰ প্ৰক্ৰিয়া ইতিমধ্যেই আৰম্ভ কৰিছে দৰং জিলা প্ৰশাসনে। দৰং নিৰ্বাচনী জিলাৰ অন্তৰ্গত ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁও বিধানসভা সমষ্টিৰ পৰা পোষ্টেল বেলট যোগে ভোটদানৰ বাবে আবেদন কৰা ভোটাৰ সকলে যাতে সুকলমে ভোটদান কৰিব পাৰে তাৰবাবে ৩০ মাৰ্চৰ পৰা অৰ্থাৎ কালিৰে পৰা সংশ্লিষ্ট ভোট গ্ৰহণকাৰী বিষয়া- কৰ্মচাৰীসকলে এই আবেদানকাৰী ভোটাৰ সকলৰ ঘৰে-ঘৰে গৈ উপস্থিত হৈছে। উল্লেখ্য যে, ৮৫ বছৰৰ উৰ্ধৰ বয়সৰ ভোটদাতা আৰু দিব্যাংগ ভোটদাতা সকলৰ বাবে দৰং জিলা প্ৰশাসনে এই ব্যৱস্থা গ্ৰহণ কৰিছে। এই অভিযানত এতিয়ালৈ মুঠ ২৩৭ গৰাকী ভোটদাতাই ঘৰতে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। ইয়াৰে ছিপাঝাৰ বিধানসভা সমষ্টিৰ ৫১ গৰাকী, মঙলদৈ বিধানসভা সমষ্টিৰ ৬৭ গৰাকী আৰু দলগাওঁ বিধানসভা সমষ্টিৰ ১১৯গৰাকী ভোটদাতাই ভোটদান কৰে। ৩০ মাৰ্চ তাৰিখৰ পৰা আৰম্ভ হোৱা এই কাৰ্য্যসূচী অহা ৩ এপ্ৰিল তাৰিখলৈ চলিব। নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি দৰং জিলা প্ৰশাসনে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

# মিৰ্জাৰ শ্বহীদ ভৱত বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, মিৰ্জা, ৩১ মাৰ্চ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰৰ পৰা বিদায় ল'লে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন কাৰ্যালয় সম্পাদক তথা সদৌ কামৰূপ জিলা ছাত্ৰ সন্থা আৰু দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ উপদেষ্টা নিৰোদ কুমাৰ দাসে। ২০০০ চনৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ লগত জড়িত হৈ থকা নিৰোদ কুমাৰ দাসে সদৌ অসম ছাত্ৰ সন্থাত শাখা পৰা আৰম্ভ কৰি ৰাজ্যিক পৰ্যায়ৰ দায়িত্ব পালন কৰাৰ উপৰিও সংগঠনৰ জৰিয়তে বিভিন্ন সামাজিক কাম কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিটো সমস্যাত মাত মাতি আহিছিল। সেয়ে আজি ছাত্ৰ নেতা গৰাকীক সন্মান দিয়াৰ উদ্দেশ্যে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ উদ্যোগত এখনি বিদায় সম্বৰ্ধনা অনুষ্ঠিত কৰা হয়। দক্ষিণ কামৰূপৰ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত প্ৰথম কাৰ্যসূচী হিচাপে ৮৫৫ গৰাকী শ্বহীদৰ স্মৃতিত এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে দক্ষিণ কামৰূপৰ ছাত্ৰ সন্থাৰ সম্পাদক চন্দন কলিতাই। ইয়াৰ পিছতে প্ৰাক্তন প্ৰাক্তন ছাত্ৰ নেতা তথা সাংবাদিক নিৰেন মালী, হিতেন মালী, তথা বৰ্তমানৰ কেইবাগৰাকীও ছাত্ৰ নেতা তথা আন আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতে নিৰোদ কুমাৰ দাসক দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থা, বৃহত্তৰ আমৰাংগা বৰিহাট শাখা ছাত্ৰ সন্থা, ৰামপুৰ শাখা ছাত্ৰ সন্থা, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ আছু গোট, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাই গামোচা, শৰাই, মানপত্ৰ, জাপি, ফুলৰ থোপা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। পিছত নিৰোদ কুমাৰ দাসে সদৌ অসম ছাত্ৰ সন্থাৰ জৰিয়তে লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ বিষয়ে ভাষণ প্ৰদান কৰাৰ লগতে আন আন ছাত্ৰ নেতা সকলক বিভিন্ন উপদেশ প্ৰদান কৰে। সদৌ শেষত সভাৰ সভাপতি বেদব্ৰত দাসে সভা ভংগ দিয়ে।

# শিৱসাগৰত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ প্ৰতিনিধিৰ উপস্থিতিত দ্বিতীয় পৰ্যায়ৰ ৰেণ্ডমাইজেচন প্ৰক্ৰিয়া সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৩১ মাৰ্চ ঃ** অসমৰ মুখ্য নিৰ্বাচন বিষয়াৰ নিৰ্দেশনা মৰ্মে অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন-২০২৬ৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ জিলাৰ ৯৫-ডিমৌ, ৯৬-শিৱসাগৰ আৰু ৯৭-নাজিৰা বিধানসভা সমষ্টিৰ বাবে ই.ভি.এম. আৰু ভিভিপেট সমূহৰ কমিচনিং প্ৰক্ৰিয়া আজি পুৱা শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত সম্পন্ন কৰা হয়। উক্ত প্ৰক্ৰিয়া সংশ্লিষ্ট সমষ্টিসমূহৰ ৰিটাৰ্নিং বিষয়াসকলৰ তত্ত্বাৱধানত অনুষ্ঠিত হয়। এই প্ৰক্ৰিয়াৰ বাবে নিৰ্বাচনী প্ৰাৰ্থীসকল আৰু তেওঁলোকৰ প্ৰতিনিধিসকলক কমিচনিঙৰ সময়সূচী সন্দৰ্ভত আগতিয়াকৈ অৱগত কৰা হৈছিল যাতে তেওঁলোকে কমিচনিং প্ৰক্ৰিয়া প্ৰত্যক্ষ কৰাৰ লগতে মক্ প'ল প্ৰক্ৰিয়াতো সফলভাৱে অংশগ্ৰহণ কৰিব পাৰে। কমিচনিং প্ৰক্ৰিয়াৰ সময়ত বেলট ইউনিট, কণ্ট্ৰ'ল ইউনিট আৰু ভিভিপেট (অতিৰিক্ত সহ) সমূহ তিনিওটা সমষ্টি অনুযায়ী প্ৰস্তুত কৰা হয়। তিনিটা সমষ্টিৰ বাবে শিৱসাগৰ জিলাৰ নিৰ্বাচনী বিষয়া দ্বাৰা মনোনীত বিষয়াসকলৰ উপস্থিতিত ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ই.চি.আই.এলৰ অনুমোদিত ৮ গৰাকী অভিযন্তাৰে এই কাৰ্য সম্পন্ন কৰা হয়। কণ্ট্ৰ'ল ইউনিট আৰু বেলট ইউনিটত প্ৰাৰ্থীসকলৰ নাম সংযোজন প্ৰপত্ৰ নং-৭(এ) অনুসৰি কৰা হয়। ই.ভি.এম., ভিভিপেট কমিচনিং কাৰ্য ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা আৰু ইলেক্ট্ৰনিক ভোটিং মেচিনৰ হাতপুথিত উল্লিখিত নিৰ্দেশনা অনুসৰি সম্পন্ন কৰা হয়। এই হাতপুথি ভাৰতৰ নিৰ্বাচন আয়োগৰ https://www.eci.gov.in/evm-vvpat ৱেবছাইটত উপলব্ধ। এই সম্পূৰ্ণ কমিচনিং প্ৰক্ৰিয়া প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃত ৰাজনৈতিক দলসমূহৰ অনুমোদিত প্ৰতিনিধিসকলৰ উপস্থিতিত সম্পন্ন কৰা হয়। এই প্ৰক্ৰিয়াটো শিৱসাগৰ জিলাৰ বাবে নিয়োজিত সাধাৰণ পৰ্যৱেক্ষকৰ তত্ত্বাৱধানত ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশাৱলীৰ অনুযায়ী সম্পন্ন কৰা হয়। কমিচনিং প্ৰক্ৰিয়া সম্পন্ন কৰা কক্ষটো আৰু চৌপাশ সম্পূৰ্ণৰূপে চি.চি. কেমেৰাৰ নিৰীক্ষণত ৰখা হয় আৰু সমগ্ৰ প্ৰক্ৰিয়া জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত স্থিত নিৰীক্ষণ কক্ষৰ পৰা পৰ্যবেক্ষণ কৰা হয়। সকলো নিৰাপত্তা আৰু লজিষ্টিক ব্যৱস্থাপনা ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি সম্পন্ন কৰা হয়। কমিচনিং প্ৰক্ৰিয়াটোৰ নিৰাপত্তা, নিষ্ঠা আৰু স্বচ্ছতা বজাই ৰখাৰ হকে কমিচনিং কক্ষত প্ৰৱেশ কেৱল অনুমোদিত লোকৰ বাবে সীমিত কৰা হয়। দ্বিতীয় ৰেণ্ডমাইজেচনৰ পাছত ৯৫-ডিমৌ বিধানসভা সমষ্টিত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ২৩০টা। সমান্তৰাল ভাৱে কণ্ট্ৰ'ল ইউনিট, বেলট ইউনিট আৰু ভিভিপেটৰ সংখ্যাও ২৩০টাকৈ থাকিব। অতিৰিক্ত ভাৱে সমষ্টিটোত কণ্ট্ৰ'ল ইউনিট ১০০টা, বেলট ইউনিট ৬৫টা আৰু ভিভিপেটৰ সংখ্যা ৯৩টা ধাৰ্য কৰা হৈছে। সেয়ে, সমষ্টিটোত মুঠ কণ্ট্ৰ'ল ইউনিট ৩৩০টা, বেলট ইউনিট ২৯৫টা আৰু ভিভিপেটৰ সংখ্যা ৩২৩টা হ'ব। একেদৰে ৯৬-শিৱসাগৰ বিধানসভা সমষ্টিত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ২৭৮টা, সমান্তৰাল ভাৱে কণ্ট্ৰ'ল ইউনিট, বেলট ইউনিট আৰু ভিভিপেটৰ সংখ্যাও ২৭৮টাকৈ থাকিব। অতিৰিক্ত ভাৱে সমষ্টিটোত কণ্ট্ৰ'ল ইউনিট ১২৩টা, বেলট ইউনিট ৮৩টা আৰু ভিভিপেটৰ সংখ্যা ১১৩টা। সমষ্টিটোত মুঠ কণ্ট্ৰ'ল ইউনিট ৪০১টা, বেলট ইউনিট ৩৬১টা আৰু ভিভিপেটৰ সংখ্যা ৩৯১টা। আনহাতে ৯৭-নাজিৰা বিধানসভা সমষ্টিত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ২৩৩টা, সমান্তৰাল ভাৱে কণ্ট্ৰ'ল ইউনিট, বেলট ইউনিট আৰু ভিভিপেটৰ সংখ্যাও ২৩৩টাকৈ থাকিব। অতিৰিক্ত ভাৱে সমষ্টিটোত কণ্ট্ৰ'ল ইউনিট ১০১টা, বেলট ইউনিট ৬৬টা আৰু ভিভিপেটৰ সংখ্যা ৯৪টা। সেয়ে, সমষ্টিটোত মুঠ কণ্ট্ৰ'ল ইউনিট ৩৩৪টা, বেলট ইউনিট ২৯৯টা আৰু ভিভিপেটৰ সংখ্যা ৩২৭টা হ'ব। তদুপৰি, কমিচনিং প্ৰক্ৰিয়াৰ সময়ত কোনো ই.ভি.এম.ৰ ইউনিট (কণ্ট্ৰ'ল ইউনিট, বেলট ইউনিট বা ভিভিপেট) যদি বিকল বুলি চিনাক্ত হয়, তেনেক্ষেত্ৰত ভাৰতৰ নিৰ্বাচন আয়োগৰ অভিযন্তাসকলে এইসমূহ পৰীক্ষা কৰি প্ৰয়োজন অনুসৰি সংৰক্ষিত অতিৰিক্ত ইউনিটেৰে সলনি কৰা হ'ব আৰু এই সকলো তথ্য ই.এম.এছ. ২.০ চফ্‌টৱেৰত আপডেট কৰাৰ ব্যৱস্থা কৰা হৈছে। নিৰ্বাচনৰ স্বচ্ছতা আৰু শুদ্ধতা নিশ্চিত কৰিবলৈ এই তথ্য সমূহ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলক তথা নিৰ্বাচনী এজেণ্টসকলক প্ৰদান কৰাৰো ব্যৱস্থা কৰা হৈছে।

# কামৰূপ জিলাত জিলা দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩১ মাৰ্চ ঃ** কামৰূপ জিলা দিৱস উপলক্ষে আজি গুৱাহাটী বায়'টেক পাৰ্কৰ প্ৰেক্ষাগৃহত এক অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত বিশিষ্ট বুৰঞ্জীবিদ ড° নিত্যনন্দ গগৈ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাই মঙ্গলাচৰণ ধ্বনিৰে অনুষ্ঠানৰ আৰম্ভণি কৰে আৰু আদৰণি ভাষণ প্ৰদান কৰে। মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট বুৰঞ্জীবিদ ড° নিত্যনন্দ গগৈয়ে কয় যে কামৰূপ জিলাই অসমৰ ইতিহাসত এক অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। তেওঁ উল্লেখ কৰে যে প্ৰাচীন কালত অসমৰ নাম "কামৰূপ" আৰু "প্ৰাগজ্যোতিষপুৰ" হিচাপে পৰিচিত আছিল আৰু "প্ৰাগজ্যোতিষপুৰ" নামৰ উল্লেখ ৰামায়ণ আৰু মহাভাৰততো পোৱা যায়। তেওঁ লগতে কয় যে মহাৰাজ পৃথুৱে বখতিয়াৰ খিলজীক পৰাজিত কৰিছিল আৰু ইয়াৰ উল্লেখ 'তবাকত-ই-নাছিৰী'ত উল্লেখ আছে আৰু ইয়াৰ স্মৃতি কানাইবৰশী বোৱা শিলালিপিতো সংৰক্ষিত হৈ আছে। ইয়াৰ উপৰিও ড° গগৈয়ে কামৰূপ জিলাৰ পাহাৰ-পৰ্বতসমূহৰ ঐতিহাসিক গুৰুত্বৰ কথাও উল্লেখ কৰি কয় যে আজ্ঞাঠুৰী পাহাৰ, অশ্বক্লান্ত পাহাৰ, জিলাখনৰ মঠ-মন্দিৰ থকা স্থানসমূহে প্ৰাচীন সভ্যতা আৰু ধৰ্মীয় ঐতিহ্যৰ সাক্ষ্য বহন কৰি আহিছে বুলি তেওঁ কয়। এই স্থানসমূহে ইতিহাস আৰু ভূগোল শিকিবলৈ এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অনুষ্ঠানত কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই নিজৰ ভাষণত কয় যে কামৰূপ জিলা অসমৰ ইতিহাস, সংস্কৃতি আৰু ঐতিহ্যৰ এক গুৰুত্বপূৰ্ণ আধাৰ। তেওঁ উল্লেখ কৰে যে ব্ৰিটিছ শাসনকালত গঠন কৰা সাতখন জিলাৰ ভিতৰত কামৰূপ এখন অন্যতম জিলা আৰু প্ৰশাসনিক সুবিধাৰ বাবে সময়ৰ সৈতে এই জিলাৰ পুনৰ্গঠন কৰা হৈছে। ইয়াৰ উপৰিও জিলা আয়ুক্তগৰাকীয়ে কয় যে কামৰূপ কেৱল এখন প্ৰশাসনিক জিলা নহয়, বৰং ই এখন সমৃদ্ধ ঐতিহ্য আৰু সংস্কৃতিৰে ভৰপূৰ অঞ্চল, যাৰ ইতিহাস আৰু পৰিচয় নতুন প্ৰজন্মই জানিব লাগিব। তেওঁ সকলোকে কামৰূপ কিয় বিখ্যাত আৰু ইয়াৰ ঐতিহাসিক-সাংস্কৃতিক গুৰুত্ব কি সেই বিষয়ে অধ্যয়ন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ঐতিহাসিক স্থান, সাংস্কৃতিক সম্পদ আৰু ঐতিহ্য সংৰক্ষণ কৰা আমাৰ সকলোৰে দায়িত্ব আৰু প্ৰত্যেকেই নিজৰ সামৰ্থ্য অনুসাৰে এই ক্ষেত্ৰত আগবাঢ়ি আহিব লাগে বুলি উল্লেখ কৰে। জিলা আয়ুক্তগৰাকীয়ে আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰসংগত সকলো নাগৰিকক নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত বক্তব্য ৰাখি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে কামৰূপ জিলাৰ স্বাধীনতা আন্দোলনৰ সৈতে জড়িত ইতিহাসৰ বিষয়ে আলোকপাত কৰে। তেওঁ বকো অঞ্চলত ব্ৰিটিছ শাসনকালত চলা "জল কাৰাগাৰ"ৰ দৰে অমানৱীয় ব্যৱস্থাৰ কথা উল্লেখ কৰাৰ লগতে গ্ৰেজিং টেক্স, ভূমি ৰাজহৰ বিৰুদ্ধে চলা আন্দোলন আৰু অসহযোগ আন্দোলনৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত শৰাইঘাট মহাবিদ্যালয় পৰিচালনা কমিটিৰ প্ৰাক্তন সভাপতি ড° জ্ঞানদা নাথে কামৰূপ জিলাৰ ভৌগোলিক আৰু সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে ভাষণ প্ৰদান কৰে। তেওঁ কুলশী নদীৰ গুৰুত্ব, অসমৰ শিল্প-স্থাপত্য, ভাস্কৰ্য, পোৱা মক্কা, হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দৰে ধৰ্মীয় স্থানসমূহৰ সম্প্ৰীতিৰ বাণী, শুৱালকুছিৰ বয়ন শিল্প আৰু হাজোৰ কাঁহ-পিতল শিল্পৰ ঐতিহ্যৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিত আৰু বিশ্বজিৎ শইকীয়া নিৰ্বাচনী বিষয়া ড° ভূপালী কাশ্যপ, বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতাকে ধৰি বহু সংখ্যক ব্যক্তি উপস্থিত থাকে।

## চাপৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুমণি চৌধুৰীৰ নেতৃত্বত অভিযান

# চাপৰৰ বহলপুৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত জব্দ এখন গৰু ভৰ্তি ট্ৰাক

**অসম বাৰ্তা, চাপৰ, ৩১ মাৰ্চ ঃ** ধুবুৰী জিলাৰ চাপৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপু মনি চৌধুৰীৰ নেতৃত্বত চাপৰৰ বহলপুৰস্থিত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। নিৰ্বাচনৰ ধমখমীয়াৰ মাজতে ৰাজ্যত অব্যাহত আছে চোৰাং গৰুৰ ৰমৰমীয়া ব্যৱসায়। চাপৰৰ বহলপুৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত এখন গৰু ভৰ্তি ট্ৰাক জব্দ কৰাৰ লগতে এজনক আটক কৰে। চাপৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুমণি চৌধুৰীৰ নেতৃত্বত আৰক্ষী এটা দলে চলোৱা অভিযানত জব্দ কৰে চোৰাং গৰু ভৰ্তি ট্ৰাকখন। গোপন খবৰৰ ভিত্তিত চাপৰ আৰক্ষীয়ে বহলপুৰত নিয়মীয়া তালাচী অভিযানত জব্দ কৰিবলৈ সক্ষম হয় প্ৰায় ৪০ টাকৈ চোৰাং গৰু আৰু লগতে ট্ৰাক খনৰ চালক বঙাইগাঁও জিলাৰ ৰাখালডুবিৰ এনামুল হকক আটক কৰে আৰক্ষীয়ে। প্ৰাপ্ত তথ্য অনুসৰি চোৰাং গৰুকেইটা পশ্চিম বংগৰ পৰা বৰণিহাটলৈ কঢ়িয়াই লৈ যোৱা অৱস্থাত চাপৰ আৰক্ষীয়ে ট্ৰাক সহ জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত ট্ৰাকখনৰ নম্বৰ হৈছে WB 69 D 2794। আটকাধীন চালক গৰাকীয়ে উক্ত চোৰাং গৰু কেইটা ফালাকাটাৰ জিয়াৰুলৰ বুলি জানিবলৈ দিয়ে। উক্ত ঘটনা সন্দৰ্ভত চাপৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিৰেদন কৰি আমগুৰিত অনুষ্ঠিত নহয় কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন

**অসম বাৰ্তা, চেলেংহাট, ৩১ মাৰ্চ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই ২০২৬ বৰ্ষৰ আমগুৰি কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন উদযাপন কৰাৰ পৰা বিৰত থকাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আমগুৰি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে। অসমৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পীজনাৰ প্ৰতি থকা আমগুৰিবাসীৰ ঐকান্তিক মৰম আৰু আদৰৰ বাবে তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাই এই বছৰ কেন্দ্ৰীয় বিহুটি অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত গ্ৰহণৰ কথা সমিতিয়ে সদৰি কৰিছে।

# বিজনীৰ ইপিপিএল প্ৰাৰ্থী কমলসিং নাৰ্জাৰীলৈ সমৰ্থন যুৱ সমাজৰ

**অসম বাৰ্তা, বিজনী, ৩১ মাৰ্চ ঃ** চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁও প্ৰেক্ষাগৃহত অনুষ্ঠিত যুৱ সন্মিলনত লোৱা হয় এই সিদ্ধান্ত। বিজনীত বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত মিলাপ্ৰীতি আৰু উন্নয়নৰ স্বাৰ্থত বিজনী বিধানসভা সমষ্টিৰ ১৩জন প্ৰাৰ্থীৰ মাজত ইউপিপিএলৰ প্ৰাৰ্থী কমলসিং নাৰ্জাৰীক বাছি উলিয়াইছে বিজনীৰ বড়ো সম্প্ৰদায়ৰ নৱ-প্ৰজন্মই। বিজনীৰ তিনিটা কাৰ্যকালৰ বিধায়ক কমলসিং নাৰ্জাৰী ২০২১ চনত পৰাজিত হোৱাৰ পিছত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে জাতি জনগোষ্ঠীৰ মাজত সমন্বয় গঢ়িব নোৱাৰা বুলি অভিযোগ উত্থাপন কৰি এইবেলি কমলসিং নাৰ্জাৰীক সমৰ্থন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে নৱ প্ৰজন্মৰ নতুন ভোটাৰ সকলে। বিজনীৰ যুৱ সমাজৰ এই সিদ্ধান্তত আনন্দিত বুলি মত ব্যক্ত কৰি যুৱ সমাজৰ বাবে কাম যোৱাৰ কথা ঘোষণা প্ৰাৰ্থী কমলসিং নাৰ্জাৰীৰ। আজিৰ দিনত জয়ী হোৱাটো স্পষ্ট বুলি উল্লেখ কৰি বিজনী সমষ্টিত তিনি কোণীয়া যুঁজ হ'ব বুলি মন্তব্য কমলসিং নাৰ্জাৰীৰ।

# অৱশেষত অজান ৰোগাক্ৰান্তৰ মৃত্যু

**অসম বাৰ্তা, যোৰহাট, ৩১ মাৰ্চ ঃ** যোৰহাটৰ বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাৰ উদ্যোগত ৮ মাৰ্চত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা সুৰেশ দত্ত নামৰ লোকজনৰ অৱশেষত মৃত্যু হয়। চিকিৎসকৰ চেষ্টা আৰু বিভিন্নজনৰ সহায়-সহযোগিতাৰ পাছতো তেওঁ কালি সন্ধিয়া চিৰকালৰ বাবে চকু মুদে। স্মৰ্তব্য, এটা পৰিত্যক্ত ঘৰৰ তলত অনাদৃত আৰু অৱহেলিত ভাৱে দীৰ্ঘ দিন পৰি থকা ৰোগাক্ৰান্ত লোকজনৰ কোনো ঘনিষ্ঠ আত্মীয় নাছিল। চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষক ডাঃ মানৱ গোহাঁইৰ নেতৃত্বত এটি চিকিৎসকৰ দলে ৰোগাক্ৰান্তজনৰ এক জটিল অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন কৰিছিল। আজি তেওঁৰ মৃতদেহ স্বেচ্ছাসেৱী অনুষ্ঠান পথিকৰ মুক্তিপথ ৰথৰ যোগে তৰাজান শ্মশানলৈ নিয়াৰ পাছত সেৱাৰ সহযোগতে শেষকৃত সম্পন্ন কৰা হয়। প্ৰায় ৪৫ বছৰীয়া যুৱকজনৰ প্ৰতি তৰাজান শ্মশানত সেৱাৰ হৈ মুখ্য উপদেষ্টা ডাঃ বলীন খাৰঘৰীয়াই শেষ শ্ৰদ্ধাঞ্জলি জনায়। যুৱকজনৰ অকাল মৃত্যুত সেৱাৰ লগতে নাওবৈচা অঞ্চলৰ ৰাইজে গভীৰ শোক প্ৰকাশ কৰিছে।

# আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ, ৰাষ্ট্ৰীয় বজৰংগ দলৰ পূৰ্ণকালীন কাৰ্যকৰ্তা কৃষ্ণ ৰাথোড়ৰ বিজেপিত যোগদান

**অসম বাৰ্তা, গোলকগঞ্জ, ৩১ মাৰ্চ ঃ** গুৱাহাটী বশিষ্ঠস্থিত ভাৰতীয় জনতা পাৰ্টিৰ কাৰ্যালয় বাজপেয়ী ভৱনত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদৰ যুৱ সংগঠন ৰাষ্ট্ৰীয় বজৰংগ দলৰ ৰাজ্যিক সভাপতি দিনেশ কলিতাদেৱৰ নেতৃত্বত ৰাজ্যিক সভাপতি দিনেশ কলিতাৰ লগতে আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদৰ ৰাজ্যিক উপ-সভাপতি সুব্ৰত দাস ৰাষ্ট্ৰীয় বজৰংগ দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক নিলাভ জ্যোতি দাস, ৰাজ্যিক সম্পাদক বলেন নাথ, পূৰ্ণকালীন কাৰ্যকৰ্তা কৃষ্ণ ৰাথোড়ৰ লগতে আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ, ৰাষ্ট্ৰীয় বজৰংগ দলৰ প্ৰায় এশজন ৰাজ্যিক আৰু জিলাৰ বিষয়ববীয়াই ভাৰতীয় জনতা পাৰ্টিৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে। সন্মানীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু সন্মানীয় ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াদেৱৰ উপস্থিতিত আজি এই কাৰ্য কৰ্তাসকলে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতত হে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন